# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

## চতুৰ্থ সংখ্যা

ইং ২০০৯ চন



সম্পাদক - মফিদুল ইছলাম

খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

চতুৰ্থ সংখ্যা

ইং ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষ

খাৰুপেটীয়া ঃ দৰং (অসম)

তত্বাৱধায়ক
আব্দুল আওৱাল

সম্পাদক
মহঃ মফিদুল ইছলাম

*Kharupetia College Magazine : Volume 4- 2007-08 & 2008-09 published by Kharupetia College Students' Union, Kharupetia, Darrang (Assam)*

সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | মহঃ নুৰুল ইছলাম, ভাৰপ্ৰাপ্ত অধ্যক্ষ |
| তত্বাৱধায়ক | ঃ | আব্দুল আওৱাল, প্ৰৱক্তা, ইংৰাজী বিভাগ |
| সম্পাদক | ঃ | মহঃ মফিদুল ইছলাম |
| উপদেষ্টা মণ্ডলী | ঃ | ড০ পৰিমল কুমাৰ দত্ত, মুৰব্বী প্ৰৱক্তা, সংস্কৃত বিভাগ |
| | ঃ | শ্ৰীদীপক কলিতা, মুৰব্বী প্ৰৱক্তা, অৰ্থনীতি বিভাগ |
| | ঃ | মহঃ জালাল উদ্দিন আহমেদ, প্ৰৱক্তা, বুৰঞ্জী বিভাগ |
| | ঃ | মহঃ আব্দুল কৰিম, মুৰব্বী প্ৰৱক্তা, বুৰঞ্জী বিভাগ |
| সদস্যবৃন্দ | ঃ | ড০ আছমান আৰা বেগম, প্ৰৱক্তা, অসমীয়া বিভাগ |
| | ঃ | শ্ৰীমতী কনকলতা শইকীয়া, প্ৰৱক্তা, অসমীয়া বিভাগ |
| | ঃ | মহঃ নাজিৰ হুছেইন সৰকাৰ, প্ৰৱক্তা, অসমীয়া বিভাগ |
| | ঃ | মহঃ নুৰ জামান, মুৰব্বী প্ৰৱক্তা, আৰবী বিভাগ |
| | ঃ | শিকদাৰ আনোৱাৰুল ইছলাম, মুৰব্বী প্ৰৱক্তা, হিন্দী বিভাগ |
| | ঃ | দিলোৱাৰ হুছেইন, ছাত্ৰ সদস্য |
| | ঃ | হাকিম আলী, ছাত্ৰ সদস্য |
| আৰ্হিপাঠ | ঃ | কনকলতা শইকীয়া |
| | ঃ | ড০ আছমান আৰা বেগম |
| মুদ্ৰণ | ঃ | পাৰামাউণ্ট কম্পিউটাৰ চেণ্টাৰ, বৰদৌলগুৰি, দৰং |





# শ্ৰদ্ধাঞ্জলি

যিসকল মহান ব্যক্তিয়ে অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি দৰং জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ খাৰুপেটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি নৱ জ্ঞানৰ পোহৰ বিলোৱাত অৰিহণা যোগালে তেখেত সকললৈ আমি আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা শ্ৰদ্ধা নিবেদন কৰিছো। লগতে বিগত দিনবোৰত এই অনুষ্ঠানৰ শুভাকাংক্ষী যি সকল গুণী, জ্ঞানী ব্যক্তি ইহ জগতৰ পৰা চিৰ বিদায় ললে সেইসকললৈও অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিছো।

-সম্পাদনা সমিতি

# উছর্গা

যিসকল বৰেণ্য ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ
আৰু আশাসুধীয়া প্ৰচেষ্টাতে
এই মহাবিদ্যালয়খনিয়ে
বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি
উন্নতিৰ এই অৱস্থাত উপনীত হ'ল
সেইসকল সহৃদয় ব্যক্তিৰ নামত
মহাবিদ্যালয়ৰ এই সংখ্যা আলোচনীখনি
উছর্গা কৰা হ'ল।

-সম্পাদনা সমিতি






কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ
মহঃ নুৰুল ইছলাম

SMT. SYEDA ANWARA TAIMUR, M.P.
FORMER CHIEF MINISTER, ASSAM
CHAIRPERSON
COMMITTEE ON PAPERS LAID ON THE TABLE
RAJYA SABHA

OFF.: 124, PARLIAMENT HOUSE
NEW DELHI, 110001
TEL.: 23034451, 23017867
RES.: 18, MOTHER TERESA CRESCENT
(WILLINGDON CRESCENT)
NEW DELHI-110001
TEL.: 23018009, 23795548

# শুভেচ্ছা বাণী



খাৰুপেটীয়া কলেজৰ ছাত্ৰ-একতা সভাই ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষৰ 'খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী'খন প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰাত মই আনন্দিত হৈছোঁ। ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীৰ পাঠ্যপুথি পঢ়াৰ উপৰিও অন্যান্য বিষয়ত যদি ৰাপ থাকে, এই আলোচনীৰ জৰিয়তে তেওঁলোকে ছাত্ৰ অৱস্থাতে নিজৰ গুণ-গৰিমা প্ৰকাশ কৰিবলৈ সুবিধা পায়। ইয়াৰ উপৰিও কবিতা, গল্প বা আন যিকোনো বিষয়ৰ আলোচনাও তেওঁলোকে প্ৰকাশ কৰিবলৈ সুবিধা পায়।

ছাত্ৰ-ছাত্ৰীৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰী সকলে তেওঁলোকৰ লিখনিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলক উপকৃত কৰিব পাৰে। ছাত্ৰ অৱস্থাৰ পৰা কবিতা, গল্প, আলোচনা আদি প্ৰকাশ কৰাৰ অভ্যাস কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীয়েই ভৱিষ্যতে ভাল শিক্ষক, লিখক হবগৈ পাৰে। ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়াৰ উপৰিও জ্ঞান-চৰ্চা, খেলা-ধূলা, কলা-কৃষ্টি, বিজ্ঞান আদিৰ বিষয়েও এই আলোচনী প্ৰকাশৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ব পাৰে। মই আশাকৰোঁ ছাত্ৰ একতা সভাই প্ৰতি বছৰে এই আলোচনী প্ৰকাশ কৰিবলৈ সমৰ্থ হ'ব।

খাৰুপেটীয়া কলেজৰ সুনাম, সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

- চৈয়দা আনোৱাৰা টাইমুৰ

*Md. Ilias Ali,* M L A
68, DALGAON LAC
MEMBER
EMPLOYMENT REVIEW COMMITTEE, A.L.A.
MEMBER
ASSAM MINORITIES DEVELOPMENT BOARD

Cottage No. 47, Old MLA Hostel,
Dispur - Guwahati - 781006
Ph. : 0361-2260586

P.O. Kharupetia 784115
Distt. Darrang - Assam
Ph. : 03713-254340
9435087777, 9435025208

## শুভেচ্ছা বাণী



প্ৰিয় সম্পাদক,

ছাত্ৰ-ছাত্ৰী সকলৰ লিখনি প্ৰকাশ কৰি তেওঁলোকক সাহিত্য, কলা-কৃষ্টিলৈ উৎসাহিত কৰা এক মাধ্যম হৈছে আলোচনী। খাৰুপেটীয়া মহাবিদ্যালয়ৰ চতুৰ্থ সংখ্যা আলোচনী প্ৰকাশ কৰিবলৈ লোৱাত মই আনন্দিত হৈছো। আমাৰ সমাজৰ বহুতো লেখক লেখিকাৰ আত্ম প্ৰকাশ আলোচনীৰ মাধ্যমেৰেই হয়। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীল ৰচনা ৰাজিৰ সোৱাদ পাঠক সকলে আলোচনীৰ পাততেই পায়। আশাকৰো মহাবিদ্যালয়খনৰ সকলো শিক্ষক-কৰ্মচাৰী ও ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত চিন্তাধাৰা প্ৰকাশ কৰি পবিত্ৰ অনুষ্ঠানটি সুন্দৰ ৰূপ দিয়াৰ এক সবল জনমত গঢ় দিব।

আলোচনীখনে খাৰুপেটীয়াৰ লগতে উত্তৰ পূব দৰঙৰ সাহিত্য-সংস্কৃতিৰ উন্নয়নৰ ধ্বজা বাহক হওঁক তাৰেই কামনাৰে-

(মঃ ইলিয়াছ আলী)
বিধায়ক
৬৮ নং দলগাঁও বিধান সভা সমষ্টি
দিনাংক ৪ মে' ২০০৯ ইং



*Prof. O. K. Medhi*
Vice-Chancellor

☎ : + 91- 361- 2570412 (O)
Fax : + 91- 361- 2700311
email : vc _ gu@yahoo.in
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
Guwahati - 781014
Assam : India

## Message

It gives me immense pleasure to know that the Kharupetia College Students' Union is going to publish its annual magazine (2007-08 session) very soon.

I take the opportunity to convey my best wishes to all concerned for a grand success of their mission and hope the magazine will contribute in augmenting the image of the institute.

**Date : 10.06.2009**

**( Prof. O.K. Medhi )**

# তত্বাৱধায়কৰ এষাৰ



এবৈশ শতিকাৰ এই সন্ধিক্ষনত বিশ্বায়নৰ বতাহে হয়তো কাকো স্পৰ্শ নকৰাকৈ থকা নাই। বিশ্বায়নৰ প্ৰভাৱত চৌদিশে উন্নতিৰ জয়ঢোল বাজিছে যদিও চৰম বস্তুবাদী আৰু ভোগবাদী চিন্তাধাৰাই মানুহৰ নৈতিক চৰিত্ৰৰ স্খলন ঘটাইছে। স্বল্প সময়ৰ ভিতৰত কম কষ্টৰ বিনিময়ত নাইবা কোনো কষ্ট নকৰাকৈ অধিক ধন সম্পদ অৰ্জন কৰাৰ তীব্ৰ বাসনাৰে উদ্বোদ্ধ হৈ চৌদিশে দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ প্ৰতিযোগিতাত লিপ্ত হৈছে অধিকাংশ মানুহেই। আনহাতে সমাজৰ তথাকথিত বিবেকবান, চিন্তাশীল ব্যক্তিসকলেও এনে দুৰ্নীতি, ভ্ৰষ্টাচাৰ দেখিও হয় নিমাত হৈ আছে অথবা তেখেতসকলৰ প্ৰতিবাদী কণ্ঠই সেই দুৰ্নীতিগ্ৰস্ত ভ্ৰষ্টাচাৰী সকলৰ আগ্ৰাসী ৰূপৰ ওচৰত সেও মানিব লগা হৈছে। আনকি সামাজিক ব্যাধিৰ ৰূপ লোৱা এনে দুৰ্নীতি, ভ্ৰষ্টাচাৰ নিবাৰণৰ বাবে থকা চৰকাৰী যন্ত্ৰ আৰু বিধিগত ব্যৱস্থাসমূহো পুতৌলগাকৈ ব্যৰ্থ হৈছে। এনে পৰিস্থিতিত উঠি অহা যুৱ প্ৰজন্মই এক বলিষ্ঠ ভূমিকা লৈ আগ্ৰাসীৰূপ ধাৰণ কৰা দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিক নিৰ্মূল কৰি আমাৰ সমাজ তথা দেশখনক ৰক্ষা কৰাৰ গুৰু দায়িত্ব পালন কৰিব পাৰে।

শিক্ষানুষ্ঠানৰ আলোচনীবোৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে একোটা উপযুক্ত মাধ্যম। আলোচনীবোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে সাহিত্য চৰ্চা কৰিবলৈ উৎসাহ পোৱাৰ লগতে এইবোৰে তেওঁলোকৰ চিন্তা-চৰ্চাৰ পৰিসৰ বৃদ্ধিতো সহায় কৰে। মহাবিদ্যালয়ৰ আলোচনী এখন সম্পাদনা কৰি উলিওৱাটো এটা অতি জটিল কাম। এনে এটি জটিল কামৰ তত্বাৱধান কৰাৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰা হৈছে যদিও সেই গুৰু দায়িত্ব পালন কৰাত কিমান সফল হৈছো সেয়া পঢ়ুৱৈ সমাজেহে বিচাৰ কৰিব পাৰিব। আলোচনী এখনৰ গুণগত দিশৰ প্ৰতি লক্ষ্য ৰাখি সুস্থ ৰুচি সম্পন্ন ৰচনাৰ প্ৰয়োজনীয়তা আছে যদিও আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰা তেনে উন্নত মানৰ লিখনি পোৱাটো টান। একাধিকবাৰ জাননী যোগে লিখনি আহ্বান কৰাৰ পিছতো পৰ্য্যাপ্ত সংখ্যক লিখনি সংগ্ৰহ নোহোৱাত আলোচনীৰ এই সংখ্যাটো যথা সময়ত প্ৰকাশ কৰি উলিওৱটো সম্ভৱ হৈ নুঠিল। অৱশেষত সকলো বিধি-পথালি নেওচি আলোচনীখন প্ৰকাশৰ ব্যৱস্থা কৰা হ'ল যদিও ই এখন ক্ৰটিমুক্ত, সৰ্বাঙ্গসুন্দৰ আলোচনী হৈছে বুলি দাবী কৰাৰ ধৃষ্টতা আমাৰ নাই। সম্পাদনা সমিতিয়ে যৎপৰোনাস্তি চেষ্টা কৰাৰ পিছতো আলোচনীখনত দুই এটা ভুল-ক্ৰটি ৰৈ যোৱাটো স্বাভাৱিক। তৎস্বত্বেও আলোচনীখনৰ এই সংখ্যাটিয়ে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব। শেষত আলোচনীখন প্ৰকাশৰ বাবে সাজু কৰি উলিওৱাত সম্পাদনা সমিতিকে আদি কৰি বিভিন্নজনে আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। সম্পাদনা সমিতিৰ সদস্য-সদস্যা সকল বিশেষকৈ অধ্যাপিকা ড০ আছমান আৰা বেগম, শ্ৰীমতী কনকলতা শইকীয়া, অধ্যাপক নাজিৰ হুছেইন সৰকাৰ, আব্দুল কৰিম, জালালউদ্দিন আহমেদ, শিকদাৰ আনোৱাৰুল ইছলাম আৰু নুৰ জামান চাহাবে আগবঢ়োৱা সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ যাঁচিলো। লগতে বৰদৌলগুৰিৰ পাৰামাউন্ট অফচেটৰ স্বত্বাধিকাৰ প্ৰমুখ্যে সকলো কৰ্মকৰ্তাৰ শলাগ লৈছো।

-আব্দুল আওৱাল
তত্বাৱধায়ক





# সম্পাদকীয়

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে জাতীয় বীৰ ছহিদ আৰু যিসকল প্ৰয়াত ও জীৱিত সদাশয় বক্তিৰ আশা সুধীয়া প্ৰচেষ্টাৰ ফলত এই উচ্চ শিক্ষাৰ পৱিত্ৰ মহান অনুষ্ঠানটিৰ প্ৰতিষ্ঠা হ'ল তেওঁলোকক সহস্ৰ প্ৰণাম যাঁচিছো লগতে স্মৰণ কৰিছো।

'সাহিত্য' তিনিটা আখৰৰ সমাহাৰ। এক মিঠা চুটি শব্দ। কিন্তু ইয়াৰ উদ্দেশ্য, ইয়াৰ অৰ্থ হ'ল খুবেই ব্যাপক। ই হয় কোনো এটা জাতিৰ স্বচ্ছ দাপোন,বাৰেবৰণীয়া সংস্কৃতিৰ এক চিৰস্বাক্ষৰ যাৰ যোগেদি প্ৰকাশ পায় আমাৰ সৃষ্টিশীল মনৰ সৌন্দৰ্যৰ চিত্ৰ, ৰেহ ৰূপ, কল্পনাৰ স্বৰূপ আৰু সমাজৰ পৰিবৰ্ত্তিত মূল্যবোধ। সাহিত্য এখন উৎকৃষ্ট নৈ যাৰ মাজেদি কুলু কুলু সুৰেৰে বৈ যায় বিখ্যাত লোকৰ অম্লান বাণী, মানৱতাৰ জয়গান। তাৰ লগতে আঁকি থৈ যায় নৈতিকতাৰ সুন্দৰ নিদৰ্শন। ইয়ে উদ্ভাষিত কৰে আমাৰ কল্পনাৰ সোণালী ৰং ঘৰ, সপোনৰ আকাঙ্খিত চিত্ৰ আৰু বাস্তৱৰ এক সঁচা প্ৰতিচ্ছৱি। ই হব পাৰে আমাৰ বাবে তেনেই মোহনীয় বা হব পাৰে খুবেই নিৰ্মোহ। হলেও ই হ'ল সাহিত্য। যাক আমি কোনেও উপেক্ষা কৰি চলিব নোৱাৰো।

আৰু আলোচনী ............ ? আলোচনী হ'ল সাহিত্যৰেই এটি উপকৰণ। ইয়াত প্ৰতিফলিত হয় কোনো অনুষ্ঠানৰ প্ৰকৃত স্বৰূপ। য'ত ঠাই পায় বহু প্ৰতিভাবান যুৱক-যুৱতীৰ কল্পনাৰ ৰং। ৰঙীন হৈ প্ৰকাশ পায় তেওঁলোকৰ আৱেগ অনুভূতিৰ স্বৰচিত ৰূপ। প্ৰাণ পায় তেওঁলোকৰ সৃষ্টিশীল মনৰ চিন্তা ভাৱনা। ইয়াৰ যোগেদিয়েই পৰিমাপ কৰিব পৰা যায় তেওঁলোকৰ বৌদ্ধিক বিকাশ, কল্পনাৰ ভিন্নতা আৰু সৃষ্টিশীল ক্ষমতাক। ইয়েই ক্ৰমান্বয়ে গঢ়ি তোলে আমাৰ ভৱিষ্যত সাহিত্যিক প্ৰজন্ম। ইয়াত প্ৰকাশ পায় সংশ্লিষ্ট অনুষ্ঠানৰ বিভিন্ন অভাৱ অভিযোগ আৰু ইয়াৰ লগতে ই লৈ আনে বিভিন্ন সমস্যাৰ বাস্তৱ সমাধান।

এনেবোৰ লক্ষ্য আগত ৰাখিয়েই আমি ব্যৱস্থা কৰিছো এক উৎকৃষ্ট আলোচনী আপোনালোকৰ হাতত তুলি দিবলৈ। এইখিনি কৰিবলৈ যাওঁতে মই যৎপৰোণাস্তি চেষ্টাৰ ক্ৰটি কৰা নাই যদিও সম্পাদনা সমিতিৰ মনপুত নোহোৱা লিখনিবোৰ আৰু আলোচনীৰ বাজেটলৈ লক্ষ্য ৰাখি বহুতো আশাবাদী বন্ধুৰ লিখনি প্ৰকাশ কৰা সম্ভৱ হৈ নুঠিল।

বন্ধু সকল, বৰ্ত্তমান বিশ্বায়নৰ যুগ। সাম্প্ৰতিক কালত অত্যাধুনিক সামগ্ৰীৰ পয়োভৰ হৈছে পৃথিৱীত। কিন্তু একৈশ শতিকাৰ আধুনিক যুগতো আমাৰ পৰিৱেশ চৰম বিভীষিকাময়। চাৰিওফালে মাথো হত্যা, লুণ্ঠন, ৰক্তপাত আৰু বঞ্চিতজনৰ আৰ্তনাদ। এফালে দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ পয়োভৰ, আনফালে মানৱতা, নৈতিকতাৰ ধাৰাবাহিক স্খলন।

সকলোৰে প্ৰাপ্তিৰ সোৱাদ আৰু লোভৰ ৰাগীত মতলীয়া। এনে এক সময়ত আমাৰ ছাত্ৰ সমাজৰ এক বিশেষ কৰণীয় আছে। যাৰ দ্বাৰা সমাজে পাব নতুন ৰূপ, মিথ্যাচাৰৰ ঠাইত আশ্ৰয় পাব সত্যই, হত্যাৰ সলনি আহিব মানৱতা, অন্যায়ৰ স্থানত উপবিষ্ট হব ন্যায়ৰ প্ৰতিমা। হাৰি যাব দুষ্ট স্বাৰ্থান্বেষী দল, উত্থান ঘটিব আমাৰ যুব প্ৰজন্মৰ প্ৰতিবাদী কণ্ঠস্বৰ। আহক আমি আজিৰ পৰাই কৰোঁ এক তেনে অনুশীলন।

তাৰ লগে লগে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক এনে এখন পবিত্ৰ শিক্ষানুষ্ঠানৰ আলোচনী সম্পাদকৰ দৰে গুৰু দায়িত্ব অৰ্পন কৰিলে সেই সকল বন্ধুলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ বিভিন্ন কাম কাজৰ লগত জড়িত থকা বা প্ৰয়োজনীয় পৰামৰ্শৰে উপকৃত কৰা মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ নুৰুল ইছলাম ছাৰ, সম্পাদনা সমিতিৰ সকলো সদস্য তথা তত্বাবধায়ক পূজনীয় আব্দুল আওৱাল ছাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো।

অৱশেষত মোৰ সকলো পূজনীয় শিক্ষাগুৰু ও ছাত্ৰ-ছাত্ৰী সকললৈ অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত নতশিৰে মাৰ্জনা বিচাৰিলো লগতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় সামৰণি মাৰিলো।

মফিদুল ইছলাম
সম্পাদক, আলোচনী বিভাগ



# সূচীপত্ৰ



■■ প্ৰবন্ধৰ শিতান

| | | পৃষ্ঠা |
|---|---|---|
| ■ গ্ৰন্থ অধ্যয়নৰ কিছু কথা | ড০ আছমান আৰা বেগম | ১৭-১৯ |
| ■ আৰবী ভাষা ঃ অতীত আৰু বৰ্তমান | মঃ আনোৱাৰ হুছেইন | ২০-২১ |
| ■ যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসত নাৰীৰ সমস্যা (১৯৮০ চনলৈ) | শ্ৰীমতী কনকলতা শইকীয়া | ২২-২৪ |
| ■ বিচিত্ৰ দাৰ্শনিক | মঃ মোতালেব হক | ২৫-২৬ |
| ■ ইছলাম আৰু সমাজবাদ | মহঃ ইমৰাণ আলি | ২৭ |
| ■ বিলমা ৰুড়লফৰ জীৱনী | মোজাহিদ আলি সৰকাৰ | ২৮ |
| ■ ৰহস্যময় বাৰ্মুদা | মহিবুৰ ৰহমান | ২৯-৩০ |
| ■ বন্ধুৰ প্ৰয়োজনীয়তা | মুস্তাফিজুৰ আহমেদ | ৩১ |
| ■ মহাব্যাধি এইড্‌ছ | মঃ গফুৰ আলি | ৩২-৩৩ |
| ■ ৰেগিং - নিৰ্যাতনৰ অন্য এক নাম | মঃ নাজীমুদ্দিন গাজী | ৩৪ |
| ■ Glimpses into the Science of Yoga | Dr. Parimal Kr. Datta | ৩৫-৩৭ |
| ■ Women Novelists of the 19th Century and the Victorian Era | Md. Abdur Rahim | ৩৮-৪৪ |
| ■■ ফটো পৃষ্ঠা | | ৪৫-৪৮ |
| ■■ গল্পৰ শিতান | | |
| ■ জীৱনৰ বাটত | মঃ ছাহাবুদ্দিন আহমেদ | ৫১-৫৩ |
| ■ অপেক্ষাৰ অন্তত | মঃ ছফিকুৰ ৰহমান | ৫৩-৫৪ |
| ■ জীৱনৰ ধাৰা | মহম্মদ গুলাম আচাদ | ৫৫-৫৬ |
| ■ মৰীচিকা | জালালউদ্দিন আহমেদ | ৫৬-৫৮ |
| ■ প্ৰেমৰ বিনিময় অপেক্ষা | মঃ আবু তালেব | ৫৯ |
| ■ অন্ধকাৰৰ এটি নিশা | মঃ দিলোৱাৰ হুছেইন | ৬০ |
| ■ কীৰ্তনৰ কাহিনীৰ আধাৰত অজামিল উপাখ্যান | শ্ৰীধৰ্ম চন্দ্ৰ বসুমতাৰী | ৬১-৬২ |
| ■ বিজ্ঞানীৰ ৰসাল কথা | আফজল হুছেইন | ৬২-৬৩ |
| ■ একাঙ্কীকা নাটক ঃ বিপন্ন সময় | আবুল হাছেম | ৬৪-৭০ |

কবিতাৰ শিতান


| | | |
|---|---|---|
| প্ৰতীক্ষা | ৰিংকুমণি ডেকা | ৭২ |
| তুমি | মিচ্ চানুৱাৰা বেগম | ৭২ |
| দূৰ স্বৰ্গত | জিয়াউৰ ৰহমান | ৭৩ |
| ওলট-পালট | মঃ ফজলুল কৰিম | ৭৩ |
| প্ৰেমৰ চোলা | মঃ নুৰ হুছেইন | ৭৩ |
| হৃদয়ৰ শব্দ | মঃ মতিউৰ ৰহমান | ৭৪ |
| শোকৰ ছাঁ | মঃ জাহিদুল ইছলাম | ৭৪ |
| এমুঠি কবিতা | মিচ্ আচমিনাৱা বেগম | ৭৫ |
| হেৰাই যাম | আব্দুল মোন্নাফ | ৭৫ |
| আশা | মঃ মইনুল হক | ৭৫ |
| দুৰ্ভগীয়া যাত্ৰী | ছৈয়দ আলী আহমেদ | ৭৬ |
| প্ৰাচীৰ | মিছ মেৰিনা খাতুন | ৭৬ |
| মোৰ অনুভূতিত প্ৰেম | ৰিপন সাহা | ৭৬ |
| প্ৰাণৰ প্ৰেয়সীলৈ | মিছ মমতাজ বেগম | ৭৭ |
| প্ৰিয়জনলৈ নতুন বছৰৰ উপহাৰ | মঃ নজৰুল হক | ৭৭ |
| যি চিঠি আজিও লিখা নহ'ল | আৰজেন আলী মজুমদাৰ | ৭৮ |
| মনৰ শান্তি | মঃ ছাহজাহান আলী | ৭৮ |
| জীৱনৰ বাটত | মিছ খাদিজা ইয়াছমিন | ৭৯ |
| মানুহে মানুহৰ বাবে | মঃ ৰুহুল আমিন | ৭৯ |
| তোমাৰ নাম 'বাপুজী' | সোচনামণিআৰা আহমেদ | ৮০ |
| অনুভৱ | মফিদুল ইছলাম | ৮০ |
| অতীতৰ অসম | দীপশিখা কলিতা | ৮১ |
| তুমি আছা বাবেইতো | মঃ ৰফিকুল ইছলাম | ৮১ |
| I Miss You | Md. Abul Kasem | ৮২ |
| Deina | Mutasim Billah Mahabub | ৮২ |
| সম্পাদকীয় প্ৰতিবেদন | | ৮৩-৯৫ |
| মহাবিদ্যালয় সপ্তাহৰ ফলাফল | | ৯৬-৯৮ |
| মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ তালিকা | | ৯৯-১০০ |
| মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা | | ১০০ |



# প্ৰবন্ধৰ শিতান

# গ্ৰন্থ অধ্যয়নৰ কিছু কথা

ড০আছমান আৰা বেগম
প্ৰবক্তা, অসমীয়া বিভাগ

বিশ্ব সাহিত্যৰ ইতিহাস ফঁহিয়াই চালে দেখা যায় যে সমগ্ৰ বিশ্বৰে সাহিত্য পৰম্পৰাৰ আৰম্ভণিৰ পথ এটাই - সেইটোৱেই হৈছে মৌখিক সাহিত্য। লিপিৰ উদ্ভৱ হোৱাৰ আগলৈকে মানৱ মনত উদ্বেলিত হোৱা ভাৱ অনুভূতিবোৰ, কথা-গীত আদিৰ মাধ্যমেৰেই মুখ বাগৰি বাগৰি এজনৰ পৰা হেজাৰ জনলৈ বিয়পি গৈছিল। গতিশীলতাই জীৱন, স্থবিৰতাই মৰণ। মৌখিক সাহিত্যও সময় নদীৰ কোবাল গতিত স্থবিৰ হৈ নাথাকিল, গতিৰ পৰা গতিশীলতালৈ, যুগৰ পৰা যুগান্তৰলৈ প্ৰবাহমান হ'ল।

মানুহৰ মনত উদয় হোৱা চিন্তা, ভাৱ-অনুভূতিবোৰৰ পাৰ ভাঙিযোৱা আবেদনৰ বাবেই হয়তো অতি কষ্টৰে মানুহে, শিলত, ভূজপত্ৰ, সাঁচিপাত, গছৰ বাকলি আদিত জ্ঞান সঞ্চিত কৰিবলৈ আৰম্ভ কৰিছিল। মানৱ জ্ঞান, অভিজ্ঞতা লিপিবদ্ধ কৰি ৰাখিবলৈ এইবোৰ সঁজুলি নিশ্চয় সুবিধাজনকো নাছিল। ইজিপ্তৰ 'পেপিৰাচ' নামৰ নল জাতীয় গছৰ পৰা কাগজ তৈয়াৰ হোৱাৰ পৰাই লেখন পদ্ধতিৰ নতুন বিপ্লৱ আৰম্ভ হ'ল। এই 'পেপিৰাচ'ৰ পৰাই আহিছে ইংৰাজী 'পেপাৰ' (Paper) শব্দটো।

লিপিৰ উদ্ভাৱন মানৱ সভ্যতাৰ ইতিহাসৰ এক শ্ৰেষ্ঠ দলিল। লিপিৰ উদ্ভাৱনৰ পিছৰ পৰাই সভ্যতাই নতুন ৰূপ ললে। মানুহৰ জীৱন ধাৰাৰ ভিন্ ভিন্ চিত্ৰ লিপিৰ মাধ্যমেৰে আত্মপ্ৰকাশ কৰিলে। লিপি আৰু মুদ্ৰণ মাধ্যমেই গ্ৰন্থ ইতিহাসৰ মাইলৰ খুটি। গ্ৰন্থ মানৱ সভ্যতাৰ শ্ৰেষ্ঠ বাহক।

গ্ৰন্থ বুলি কলে আমি কিতাপ বা পুথি আদিকেই বুজো। দেশ ভেদে গ্ৰন্থৰ সংজ্ঞাটোত ভিন্নতা প্ৰকাশ পাইছে। Oxford Dictionary ত গ্ৰন্থৰ সংজ্ঞা এনেধৰণৰ- " A portable written or printed treatise, filling a number of sheets fastened together" is called a book. UNESCO এ গ্ৰন্থৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে " It should have not less than 49 pages exclusive of covers, written or compiled by one or more authors and that more than 50 identical copies have been printed and put on sale", UNESCO ৰ দ্বাৰা নিৰ্দ্ধাৰিত সংজ্ঞাটোৱেই গ্ৰন্থৰ প্ৰসংগত বিশ্বৰ বেছিভাগ দেশেই মানি লৈছে।

গ্ৰন্থ মুদ্ৰণৰ বাবে আটাইতকৈ প্ৰয়োজনীয় আহিলা হ'ল কাগজ আৰু চিয়াঁহী। বিভিন্ন প্ৰকাৰৰ কাগজ আৰু চিয়াঁহীৰ আৱিস্কাৰক হ'ল চীন দেশ। কাঠৰ সাঁচেৰে কাগজত ছাপ মাৰি প্ৰথম ছপা কামো চীন দেশতেই আৰম্ভ হৈছিল। পৃথিৱীৰ প্ৰথম গ্ৰন্থখন ছপা হৈছিল ৮৬৮ খৃষ্টাব্দত চীন দেশত। 'হীৰক সূত্ৰ' নামৰ বৌদ্ধ ধৰ্মখন চীনা ভাষালৈ অনুবাদ কৰি মুদ্ৰণ কৰা হৈছিল। 'ওৱাং চিয়েহ' আছিল এই গ্ৰন্থখনৰ মুদ্ৰক।

আধুনিক ছপাশালৰ জনক 'জামনীৰ 'জোহান্স গোটেন বাৰ্গ'। গোটেন বাৰ্গে ছপোৱা গ্ৰন্থখনৰ নাম হ'ল 'গোটেনবাৰ্গ বাইবেল'। এই গ্ৰন্থখন ছপোৱাৰ পিছৰ পৰাই বিশ্বত প্ৰণালীবদ্ধ ভাৱে গ্ৰন্থ ছপাৰ পৰম্পৰা আৰম্ভ হ'ল। আধুনিক ছপাশালৰ আৱিস্কাৰে মানৱ সভ্যতা পৰিৱৰ্ত্তনৰ জোৱাৰ তুলিলে। ছপাশালত হেজাৰ বিজাৰ গ্ৰন্থ কম সময় আৰু কম পৰিশ্ৰমতেই ছপা হৈ ওলোৱাৰ ফলত সকলোৰে বাবে গ্ৰন্থ সহজ লভ্য হৈ পৰিল। ছপাশালৰ আৱিস্কাৰৰ আগলৈকে এমুঠিমান মানুহে পঢ়িবলৈ পোৱা গ্ৰন্থ কোটি কোটি মানুহৰ হাতলৈ বিয়পি গ'ল। গ্ৰন্থই মানৱ চিন্তাধাৰাত খলকনি তুলিলে। ভিন্ ভিন্ বিষয়ৰ অধ্যয়নপুষ্ট চিন্তাধাৰা সীমাৰ পৰিধি ভাঙি অসীমলৈ আগুৱান হ'ল।

আজি চহৰে-নগৰে, গাঁৱে-ভূঁয়ে প্ৰতি ঘৰে ঘৰে গ্ৰন্থৰ মহামেলা। গ্ৰন্থ সমগ্ৰ বিশ্বৰ শাসক বুলি কলেও বঢ়াই কোৱা নহয়। দাৰ্শনিক ভল্টেয়াৰেও এই কথাকেই কৈ গৈছে - "বৰ্বৰ জাতিৰ বাহিৰে সমস্ত পৃথিৱীখনক কিতাপেই শাসন কৰিছে। যি সমাজত কিতাপৰ প্ৰচলন

নাই সেই সমাজ থকা নথকা একেই কথা।” সমগ্ৰ বিশ্ববাসী চিৰদিন গ্ৰন্থৰ ওচৰত ঋণী। কাৰণ গ্ৰন্থত যদি মানুহৰ সভ্যতা-সংস্কৃতি, চিন্তাধাৰা আদি লিপিবদ্ধ হৈ নাথাকিলেহেঁতেন, সেই যুগৰ জ্ঞানৰ ভাণ্ডাৰ চিৰকাললৈ হেৰাই গ'লহেঁতেন। গ্ৰন্থ সময়ৰ বুকুত এগচি বন্তি স্বৰূপ। বন্তি নুমাই গলে অন্ধকাৰ হোৱাৰ দৰেই গ্ৰন্থ অবিহনে যে গোটেই বিশ্ব অন্ধকাৰ হৈ পৰিব, সেয়া নিশ্চিত। মাৰ্কিন লেখক EP Whipple ৰ মতে- "Books are the light houses erected on the great shore of time." উইল ডুৰান্ট নামৰ এজন লেখকেও কৈ গৈছে যে পৃথিৱীৰ আটাইতকৈ ডাঙৰ মহাসাগৰ হ'ল চিয়াঁহীৰ মহাসাগৰ। মহাসগৰত যেনেকৈ জাহাজ ঘূৰি ফুৰে, তেনেকৈ চিয়াঁহীৰ মহাসাগৰত ঘূৰি ফুৰে অসংখ্য কিতাপ।

মদ, ভাং, আদি নিচাযুক্ত বস্তুৰ দৰেই গ্ৰন্থও আন এক নিচাযুক্ত বস্তু। নিচাযুক্ত ৰাগিয়াল বস্তুবোৰে মানুহক যেনেকৈ তিল্ তিল্কৈ ক্ষতি কৰি ধ্বংসৰ মুখলৈ আগুৱাই লৈ যায়, গ্ৰন্থৰ প্ৰতি থকা নিচাই কিন্তু সেই ক্ষতিটো নকৰে, কৰে মাথোঁ জ্ঞানৰ ভাণ্ডাৰৰ বিস্তাৰ। অৱশ্যে কোনো কোনো গ্ৰন্থই মানুহৰ জীৱনত যে কু-প্ৰভাৱ পেলায় তাকো নুই কৰিব নোৱাৰি। ৰাগিয়াল বস্তুৰ প্ৰতি আসক্ত হোৱা মানুহে যি দৰে সেই বস্তুবোৰ নহ'লে চলিব নোৱাৰে, কিতাপৰ প্ৰতি আসক্ত হোৱা মনুহেও কিতাপ পঢ়িবলৈ নাপালে একপ্ৰকাৰ বলিয়া হৈ পৰে। কিতাপ সেই সকল লোকৰ অন্য এক সুষম আহাৰ।

গ্ৰন্থ অধ্যয়ন এক কলা। গ্ৰন্থৰ পৃথিৱীত বিচৰণ কৰি এক অনাবিল আনন্দ উপভোগ কৰিব পাৰি। বিখ্যাত দাৰ্শনিক বেকনে গ্ৰন্থ অধ্যয়নৰ মহত্ব সম্পৰ্কে এনেদৰে কৈছে - Reading maketh a full man, conference a ready man and writing an exact man." গ্ৰন্থ অধ্যয়নে মানুহক সংযমী হবলৈ শিকায়, এক শৃংখলিত জীৱনবোধ গঢ়ি তোলে। গ্ৰন্থই মানুহৰ চিন্তাধাৰাক স্বাধীনভাৱে গঢ় দিয়ে। একোখন মহৎ গ্ৰন্থ অধ্যয়নৰ প্ৰভাৱে মানুহৰ জীৱন গতিৰ সুঁতিটোকেই সলনি কৰি দিব পাৰে। মাৰ্টিমাৰ এডলাৰৰ মহৎ গ্ৰন্থ সম্পৰ্কীয় নিবন্ধটিত মাৰ্কটোৱেইনে কৈছিল- “মহৎ” গ্ৰন্থ সেইবোৰেই, যি বোৰ সকলোৱেই পঢ়িবলৈ ইচ্ছা কৰে। এই বাবেই যে সেইবোৰ নপঢ়িলে মানুহৰ শিক্ষা সম্পূৰ্ণ হব নোৱাৰে। কিন্তু পঢ়িবলৈ সাহস নকৰে এই বাবেই যে মহৎ গ্ৰন্থ পঢ়িবলৈ যথেষ্ট চিন্তাৰ প্ৰয়োজন।”

মানুহৰ লগত বন্ধুত্ব কিমান দিনলৈ স্থায়ী হৈ থাকিব, তাক কোনেও কব নোৱাৰে। বন্ধুত্বৰ মাজত প্ৰত্যক্ষ নাইবা পৰোক্ষ ভাৱে হ'লেও স্বাৰ্থ নিহিত হৈ থাকে। কিন্তু কিতাপৰ সৈতে গঢ়ি উঠা বন্ধুত্ব নিস্বাৰ্থ। সেই বন্ধুত্ব পবিত্ৰ, সেই বন্ধুত্ব চিৰযুগমীয়া। গ্ৰন্থৰ সমান প্ৰিয় বন্ধু নাই। সেয়েহে মাৰ্টিন টুপাৰে কৈছে- “কিতাপেই হ'ল মানুহৰ সৰ্বোত্তম বন্ধু। সেই কথা আজিও সত্য, চিৰকালেই সত্য আৰু কৈছে- “এখন ভাল কিতাপ সকলো বন্ধুতকৈ আপোন কাৰণ বন্ধুসকল কেনেবাকৈ গলেও কিতাপখন চিৰকাললৈ থাকে।”

গ্ৰন্থ নিসঙ্গতাৰ লগৰী, জীৱন ৰথৰ অতন্দ্ৰ প্ৰহৰী। মানুহৰ জীৱনত গ্ৰন্থৰ প্ৰভাৱ ইমানেই যে একোখন গ্ৰন্থ অধ্যয়নে মানুহক অবাটৰ পৰা বাটলৈ ঘূৰাই আনিবলৈ সক্ষম হব পাৰে। গ্ৰন্থ অধ্যয়নে মানুহৰ জীৱনত যি গভীৰ ছাপ পেলায় তাৰ ফল্গুধাৰা গোটেই জীৱন জুৰি বৈ থাকে। গ্ৰন্থ অধ্যয়নৰ আৱশ্যকতা সম্পৰ্কে ইংৰাজী সাহিত্যৰ বিখ্যাত কবি টমাছ হুদে কৈছে যে- তেওঁ অধ্যয়ন কৰা কিতাপবোৰেই হ'ল হেনো তেওঁক সদায় জুৰাবিৰ আড্ডা, মদাহীৰ সংগ আৰু নিস্কৰ্মা ব্যক্তিসকলৰ মেলৰ পৰা আঁতৰাই ৰাখে। মানুহৰ সঙ্গতকৈ কিতাপৰ সঙ্গ যে অধিক মহৎ সেই বিষয়ে প্ৰখ্যাত কথাশিল্পী হোমেন বৰগোহাঞিদেৰে এনেদৰে কৈছে- “মই কিতাপৰ লগত কথা পাতো, কাজিয়া কৰো, প্ৰেম কৰো আৰু কিতাপক বেছি সময় দিব লাগে কাৰণেই মই মানুহৰ সঙ্গ এৰাই চলো।” কবি নীলিম কুমাৰেও কিতাপৰ সৈতে গঢ়ি উঠা প্ৰেম আৰু বন্ধুত্বৰ বিষয়ে এনেদৰে কৈছে- “কিতাপ মোৰ হৃদয়লৈ আহিছে, গৈছে, আহিছে গৈছে। মোৰ হৃদয়ৰ আলমাৰিত থকা ঠাক ঠাক নিসঙ্গতা আঁতৰাই সিবোৰে দি গৈছে নিসঙ্গতাৰ নতুন অৰ্থ।”

পৃথিৱীৰ বিখ্যাত ব্যক্তি সকলৰ জীৱন অধ্যয়ন কৰিলেও দেখা যায় গ্ৰন্থই তেওঁলোকৰ জীৱনত কিদৰে গভীৰ ছাপ পেলাইছিল। যুদ্ধক্ষেত্ৰতো ৰজা-মহাৰজাই কিতাপ পঢ়ি যুদ্ধৰ ভাগৰ পলোৱা কাহিনী বুৰঞ্জীয়ে সোঁৱৰাই দিয়ে। বীৰ আলেকজেণ্ডাৰে ৰণক্ষেত্ৰত 'ইলিয়াদ' পঢ়ি মনৰ ভাগৰ দূৰ কৰিছিল। মোগল সম্ৰাট হুমায়ুনেও পাঠাগাৰত অলেখ গ্ৰন্থ ৰাখিছিল আৰু পঢ়িছিল। পাঠাগাৰৰ খট্খটিৰ পৰা পিছলি পৰাটোৱেই আছিল এইজনা গ্ৰন্থপ্ৰেমী মহান সম্ৰাটৰ মৃত্যুৰ কাৰণ। বহুজন মহান ব্যক্তিয়ে কাৰাগাৰৰ বন্ধ কুঠৰিতেই জন্ম দিছিল একোখন মহৎ গ্ৰন্থৰ। কাৰ্ল মাৰ্ক্সেও তেওঁৰ নিৰ্বাসনৰ সময়ত ডান্টে আৰু শ্বেক্সপীয়েৰৰ গ্ৰন্থ পঢ়ি সময়বোৰ পাৰ কৰিছিল।

গ্ৰন্থৰ কথা, গ্ৰন্থ অধ্যয়নৰ কথা এক অন্তহীন ব্যাখ্যা। কিন্তু অধ্যয়নৰ অভ্যাস একেদিনাই গঢ়ি নুঠে বা গঢ়ি তোলাটো বৰ কঠিন। গ্ৰন্থৰ সৈতে বন্ধুত্ব আৰু অভ্যাস গঢ়ি তুলিবলৈ এক দীঘলীয়া সময়ৰ প্ৰয়োজন। অধ্যয়নৰ অভ্যাস আৰম্ভ কৰিব লাগিব ল'ৰালি কালতেই। স্কুলীয়া গ্ৰন্থৰ বাহিৰে কোনোদিনে আন গ্ৰন্থ চুই নোপোৱা ব্যক্তি এজনৰ বাবে বুঢ়া কালত হঠাতে গ্ৰন্থ প্ৰেম জাগি উঠাতো অসম্ভৱ। বিভিন্ন ধৰণৰ বস্তু আমি যেনেকৈ বিনা প্ৰয়োজনত কিনি আনো, তেনেকৈ গ্ৰন্থ কিনাৰ অভ্যাস এটা গঠন কৰি ল'লেও বেয়া নহয়হক। বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰায়ো কৈছে “সকলো কিনিছা কিনা, পৰাপক্ষত এখন ভাল কিতাপ কিনিবলৈ অৱহেলা নকৰিবা।” বিদেশীৰ তুলনাত অসমীয়া মানুহে কিতাপ কমকৈ পঢ়ে। ক'ত জানো পঢ়িবলৈ পাইছিলো অসমীয়া সাহিত্যৰ প্ৰথম জ্ঞানপীঠ বঁটা বিজয়ী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ “মৃত্যুঞ্জয়” নামৰ গ্ৰন্থখনৰ বত্ৰিশশ কপিৰ এঘাৰশ খন বঁটাটো পোৱালৈকে অৰ্থাৎ প্ৰকাশৰ পৰা দহ বছৰলৈ প্ৰকাশকৰ গুদামৰ ৰেকত পৰিয়েই থাকিল বুলি প্ৰকাশক গোষ্ঠী “অসম বুক ডিপো”য়ে ব্যক্ত কৰিছিল। সন্মানীয় জ্ঞানপীঠ বঁটা প্ৰাপ্ত গ্ৰন্থখনৰেই যদি এনে অৱস্থা, আনবোৰ গ্ৰন্থৰ কথা নকলোৱেইবা!

গ্ৰন্থৰ সৰ্বটো প্ৰভাৱৰ বিষয়ে কথা সাহিত্যিক হোমেন বৰগোহাঞিদেৰে কৈছে- “হাজাৰ হাজাৰ বছৰৰ সাধনাৰে মানুহে কিতাপৰ মাজত যি বিশাল জ্ঞান ভাণ্ডাৰ গঢ়ি তুলিছে, সি কল্পতৰুৰ দৰে মানুহৰ প্ৰায় সকলো প্ৰাৰ্থনাই পূৰণ কৰিব পাৰে।” শেষত কবি মিল্টনৰ কথাৰে- “এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন মানুহক হত্যা কৰা একে কথা।”

***

* সকলো বিপদৰ একমাত্ৰ ঔষধ হৈছে ধৈৰ্য।


- প্লেটো

* সত্যৰ কাৰণে সকলো ত্যাগ কৰিব পাৰি, কিন্তু কোনো কাৰণত সত্যক ত্যাগ কৰিব নোৱাৰি।

- স্বামী বিবেকানন্দ

# আৰবী ভাষা ঃ
# অতীত আৰু বৰ্তমান

মঃ আনোৱাৰ হুছেইন
স্নাতক ২য় বৰ্ষ



বৰ্ত্তমান বিশ্বত যিদৰে ইংৰাজী ভাষাই সৰ্বশ্ৰেষ্ঠ ভাষাৰ মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হৈছে, সেইদৰে মধ্যযুগত আৰবী ভাষাইও আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। সেই যুগত এছিয়া, ইউৰোপ, আফ্ৰিকা আৰু ভূমধ্যসাগৰৰ উপকূলীয়া অঞ্চল সমূহৰ বিভিন্ন জাতিৰ মানুহে আৰবী ভাষাক কথিত আৰু লিখিত ভাষাৰূপে ব্যৱহাৰ কৰিছিল। এই লোক সকলৰ বাসস্থান সিন্ধু উপত্যকাৰ পৰা আটলাণ্টিক মহাসাগৰলৈকে বিস্তৃত আছিল। সেই সময়ত আদালত, ধৰ্মানুষ্ঠান, বেহা-বেপাৰ, সাহিত্য, ৰাজনীতি আৰু জ্ঞান বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত আৰবী ভাষাৰ বহুল প্ৰচাৰ হৈছিল।

মধ্যযুগত মুছলমান বিশ্বৰ আইন, বিজ্ঞান, ধৰ্মতত্বৰ উপৰিও ভূগোল, চিকিৎসা শাস্ত্ৰ, অৰ্থনীতি, দৰ্শন, গণিত, জ্যোতিৰ্বিদ্যা, সঙ্গীত, ৰসায়ন বিজ্ঞান আৰু আলোকজ্যোতি বিজ্ঞানৰ ওপৰতো আৰবী ভাষাৰ প্ৰভাৱ পৰিছিল। আধুনিক সভ্যতা, বৈজ্ঞানিক চিন্তাধাৰা আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ পথত আৰবী ভাষাৰ অৱদান অপৰিসীম। এই বিষয়ে বিখ্যাত বুৰঞ্জীবিদ অধ্যাপক R.A.Nicholson য়ে তেওঁৰ বিখ্যাত পুথি "A Literary History of the Arabs" নামৰ গ্ৰন্থত উল্লেখ কৰিছে "During the middle ages, it (Arabic) was spoken and written by all cultivated Moslems of whatever nationality they might be, from the Indus to the Atlantic. It was the language of the court and the church, of law and commerce, of Science, diplomacy and literatures and science." আইন এক বিখ্যাত বুৰঞ্জীবিদ Mr. P.K. Hitti য়ে তেওঁৰ 'History of the Arabs' নামৰ পুথিত উল্লেখ কৰিছে - "For many centuries in the middle ages, it was the language of learning and culture, progressive thought throughout the civilized world. The languages of western Europe still bear the impress of its influence in the form of numerous loan words. Its alphabet, next to Latin is the most widely used system in the world. It is one employed by Persian, Afghan, Urdu and a number of Turkish, Berber and Malayan languags." মধ্যযুগত, সভ্যদেশ সমূহৰ শিক্ষা আৰু সাহিত্য সংস্কৃতিৰ উন্নতিৰ ক্ষেত্ৰত আৰবী ভাষাই চিন্তা শক্তিৰ বাহক স্বৰূপ আছিল। বৰ্ত্তমান



যুগতো বহুত আৰবী শব্দ পশ্চিম ইউৰোপৰ অনেক ভাষাত স্পষ্টভাৱে সোমাই পৰা আৰু ব্যৱহৃত হোৱা দেখা যায়। লেটিন ভাষাৰ পিছতেই আৰবী বৰ্ণমালা ব্যৱহৃত হোৱা ভাষাৰ ভিতৰত পাৰ্চী, আফগান, উৰ্দ্দু, তুৰ্কী বাববাৰ, মালায়ী আদিয়েই প্ৰধান।

খ্ৰীষ্টীয় অষ্টম শতিকাৰ পৰা ষোল্লশ শতিকালৈ আৰবী ভাষাত অসংখ্য পুথি ৰচনা কৰা হৈছিল। সেই অমূল্য পুথি সমূহৰ অধিকাংশই মধ্য এচিয়াৰ আক্ৰমণকাৰী সকল যেনে - চেঙ্গীচ খাঁ, হালকু খাঁ, টাইমুৰ আদিৰ আক্ৰমণত ধ্বংশ হৈছিল। ইয়াৰ উপৰিও বহুত তথ্য জুইত পুৰি, সাগৰত জাহাজ ডুবি, বৰ্ণনাকাৰী সকলৰ হাতত আৰু সংৰক্ষণৰ অভাৱত বিনষ্ট হৈছিল। অৱশ্যে বহুত অমূল্য পুথি দেশৰ বিভিন্ন ঠাইৰ পৰা উদ্ধাৰ কৰিব পৰা গৈছে।

খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা ষষ্ঠদশ শতিকালৈ ইউৰোপৰ পুণৰ জাগৰণৰ সময় বুলি ধৰা হয়। এই জাগৰণ সম্ভৱ হৈছিল, একমাত্ৰ সেই যুগৰ আৰবী সাহিত্য সমূহ গ্ৰীক, লেটিন, ডাট্চ, ফৰাচী আৰু ইংৰাজী ভাষালৈ অনুদিত হোৱাৰ ফলত। অৱশ্যে সেই যুগৰ বহুত সাহিত্য এতিয়াও অপ্ৰকাশিত হৈ আছে। সেইবোৰৰ অধিকাংশই ভাৰত, ইৰাণ, মধ্য এছিয়া, ইৰাক, আৰব, ছিৰিয়া, তুৰস্ক, ইজিপ্ত, উত্তৰ আৰু পূৱ আফ্ৰিকা, টিউনেছিয়া, মৰক্কো, আলজেৰিয়া, স্পেইন, ফ্ৰান্স, ইংলেণ্ড, জামাৰ্নী, হলেণ্ড আৰু ৰাচিয়াৰ ব্যক্তিগত আৰু ৰাজহুৱা পুথি ভঁৰালত ছপা নোহোৱাকৈ আছে।

বৰ্ত্তমান বিশ্বত যিদৰে অন্যান্য ভাষা সমূহে আন্তৰ্জাতিক ভাষাৰ মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হৈছে, সেইদৰে আৰবী ভাষাও সমগ্ৰ বিশ্বত এক বিশেষ স্থান লাভ কৰি আন্তৰ্জাতিক ভাষাৰূপে স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। ইংৰাজী, আৰবী, ফ্ৰান্স, ৰাছিয়ান, চীনা, স্পেনিছ আদি ভাষা সমূহ বৰ্ত্তমান বিশ্বৰ আন্তৰ্জাতিক ভাষা। বৰ্ত্তমান বিশ্বৰ কোটি কোটি মানুহৰ মাতৃভাষা হ'ল- আৰবী আৰু বহুলোকে এই ভাষাৰ মাধ্যমত সাহিত্য তথা জ্ঞান-বিজ্ঞান চৰ্চা কৰি আছে।

আৰব বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰ যেনে- ইয়ামান, ওমান, কাতাৰ, বাহৰাইন, কুৱেইটত কোনো প্ৰতিবন্ধক নোহোৱাকৈ প্ৰাচীন কালৰ পৰাই আৰবী ভাষা সাহিত্যই প্ৰাধান্য লাভ কৰি আহিছে। ইয়াৰ উপৰিও ইৰাক, ছিৰীয়া, লেবানন, জৰ্ডান, ইজিপ্ত, জানজিবাৰ, লিবিয়া, টিউনেচিয়া, আলজেৰিয়া, মৰক্কো, চুডান আদিত আৰবী মাতৃভাষা হিচাপে ব্যৱহাৰ হয়।

খ্ৰীষ্টীয় পঞ্চদশ শতিকালৈ ইউৰোপৰ স্পেইনত আৰবী সাধাৰণ ভষাৰূপে প্ৰচলিত আছিল। উত্তৰ আৰু দক্ষিণ আমেৰিকাত থকা ছিৰিয়ান আৰু লেবাননী সকলেও আৰবী ভাষা ব্যৱহাৰ কৰে। সেইদৰে পশ্চিম আফ্ৰিকাতো আৰবী কথিত ভাষাৰূপে ব্যৱহৃত হোৱা দেখা যায়।


মধ্যপ্ৰাচ্য তথা আৰব দেশত১৯৩২ চনত খাৰুৱা তেল আবিষ্কাৰ হোৱাৰ ফলত বিশ্বৰ উন্নত আৰু উন্নয়নশীল দেশৰ লগত বাণিজ্যিক আৰু কাৰিকৰী ক্ষেত্ৰত ঘণিষ্ঠ যোগসূত্ৰ স্থাপিত হৈছে। তদুপৰি বিভিন্ন দেশৰ লগত কুটনৈতিক সম্পৰ্ক স্থাপনত আৰবী ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

সমগ্ৰ বিশ্বত প্ৰায় অৰ্ধশতাধিক ইছলামিক ৰাষ্ট্ৰৰ উপৰিও অন্যান্য অমুছলিম দেশত বসতি কৰা মুছলমান সকলে ধৰ্মীয় উদ্দেশ্যত কম-বেছি পৰিমাণে আৰবী ভাষা চৰ্চা কৰে। আনকি অমুছলিম ৰাষ্ট্ৰৰ বহুলোকে এই ভাষাৰ প্ৰতি বিভিন্ন কাৰণত গুৰুত্ব প্ৰদান কৰাও দেখা যায়। বিশ্বৰ অন্যান্য ভাষাৰ লগত আৰবী ভাষাৰ সংমিশ্ৰণে ইয়াৰ পৰিসৰ যথেষ্ট বৃদ্ধি কৰিছে। এইদৰে আৰবী ভাষাই প্ৰাচীন কালৰ পৰাই উন্নতিৰ বাটেৰে আগুৱাই বৰ্ত্তমান অৱস্থা পাইছে।

০০০০

# যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসত নাৰীৰ সমস্যা (১৯৮০ চনলৈ)

**শ্ৰীমতী কনক লতা শইকীয়া**
**প্ৰবক্তা, অসমীয়া বিভাগ**



আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসত উপন্যাস সাহিত্যই এটি বিশাল ভূমিকা গ্ৰহণ কৰিছে। মিছনাৰী সকলৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদই' কাকততেই 'জাত্ৰিকৰ জাত্ৰা' নামৰ জন বনিয়নৰ 'পিলগ্ৰিমছ প্ৰগ্ৰেছ' নামৰ ইংৰাজী উপন্যাসৰ অনুবাদৰ মাজেদি অসমীয়া উপন্যাসৰ বীজ অংকুৰিত হৈছিল। খৃষ্টান ধৰ্ম প্ৰচাৰ কৰাৰ মানসেৰে তেওঁলোকে বাংলা সাহিত্যৰ পৰা 'কামিনী কান্ত' (১৮৪৭), 'ফুলমনি আৰু কৰুণা', 'এলোকেশী বেশ্যাৰ কথা' আৰু 'কথৰ কাহিনী' অসমীয়া ভাষালৈ অনুবাদ কৰে। ইয়াৰ পিছত ১৮৮৪ চনত প্ৰাক্ জোনাকী যুগত আনন্দৰাম ঢেকীয়াল ফুকনৰ কন্যা পদ্মাৱতী দেৱী ফুকননীয়ে 'সুধৰ্ম্মাৰ উপাখ্যান' নামৰ উপন্যাস ৰচনা কৰি আধুনিক অসমীয়া উপন্যাস ৰচনাৰ প্ৰস্তুতি পৰ্ব্বত ঐতিহাসিক পদক্ষেপ লৈছিল। এই পুথিখন ৪২ পিঠীয়া আছিল আৰু সজ-অসজ মানুহৰ সুফল-কুফলৰ পৰিণামেই কাহিনীৰ কেন্দ্ৰ বিন্দু। প্ৰকৃত আধুনিক উপন্যাসৰ সমল বিচাৰি নাপালেও এই উপন্যাসখনেই উনৈশ শতিকাত অসমীয়া উপন্যাসৰ বাট মুকলি কৰে। অৱশ্যে ইয়াৰ আঠ বছৰ আগতে (১৮৭৬) হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰং-চং ভিতৰে কোৱা ভাতুৰি' প্ৰকাশ হয় যদিও ই আছিল ব্যঙ্গাত্মক ৰচনাহে। উপন্যাসৰ সমল ইয়াত সমূলি নাছিল। ব্যঙ্গৰ দৃষ্টিৰে অঙ্কন কৰা কিছুমান পৰিস্থিতিৰ ই সমষ্টি মাথোন।

যুদ্ধোত্তৰ যুগৰ পিছৰ পৰা ১৯৮০ চনলৈ প্ৰকাশ পোৱা অসমীয়া মহিলা উপন্যাসিকা সকলে ৰচনা কৰা উপন্যাস সমূহ অধ্যয়ন কৰি দেখা গ'ল যে নাৰীৰ বিভিন্ন সমস্যাবোৰ ফহিয়াই দেখুৱাবলৈ তেওঁলোকে চেষ্টাৰ ত্ৰুটি কৰা নাই। প্ৰত্যেকখন উপন্যাসৰ কাহিনীতে নাৰী চৰিত্ৰ থকাটো স্বাভাৱিক আৰু সেইদৰে কমবেছি পৰিমানে আছেও। নাৰীৰ জীৱন বিভিন্ন ঘাট-প্ৰতিঘাট, সুখ-দুখ, হতাশা-নিৰাশাৰে ভাৰাক্ৰান্ত। এগৰাকী নাৰী হ'ব পাৰে স্নেহময়ী মাতৃ, দয়া, মমতা আৰু কৰুণাৰ প্ৰতিমূৰ্ত্তি তেজস্বিনী আৰু অগ্ৰগামিনীৰ প্ৰতীক।

আধুনিক অসমীয়া উপন্যাস সাহিত্যৰ জন্মলগ্ন উনবিংশ শতাব্দীৰ শেষ দশক যদিও বিংশ শতাব্দীতহে উপন্যাস ৰচনাৰ প্ৰকৃত বাতাবৰণ সৃষ্টি হয় বুলি ধৰিব পাৰি। উপন্যাস সাহিত্য সৃষ্টি হবলৈ যি বাতাবৰণৰ দৰকাৰ সেই বাতাবৰণ অসমত বিংশ শতিকাতহে হয়। তাকো সেই পৰিৱেশ অসমৰ প্ৰান্তীয় ৰাজ্য বংগৰ দৰে হৈ উঠা নাছিল। তৎস্বত্তেও অসমৰ এচাম শিক্ষিত ব্যক্তিয়ে উপন্যাস ৰচনাত হাত দিয়ে। এই চাম শিক্ষিত ব্যক্তিয়ে উচ্চ শিক্ষাৰ জৰিয়তে পাশ্চাত্য সাহিত্যৰ সতে চিনাকি হয় আৰু সেই সাহিত্য অসমলৈ বোৱাই আনে। এইদৰে উপন্যাস সাহিত্য অসমীয়া সাহিত্যত চামিল হয় আৰু সেই তেতিয়াৰে পৰা ইয়াৰ পৰিসৰ ক্ৰমান্বয়ে বহল হৈ আহি বৰ্ত্তমান অৱস্থা পাইছেহি। যুদ্ধোত্তৰ কালৰ অসমীয়া সাহিত্যৰ উপন্যাসৰ সংখ্যা বৰ বেছি নাছিল। আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। স্বাধীনতাৰ বাবে চলা দেশব্যাপি আন্দোলনে সকলোকে চুই গৈছিল কাৰণে সাহিত্যলৈ বৰ বেছি মনকাণ দিয়া নাছিল। স্বাধীনতাৰ পাছতহে দেশলৈ সুস্থিৰ পৰিৱেশ এটা আহে আৰু সাহিত্যৰ দিশেও সাহিত্যিক সকল ধাবিত হয়।

যুদ্ধোত্তৰ যুগৰ পিছৰ পৰা ১৯৮০ চনলৈ প্ৰকাশ হোৱা অসমীয়া উপন্যাসৰ সংখ্যা প্ৰায় ২২০ (দুশ বিশখন) আৰু এই দুশখন গ্ৰন্থৰ ৰচয়িতাৰ সংখ্যা আমাৰ হিচাবত ৬৪ জন। ইয়াৰ মাজতে কোনোবা যদি ৰৈ গৈছে তেন্তে সেয়া আমাৰ অজ্ঞতাবশতঃ। ৰচক সকলৰ ভিতৰত ৫০ (পঞ্চাশ) জন পুৰুষ উপন্যাসিকৰ বিপৰীতে ১৪ (চৈধ্য) গৰাকী নাৰী উপন্যাসিকা পোৱা গৈছে।

অসমীয়া উপন্যাসৰ পটভূমি সাধাৰণতে অসমৰ গাওঁ-ভূঁই, নদ-নদী, পাহাৰ-ভৈয়াম, চহৰ-নগৰকে কেন্দ্ৰ কৰি গঢ়ি উঠিছে বুলি কব পাৰি। কাহিনীৰ পটভূমি যিহেতু অসমৰ, গতিকে ইয়াৰ চৰিত্ৰ, পৰিৱেশ আচাৰ-বিচাৰ, নীতি-নিয়ম, উৎসৱ-পাৰ্বণকে আদি কৰি সকলো অসমৰ বুকুত সাতুৰি-নাদুৰি থকা চৰিত্ৰহে। উপন্যাসৰ কাহিনীত পুৰুষ চৰিত্ৰৰ সমানে নাৰী চৰিত্ৰ সমূহো আগুৱাই নিয়া হৈছে যদিও নাৰী চৰিত্ৰই পুৰুষৰ সমানে প্ৰাধান্য লাভ কৰা পৰিলক্ষিত নহয়। নাৰী সকল বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ কোনোমতে আগুৱাই গৈছে। তেওঁলোকৰ সমস্যালৈ সাধাৰণতে পুৰুষ চৰিত্ৰই কোনো গুৰুত্বই দিয়া দেখা নাযায়। অৱশ্যে কৰ'বাত দুই এটা নাৰী চৰিত্ৰক উজ্জ্বল ৰূপত উপন্যাসিকে দেখুৱাবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। নাৰীৰ সমস্যা বহুত আৰু সমস্যা চাই সমাধানৰ কোনো বাট দিয়া দেখা নাযায়। তথাপিও সেই সমস্যাৰ মাজতে প্ৰত্যেক গৰাকী নাৰী চৰিত্ৰই সংসাৰৰ সকলো দায়িত্ব পালন কৰি যাবলৈ চেষ্টা কৰিছে। তেওঁলোকৰ মনত ব্যক্তিগত সমস্যাতকৈ সংসাৰৰ, সমাজৰ সুখ-শান্তি সদায় আগত। অসমীয়া উপন্যাস সাহিত্যত কেইগৰাকীমান বলিষ্ঠ লেখক হ'ল- বিৰিঞ্চি কুমাৰ বৰুৱা, দীননাথ শৰ্মা, মহম্মদ পিয়াৰ, হিতেশ ডেকা, চৈয়দ আব্দুল মালিক, যোগেশ দাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, চন্দ্ৰ প্ৰসাদ শইকীয়া, পদ্ম বৰকটকী, হোমেন বৰগোহাঞি, ড০ লক্ষ্মীনন্দন বৰা, মামনী ৰয়চম গোস্বামী, কুমাৰ কিশোৰ, নিৰুপমা বৰগোহাঞি আদি কেইগৰাকীমান বিশিষ্ট উপন্যাসিকৰ উপন্যাসত নাৰী চৰিত্ৰই প্ৰধান ভূমিকা লোৱা দেখা যায়। লেখকসকলে সহজ-সৰলভাৱে কাহিনী বৰ্ণনা কৰিছে। অসমীয়া সমাজত পাৰিবাৰিক জীৱনৰ সুখ-দুখ, আশা-আকাঙ্খা, হা-হুমুনিয়াহ আৰু সামাজিক ধ্যান-ধাৰণাই উপন্যাস কেইখনৰ মূল উপজীব্য। বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ দৈনন্দিন জীৱনৰ বিবিধ চিত্ৰৰ দ্বাৰা এই উপন্যাস সমৃদ্ধ। মহিলাসকলৰ সমস্যাক জীৱন্ত ৰূপত ৰূপায়িত কৰিবলৈ কেইগৰাকীমান লেখকে বিশেষকৈ শ্ৰীমতী নিৰুপমা বৰগোহাঞি, দীননাথ তামুলী, হিতেশ ডেকা, মালিকে যৎপৰোনাস্তি চেষ্টা কৰিছে।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' এখন বলিষ্ঠ উপন্যাস। ইয়াক অসমৰ গাঁৱলীয়া সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ এখন জ্বলন্ত চিত্ৰ বুলি কব পাৰি। কাহিনীটোত কেইবাটাও চৰিত্ৰ উপন্যাসিকে অঙ্কন কৰিছে যদিও গাঁৱলীয়া সহজ-সৰল মনৰ গাভৰু তগৰৰ চৰিত্ৰই পাঠকক কিছুসময়ৰ বাবে হলেও স্তব্ধ কৰিছে। সময়ৰ সোঁতত তগৰৰ ধৰণীৰ সতে বিয়া হলেও প্ৰেমৰ চিহ্ন হিচাবে কমলাকান্তই তাইক পিন্ধাই দিয়া সোণৰ আঙুঠিৰ স্মৃতিয়ে তগৰক হেজাৰ দুখৰ মাজতো উন্মনা কৰি ৰখা দেখা যায়। বৰুৱাদেৱৰ 'জীৱনৰ বাটত' এখন উৎকৃষ্ট অনুপম উপন্যাস তাত সন্দেহ নাই।

স্বাধীনতাৰ পাছত উপন্যাস সাহিত্যত পোন প্ৰথমে হাত দিয়া মহম্মদ পিয়াৰৰ কাহিনীত নায়িকা সকল দুখ-বেদনাৰে ভাৰাক্ৰান্ত আৰু বিভিন্ন সমস্যাৰে জৰ্জ্জৰিত। আব্দুল মালিকৰ উপন্যাসৰ বেছিখিনি কাহিনী প্ৰেমজনিত। এই প্ৰেম গঢ়ি উঠিছে গাঁৰৰ পৰিৱেশত। ৰোমান্টিক ভাৱ কল্পনা, কাব্যগন্ধী ভাষা আৰু মানৱতাবোধ তেওঁৰ উপন্যাসৰ প্ৰাধান্য।

যুদ্ধোত্তৰ উপন্যাসৰ এগৰাকী নহয় দুগৰাকীকৈ নাৰীবাদী লেখিকাৰ আবিৰ্ভাৱ হয়- তেওঁলোক হ'ল নাৰীবাদী চিন্তা আৰু কৰ্মৰ নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু দ্বিতীয় গৰাকী অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ কন্যা স্নেহলতা দেৱী। শইকীয়ানী বাইদেউৰ 'পিতৃভিঠা' এতিয়া পাবলৈ নাই বুলিলেই হয়। স্নেহলতা দেৱীৰ 'বেমেজালি' আৰু 'বীনা'। তিনিওখন পাৰিবাৰিক সংঘাটৰ কাহিনীৰে

সমৃদ্ধ। 'পিতৃভিঠা' উপন্যাসৰ প্ৰধান চৰিত্ৰত আছে মন্দৰ চমুৱাৰ সন্তান মাধৱী। তাই পিতৃভেটিটো ৰক্ষা কৰিবলৈ প্ৰকৃত প্ৰেম ত্যাগ কৰি যিজনৰ ওচৰত পিতাকৰ সম্পত্তি ঋণদায়ত আৱদ্ধ আছিল তেওঁৰ পুত্ৰ মাধৱৰ লগত বিয়াত বহিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে কিজানি পিতৃভেটি ৰক্ষা পৰেই। 'বেমেজালি'ত দৈনন্দিন জীৱনৰ সৰু-সুৰা খুটি-নাটি কাহিনীৰে ৰচিত। কিন্তু 'বীণা'ত বাল্য বিবাহৰ সমস্যাক কেন্দ্ৰ কৰি কাহিনী আগবাঢ়িছে। বীণা অকালতে বিধৱা হোৱা এজনী ছোৱালী। তাইক উদাৰ দেউতাকে কলিকতাৰ ব্ৰাহ্মণ বালিকা বিদ্যালয়ত নাম লগাই দিয়ে যাতে তাই পৰনিৰ্ভৰশীল নহৈ নিজৰ ভৰিৰ ওপৰত থিয় দিয়ে। তাতেই বীণাই প্ৰকাশক লগ পায় আৰু বিবেকৰ দ্বাৰা পৰিচালিত হৈ প্ৰকাশৰ লগত মিলন হয়।

নাৰীৰ মৰ্যদা, নাৰী জাগৰণ আৰু স্বাধিকাৰ প্ৰতিষ্ঠাৰ প্ৰচেষ্টাৰে নিৰুপমা বৰগোহাঞিয়ে ভালেকেইখন উপন্যাস ৰচনা কৰে। তেওঁৰ ৰচনাত নাৰী মুক্তি, শিক্ষা আৰু প্ৰগতিশীল ধ্যান-ধাৰণা পোৱা যায়। বৰগোহাঞি বাইদেৱে নিসঙ্কোচভাৱে নিজৰ বাস্তৱ অভিজ্ঞতাক কেন্দ্ৰ কৰি কাহিনী আগবঢ়ায়। ইয়াত উদাহৰণ স্বৰূপে তেওঁৰ দ্বাৰা ৰচিত 'অভিযাত্ৰী' এখন সাৰ্থক আৰু অতি বাস্তৱ কাহিনীৰে সমৃদ্ধ। ইয়াত কমলৰ চৰিত্ৰটোৰে নাৰীৰ ঈৰ্ষাপৰায়ণ চৰিত্ৰটোৰ বিপৰীত ৰূপ লৈছে। স্বামী দণ্ডীৰ অতীত কাহিনী জানিও কমলে চন্দ্ৰপ্ৰভাক সহায়ৰ হাত আগবঢ়াবলৈ পাৰ্যমানে সহযোগ কৰিছে। তেওঁ এগৰাকী শক্তিশালী নাৰী লেখিকা। নাৰীৰ মনৰ জগতক নাৰীৰ দৃষ্টিৰে চাবলৈ তেওঁ প্ৰয়াস কৰে। বৰগোহাঞিৰ পাছতে আন এগৰাকী বলিষ্ঠ আৰু দক্ষ উপন্যাসিকা হ'ল মামনী ৰয়চম গোস্বামী। তেওঁ বহু উপন্যাস ৰচনা কৰিছে যদিও 'নীলকণ্ঠী ব্ৰজ' আৰু 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' 'অহিৰণ' আদিয়ে হ'ল তেওঁৰ অনবদ্য সৃষ্টি। ব্ৰজধামৰ পটভূমিত ৰচিত কাহিনীটো তিনিগৰাকী ৰাধেশ্যামক কেন্দ্ৰ কৰি ৰচনা কৰিছে। মানসিক অন্তৰ্দ্বন্দ্বত তিনিওটা চৰিত্ৰই দিকভ্ৰান্ত হৈ অৱশেষত ব্ৰজধামত আশ্ৰয় লৈছে। কিন্তু তাতো শান্তি নাপালে। সংঘাটপূৰ্ণ জীৱনৰ এক জ্বলন্ত চিত্ৰ ফুটাই তুলিবলৈ লেখিকা সক্ষম হৈছে।

নাৰীৰ সমস্যা, নাৰীৰ প্ৰতি সমাজৰ অবিচাৰ, সামাজিক গোড়ামি, নাৰীৰ আইনগত সুবিধা-অসুবিধা, নিষ্ঠুৰতা. অধিকাৰ আদি সামৰি এক জীৱনমুখী গণতান্ত্ৰিক মূল্যবোধক পুৰুষৰ মাজত সজাগ কৰিব পাৰিলেহে নাৰীসকলৰ সমস্যা সমাধানত সুফল পাব। অৱশ্যে আজিকালিৰ নাৰী আগৰ চামতকৈ বহু ক্ষেত্ৰত মুক্ত আৰু সমস্যাও কম। নাৰী সকল শিক্ষিত হৈ পুৰুষৰ সমানে আগুৱাবলৈ যত্ন কৰিছে আৰু সজাগ হৈছে। এইক্ষেত্ৰত শিক্ষিত পিতৃ-মাতৃ, পৰিয়াল, সমাজ আৰু স্বামীয়েও প্ৰেৰণা দিয়া দেখা যায়। তথাপিও সুবিধা পালেই কিন্তু পুৰুষে নাৰীক ভাবুকি প্ৰদান কৰিবলৈ নাপাহৰে।

নাৰী সৃষ্টি আৰু শক্তিৰ আধাৰ। একোগৰাকী নাৰী মাতৃ, পত্নী, ভগ্নী আৰু প্ৰেমিকাৰ ৰূপত নিজৰ স্বাৰ্থ ত্যাগ কৰি জীৱনটো তেওঁলোকৰ কাৰণে অৰ্পণ কৰে। নাৰীক মৰ্যদা দিয়া মানেই দেশৰ উন্নতি। বিশ্ববিখ্যাত নেপোলিয়নে কোৱা কথা এষাৰেৰে সামৰিছো- "মোক এগৰাকী ভাল মাতৃ দিয়া, তোমালোকক ইয়াৰ বিনিময়ত মই ভাল দেশ এখন প্ৰদান কৰিম।"

***

* জাৱৰ সাৰিলে যিদৰে ঠাইডোখৰ পৰিস্কাৰ হয়, সেইদৰে ভুল স্বীকাৰ কৰিলে আগতকৈয়ো অন্তৰ শুদ্ধ হয়।

- মহাত্মা গান্ধী



# বিচিত্ৰ দাৰ্শনিক

মঃ মোতালেব হক
স্নাতক ১ম বৰ্ষ



মানৱ ইতিহাসত সত্যৰ কাৰণে যে প্ৰথম শ্বহীদ হোৱা ব্যক্তি গ্ৰীক দাৰ্শনিক ছক্ৰেটিছ এই কথটো হয়তো কোনো শিক্ষিত মানুহেই নজনা নহয়। আঢ়ৈ হাজাৰ বছৰ আগতে ছক্ৰেটিছে কোৱা কথবোৰ আজিও প্ৰাসঙ্গিক আৰু সাধাৰণ মানুহৰ জীৱনত প্ৰযোজ্য হৈ আছে। ছক্ৰেটিছক ঘাইকৈ অমৰ কৰি ৰাখিছে তেওঁৰ মৃত্যুৱে। প্ৰাণী মাত্ৰেই মৰণশীল। প্ৰাণী হৈ জন্মিলে মৃত্যু হবই আৰু - এইটো প্ৰকৃতিয়ে নিজ ইচ্ছাৰে পালন কৰি যোৱা এটা কলা। কিন্তু ছক্ৰেটিছৰ নিচিনাকৈ ইমান মহৎ আৰু সুন্দৰ ভাৱে প্ৰকৃতিৰ এই কলাক গ্ৰহণ কৰাৰ উদাহৰণ ইতিহাসত অদ্বিতীয়। মানুহৰ মৃত্যুভয় জয় কৰাৰ এটা প্ৰধান উপায় হ'ল ছক্ৰেটিছৰ মৃত্যু দৃশ্যৰ বৰ্ণনা মনত পেলাই থকা। অৱশ্যে ইয়াত ছক্ৰেটিছৰ মৃত্যু দৃশ্যৰ বৰ্ণনা লিখিবলৈ লোৱা হোৱা নাই। ছক্ৰেটিছে সমগ্ৰ জীৱন ধৰি বহুত মূল্যবান কথা কৈছিল, প্ৰশ্ন সুধিছিল আৰু প্ৰশ্ন সুধিবলৈ শিকাইছিল। এই সকলোবোৰ কথা এই প্ৰৱন্ধত লিখিবলৈ লোৱা হোৱা নাই। ছক্ৰেটিছৰ জীৱনৰ যিবোৰ কথা শিকি আৰু নিজৰ জীৱনত প্ৰয়োগ কৰি উপকাৰ পাব পৰা যায় তেনেকুৱা কথাহে ইয়াত ৰোমন্থন কৰা হৈছে।

এদিন ছক্ৰেটিছে কেইজনমান বন্ধুক লগত লৈ বজাৰলৈ গৈছিল। বজাৰৰ দোকান পোহাৰবোৰ বিচিত্ৰ মনোমোহা বস্তুৰে পৰিপূৰ্ণ হৈ আছিল। বস্তুবোৰ এফালৰ পৰা চাইগৈ থাকোতে তেওঁৰ মুখত কৌতুহলৰ হাঁহি বিৰিঙিবলৈ ধৰিলে। তেওঁৰ মুখলৈ চাই বন্ধু এজনে সুধিলে - "আপুনি কিবা এটা কথাত বৰ ৰস পোৱাযেন পাইছো। মনে মনে আপুনি কি ভাবি আছে?" ছক্ৰেটিছে মিচিকিয়া হাঁহিৰে উত্তৰত কলে- "বজাৰৰ এই মনোমোহা মনোহৰী বস্তুবোৰ দেখি মাত্ৰ এটা কথাই মোৰ মনলৈ আহিছে যে এই গোটেই বস্তুবোৰ নোহোৱাকৈ মোৰ জীৱনটো কিমান সুন্দৰকৈ চলি আছে আৰু ভৱিষ্যতেও চলি থাকিব। বস্তুবোৰে মোক কেৱল এই কথাটো মনত পেলাই দিছে যে মই মোৰ জীৱনত এই বস্তুবোৰৰ কোনো প্ৰয়োজন অনুভৱ নকৰো। মই বিশ্বাসৰ দেৱতা সকলৰ আটাইতকৈ প্ৰিয় কাৰণ মোৰ অভাৱ আৰু প্ৰয়োজন আটাইতকৈ কম।

ছক্ৰেটিছে বেছি ভাগ সময়তেই এথেন্সৰ সাধাৰণ নাগৰিক সকলৰ নিন্দা, ব্যঙ্গ আৰু বিদ্ৰুপৰ পাত্ৰ হৈছিল। সকলো দুৰ্ব্যৱহাৰ তেওঁ নিৰৱে সহ্য কৰিছিল। কিন্তু এদিন এটা সীমা চেৰাই যোৱা ঘটনা ঘটিল। এজন মানুহে এদিন ছক্ৰেটিছক ভৰিৰে গুৰিয়াই গুৰিয়াই মাটিত বগৰাই দিলে। এই ঘটনা ছক্ৰেটিছে নিৰৱে সহ্য কৰি থাকিলে। দৃশ্যটো দেখি থকা এজন মানুহে তেওঁক সুধিলে, - "বিনা প্ৰতিবাদে এইবোৰ উৎপাত তুমি কেনেকৈ সহ্য কৰি থাকা?" উত্তৰত ছক্ৰেটিছে কলে -

"এটা গাধই মোক গুৰিয়ালে বুলি গাধৰ বিৰুদ্ধে আইন নিজৰ হাতত তুলি লব লাগিবনে?"

ছক্রেটিছৰ বন্ধু আলচিবিয়াডিছ আছিল এজন সেনাপতি। এবাৰ যুদ্ধ ক্ষেত্ৰত ছক্রেটিছে তেওঁৰ প্ৰাণ ৰক্ষা কৰিছিল। সেই সূত্ৰে আলচিবিয়াডিছে এডোখৰ মাটি দান কৰি তাত এটা ঘৰ সাজিবলৈ অনুৰোধ কৰিছিল।

আলচিবিয়াডিছৰ এই উপহাৰ প্ৰত্যাখ্যান কৰি ছক্রেটিছে কলে- "ধৰি লোৱা মোৰ এযোৰ জোতাৰ দৰকাৰ হৈছে; কিন্তু মাত্ৰ এযোৰ জোতা তৈয়াৰ কৰিবলৈ তুমি মোক এটা গৰুৰ সম্পূৰ্ণ ছালেই দান দিলা। মই ছালখন গ্ৰহণ কৰিলে কেনেকুৱা হাঁহি উঠা কথা হ'ব। তোমাৰ মাটি ডোখৰ গ্ৰহণ কৰিলেও তেনেকুৱা অদ্ভুত কথাই নহ'বনে?"

সকলো পিতৃ-মাতৃয়েই নিজৰ সন্তান সকলক ডাঙৰ হৈ জ্ঞানী, মানী, ধনী আৰু সুখী হোৱাটো বিচাৰে। কিন্তু সন্তানক বাট দেখুৱাবলৈ সকলো পিতৃ মাতৃৰে যোগ্যতা নাথাকে। এথেন্সৰ ডেকা গাভৰু সকলক ভুল পথেৰে পৰিচালনা কৰাৰ মিছা অভিযোগত ছক্রেটিছক মৃত্যুদণ্ড দিয়াহৈছিল। সেই সময়ত এথেন্সৰ প্ৰচলিত নিয়ম অনুযায়ী মৃত্যুদণ্ড কাৰ্য্যকৰী হ'বলৈ দণ্ডিত ব্যক্তিগৰাকীক 'হেমলক' নামৰ কালান্তক বিষ এবিধ খাবলৈ দিয়া হৈছিল। বিষপান কৰাৰ আগতে ছক্রেটিছে বিচাৰক মণ্ডলীৰ ওচৰত নিজৰ শেষ ইচ্ছা ব্যক্ত কৰি কৈছিল- "বন্ধুসকল, আপোনালোকৰ ওচৰত মোৰ এটা শেষ অনুৰোধ আছে। মোৰ পুত্ৰ কেইজন যদি চৰিত্ৰ সাধনাতকৈ ধন সম্পত্তিক বেছি প্ৰাধান্য দিয়ে বা নিজে একো নাজানি বহুত কথা জনা বুলি দেখুৱাই ফুৰে তেন্তে আপোনালোকে যেন সিহঁতক কঠোৰ শাস্তি দিয়ে।"

যিবোৰ মানুহে জ্ঞানাৰ্জন লৈ পিঠি দি কেৱল ধন সোণ উপাৰ্জন কৰাটোকেই জীৱনৰ মুখ্য উদ্দেশ্য কৰি লৈছিল তেওঁলোকক উদ্দেশ্য কৰি ছক্রেটিছে কৈছিল - "বন্ধুসকল তোমালোক ধন সোণ গোটাবলৈ যিমান সময় খৰচ কৰা তাৰ এশভাগৰ এভাগ সময় খৰচ নকৰা নিজকে সুশিক্ষা দিবৰ কাৰণে অথচ তোমালোকৰ ধন সম্পত্তিবোৰতো সিহঁতলৈ এৰি থৈ যাব লাগিব। সুশিক্ষা নোপোৱা তোমালোকৰ সন্তান সকলে তাৰ সদ্ব্যৱহাৰ কৰিব কেনেকৈ?"

এথেন্সৰ ডেকা গাভৰু সকলৰ স্বভাৱ চৰিত্ৰ কলুষিত কৰাৰ অভিযোগত ছক্রেটিছক মৃত্যুদণ্ড দিয়া হৈছিল। সেই অভিযোগৰ উত্তৰত ছক্রেটিছে বিচাৰক মণ্ডলিক উদ্দেশ্যি কৈছিল - "মই এথেন্সৰ ডেকা বুঢ়া সকলোকে উদ্দেশ্য কৰি সকলো সময়ত মাত্ৰ এটা কথাই কৈ থাকো, "তোমালোকে শৰীৰতকৈ আত্মাৰ মঙ্গলৰ কথা বেছিকৈ চিন্তা কৰা; ধন সোণৰ পিছে পিছে ধপলিয়াই ফুৰাতকৈ জ্ঞানৰ পিছে পিছে বেছিকৈ ঢপলিয়াবা। মই তোমালোকক কব খোজো যে, ধন-সোনে তোমালোকৰ নৈতিক উৎকৰ্ষ দিব নোৱাৰে; বৰং নৈতিক উৎকৰ্ষই হ'ল আচল ঐশ্বৰ্য্য। এইটোৱেই হ'ল মই মানুহক দিব খোজা শিক্ষা। মোৰ এই শিক্ষাই যদি এথেন্সৰ ডেকা-গাভৰু সকলৰ স্বভাৱ চৰিত্ৰ কলুষিত কৰিছে তেন্তে মোৰ কোনো সন্দেহ নাই যে মই এজন দুষ্ট প্ৰকৃতিৰ মানুহ।"

০০০০

* প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আৱিস্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু।

\- ছাৰ জগদীশ চন্দ্ৰ বসু



# ইছলাম আৰু সমাজবাদ

মহঃ ইমৰাণ আলি
প্ৰবক্তা, আৰবী বিভাগ

'ইছলাম' আৰবী শব্দ। ইয়াৰ অৰ্থ আনুগত্য, আত্ম সমৰ্পন আৰু বাধ্যতা। ধৰ্ম হিচাপে আল্লাহৰ প্ৰতি পুৰাপূৰিভাৱে আনুগত্য আৰু বাধ্যতা স্বীকাৰ কৰাকে ইছলাম শব্দই অৰ্থ সূচায়। লগতে ইছলামৰ আন এটা অৰ্থ হ'ল শান্তি। মহান আল্লাহৰ সমীপত আত্মসমৰ্পণ আৰু বাধ্যতা স্বীকাৰ কৰিলেহে মানসিক আৰু শাৰিৰীক ভাৱে আনন্দ লাভ কৰিব পাৰি।

ইছলামে ১৪শ বছৰ আগতেই সামাজিক সুবিচাৰ আৰু ন্যায় নীতি মানৱ জাতিৰ বাবে লৈ আহিছিল। মানৱ প্ৰকৃতিৰ লগত এই নীতি সামঞ্জস্যপূৰ্ণ; যিহেতু ই প্ৰত্যেক মানুহক শান্তি, নিৰাপত্তা, প্ৰেম আৰু ভাতৃত্বৰ বান্ধোনেৰে জীয়াই থাকিবলৈ সুবিধা দিয়ে। ইছলাম ধৰ্মত সামাজিক সুবিচাৰ হৈছে এটা বিধিগত, নৈতিক, ধৰ্মীয়, সামাজিক আৰু অৰ্থনৈতিক দৰ্শন। পবিত্ৰ কোৰআনত এই সামাজিক সুবিচাৰৰ ভিত্তি স্থাপিত হৈছে যাতে প্ৰত্যেক মানুহে সমান সুবিধা আৰু ন্যায়প্ৰাপ্ত হ'ব পাৰে। সমাজবাদ একেবাৰে কটকটীয়া বিধান নহয়, কিছু পৰিমাণে শিথিলো আৰু ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য হৈছে সমাজৰ পৰা দৰিদ্ৰতা দূৰীকৰণ। সমাজৰ এটা বিশেষ শ্ৰেণীৰ হাতত সম্পদ জমা হৈ থকাটো এই নীতিয়ে পোষকতা নকৰে আৰু জনসাধাৰণৰ মাজত প্ৰচলিত অন্যায় অবিচাৰৰ অৱসান ঘটাব বিচাৰে। সেই হেতুকে ইছলাম ধৰ্মত সামাজিক সুবিচাৰৰ লগতে চহকী লোকসকলৰ ওপৰত জাকাৎ, ফিৎৰা তথা দানৰ জৰিয়তে ন্যায়, স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধ নিশ্চিত কৰাৰ বাধ্যতামূলক নিয়ম প্ৰতিষ্ঠা কৰা হৈছে।

এই লক্ষ্যত উপনীত হ'বৰ বাবে ইছলাম ধৰ্মই বলপ্ৰয়োগ, সন্ত্ৰাস আৰু ভাবুকিৰ আশ্ৰয় নলয়। ইয়াৰ নীতি হৈছে মানুহক এই কথাৰ প্ৰতি পতিয়ন নিওৱা যে ইয়াৰ দ্বাৰা মানুহৰ ইহজগতত শান্তি আৰু পৰকালত চিৰস্থায়ী কল্যাণ লাভ কৰিব পাৰি। ইছলামৰ নীতি বস্তুতান্ত্ৰিক নহয় অৰ্থাৎ একমাত্ৰ বস্তুৱেই ইয়াৰ চূড়ান্ত লক্ষ্য নহয়। ই ব্যক্তিসত্তাক স্বীকৃতি আৰু গুৰুত্ব দিয়ে আৰু তেওঁৰ বিশ্বাস, কৰ্মচিন্তা আৰু প্ৰকাশৰ স্বাধীনতা প্ৰদান কৰে।

মানুহৰ আত্মাৰ উৎকৰ্ষ সাধনৰ বাবেহে ইছলামৰ নীতি প্ৰতিষ্ঠিত হয়। ই মানুহৰ আৱেগ অনুভূতিক কেতিয়াও আঘাত নকৰে নাইবা মানুহৰ মাজত সংগ্ৰাম আৰু সংঘাতক উৎসাহিত নকৰে। সমাজৰ এটা অংশৰ বিনাশ হওঁক, আন এটা অংশ বৰ্তি থাকক আৰু কিছুমান ব্যক্তিৰ জীৱনৰ বিনিময়ত সমাজবাদ প্ৰতিষ্ঠা হওঁক- এই নীতি ইছলামে পোষকতা নকৰে। পৰকালত মুক্তি লাভ তথা পৰস্পৰৰ মাজত প্ৰেম ও ভাতৃত্বৰ নীতি জগাই তোলাহে ইছলামৰ মূল লক্ষ্য। পবিত্ৰ কোৰআনত আল্লাহে ঘোষণা কৰিছে "বিশ্বাসী সকল ভাই ভাই"। বিশ্ব নবী হজৰত মহম্মদে (ছঃ) কৈছে যে "এজন মানুহ কেতিয়াও প্ৰকৃত বিশ্বাসী হ'ব নোৱাৰে যেতিয়ালৈকে তেওঁ নিজে ভালপোৱা বস্তুটো অন্যৰ বাবেও ভাল বুলি গণ্য নকৰে"।

ইয়াৰ উপৰিও প্ৰাৰ্থনা সমূহো সাম্যবাদৰ প্ৰতীক স্বৰূপ- কাৰণ ইয়াৰ দ্বাৰা ধনী-দুখীয়া, উচ্চ-নীচ, ৰজা-প্ৰজা, ক'লা-বগা, শিক্ষিত-নিৰক্ষৰ, সকলো একে শাৰীত থিয়হৈ আল্লাহৰ ওচৰত নত হোৱা যায়। ফলস্বৰূপে মানুহৰ ব্যক্তিগত আৰু সমূহীয়া ভাৱে লাভ কৰিব লগা সকলো সজ গুণাৱলীৰ উৎকৰ্ষ সাধন হয়।

৪৪৪৪৪

# ৰিলমা ৰুড্‌লফৰ জীৱনী

মোজাহিদ আলি সৰকাৰ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

ৰিলমা ৰুড্‌লফ্ টেনেচিৰ এটা দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। চাৰি বছৰ বয়সত তেওঁ প্ৰচণ্ড নিউমোনিয়াৰ লগতে এক মাৰাত্মক ৰোগত আক্ৰান্ত হয়। যাৰ ফলত তেওঁৰ পলিঅ' হয়। তেওঁ পেং লৈ ইফাল সিফাল কৰিবলৈ ললে। চিকিৎসকৰ মতে তেওঁ কাহানিও মাটিত ভৰি থৈ থিয় হ'ব নোৱাৰিব। কিন্তু মাকে তেওঁক অত্যন্ত উৎসাহ যোগাই থাকিল। মাকে ৰিলমানক কৈছিল যে ঈশ্বৰ প্ৰদত্ত যোগ্যতাখিনিৰ লগতে অধ্যাৱসায় আৰু আত্ম-বিশ্বাসেৰে তেওঁ যি ইচ্ছা তাকে কৰিব পাৰিব। ৰিলমাই কয় - "মই বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দৌৰ বীৰাঙ্গনা হব খোজো।" তেওঁ ন বছৰ বয়সত চিকিৎসকৰ বাধা নেওঁচি পেং কেইডাল গুচালে আৰু চিকিৎসকৰ মতে সম্ভৱপৰ নোহোৱা তেওঁৰ প্ৰথম খোজটো দিলে। তেৰ বছৰ বয়সত তেওঁ প্ৰথম দৌৰ প্ৰতিযোগিতাত যোগদান কৰিলে আৰু প্ৰতিযোগী সকলৰ মাজত একেবাৰে শেষৰ গৰাকী হ'ল। এনেদৰে তেওঁ দৌৰ প্ৰতিযোগিতাত যোগদান কৰি থাকিল। এটা সময়ত তেওঁ দৌৰত প্ৰথম হ'ল।

পোন্ধৰ বছৰ বয়সত তেওঁ টেনেচি ষ্টেট বিশ্ব বিদ্যালয়ত ভৰ্ত্তি হয় আৰু তাতেই তেওঁ এড্ টেম্পল নামৰ এগৰাকী প্ৰশিক্ষকক লগ পালে। তেওঁ প্ৰশিক্ষক গৰাকীক কলে, "মই শ্ৰেষ্ঠ দৌৰ বীৰঙ্গানা হব খোজো।" এড্ টেম্পলে কলে, "তোমাৰ যি উদ্যম, কোনেও তোমাক বাধা দিব নোৱাৰে। তদুপৰি তোমাক মই সহায় কৰিম।"

এটা দিন আহিল যেতিয়া তেওঁ অলিম্পিকত যোগদান কৰিলে যত তেওঁ বিশ্বৰ শ্ৰেষ্ঠ দৌৰবিদ সকলৰ বিৰুদ্ধে দৌৰিব লগা হ'ল। ৰিলমাৰ সহ-প্ৰতিযোগী আছিল জুটা হেইন নামৰ এগৰাকী মহিলা যাৰ কোনো দিনেই পৰাজয় হোৱা নাছিল। প্ৰথম দৌৰটো আছিল ১০০ মিটাৰৰ দৌৰ। ৰিলমাই জুটা হেইনক পৰাজিত কৰি জীৱনৰ প্ৰথমটো স্বৰ্ণ পদক গ্ৰহণ কৰিলে। দ্বিতীয় দৌৰ আছিল ২০০ মিটাৰৰ দৌৰ। ৰিলমাই পুনৰ জুটা হেইনক পৰাজিত কৰি দ্বিতীয়টো স্বৰ্ণ পদক লাভ কৰিলে। তৃতীয় দৌৰটো আছিল ৪০০ মিটাৰৰ দৌৰ আৰু ৰিলে দৌৰ, এইবাৰো তেওঁৰ প্ৰতিযোগী আছিল জুটা হেইন। ৰিলে দৌৰত আটাইতকৈ বেগী প্ৰতিযোগী গৰাকীক শেষৰ ৰিলেত নিয়োগ কৰা হয়। প্ৰথম তিনিগৰাকী প্ৰতিযোগীয়ে সহজতেই লাঠিডাল ইহাতৰ পৰা সিহাতলৈ বগৰাই দৌৰ সম্পন্ন কৰিলে। যেতিয়া ৰিলমাৰ পাল পৰিল, তেওঁ লাঠিডাল হাতৰ পৰা পেলালে। ৰিলমাই দেখিলে আন মুৰৰ পৰা জুটা হেইনে জোৰেৰে আহি আছে। ৰিলমাই লাঠিডাল তুলি ললে আৰু যন্ত্ৰৰ দৰে দৌৱা আৰম্ভ কৰিলে আৰু তৃতীয়বাৰৰ বাবে জুটা হেইনক পৰাজিত কৰি তৃতীয়টো স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হ'ল। ৰিলমাই খেল জগতত ইতিহাস ৰচনা কৰিলে। এগৰাকী পঙ্গু নাৰীয়ে ১৯৬০ চনত অলিম্পিকত বিশ্বৰ শ্ৰেষ্ঠা দৌৰ বীৰঙ্গনা হ'ল।

*****

* মূৰ্খৰ মনৰ কথা তাৰ জিভাৰ আগত থাকে। জ্ঞানীৰ মনৰ কথা হৃদয়ত লুকাই থাকে।

- বেঞ্জামিন ফ্ৰেংকলিন




# ৰহস্যময় বাৰ্মুদা

(বিজ্ঞানে য'ত হাৰ মানিব খোজে)

মহিবুৰ ৰহমান
প্ৰবক্তা, (অংশকালীন) ভূগোল বিভাগ

পৃথিৱীৰ ৰহস্যজনিত তথ্য সমূহৰ ভিতৰত সকলোৰে বিদিত 'বাৰ্মুদা' ত্ৰিভূজৰ ৰহস্য অন্যতম আশ্চৰ্য্যৰ শীৰ্ষস্থানত। এই ত্ৰিভূজৰ অন্তৰ্নিহিত ৰহস্য বৰ্ত্তমানেও বৈজ্ঞানিক সকলে সঠিকভাৱে কব পৰা নাই।

বামুৰ্দা ত্ৰিভূজ হৈছে আটলাণ্টিক মহাসাগৰৰ পশ্চিম দিশত অৱস্থিত তিনিটা দ্বীপৰ সমষ্টি। দ্বীপ কেইটা হৈছে বাৰ্মুদা (৩২° ২০´ উঃ অক্ষাংশ আৰু ৬৪° ৪৫´ পঃ দ্ৰাঃ) ফ্ল'ৰিডা (২৮°০০´ উঃ অঃ আৰু ৮২°০০´ পঃদ্ৰাঃ) দ্বীপৰ দক্ষিণ উপকূল আৰু পৰতৰিক দ্বীপ (১৮°১৫´উঃ অঃ আৰু ৬৬°৩০´ পঃ দ্ৰাঃ)। এই ত্ৰিভূজটো ১১,৪০,০০০ বৰ্গ কিলোমিটাৰৰ এক বৃহৎ অঞ্চল আৱৰি আছে।




১৫ শতিকাৰ শেষ ভাগত খ্ৰীষ্টফাৰ কলম্বাছৰ সমুদ্ৰ যাত্ৰাৰ কাহিনীত এই ৰহস্যময় সাগৰীয় অঞ্চলটিৰ কথা পোৱা যায়। বুৰঞ্জীৰ পাত লুটিয়াই চালে দেখা যায় যে ১৯ শতিকাৰ মধ্যভাগত বহুতো জাহাজ এই ৰহস্যময় ত্ৰিভূজটোৰ ভিতৰত অদৃশ্য হৈ ধ্বংস হৈছিল। ১৯৪০-৬৫ চনৰ ভিতৰত প্ৰায় ১৫ খন সমুদ্ৰ জাহাজ আৰু আকাশীজাহাজ এই ত্ৰিভূজটিৰ অন্তৰ্ভাগত অন্তৰ্ধান হয়। ইয়াৰ ভিতৰত ইউ.এচ. ফ্লাইট ১৯, এই জাহাজ খনত ১৪ জন যাত্ৰী আছিল আৰু ইয়াক নৌ বাহিনীৰ প্ৰশিক্ষণৰ বাবে ব্যৱহাৰ কৰা হৈছিল। অকল পানী জাহাজেই নহয় বহুতো আকাশী জাহাজো এই ত্ৰিভূজৰ ওপৰৰে গৈ থাকোতে মাজতেই ধ্বংসপ্ৰাপ্ত হৈছিল। উদাহৰণ স্বৰূপে ১৯৪৮ চনত ধ্বংসহোৱা ডি.চি.-৩ ৰ কথা উল্লেখ কৰিব পাৰি। এই বিমানখনত

২৭ জন যাত্ৰী আছিল। ইতিমধ্যে ধ্বংস প্ৰাপ্ত হোৱা সাগৰীয় জাহাজৰ ভিতৰত টেংকাৰ চিপ, মেৰাইন চালফা কুইন (১৯৬৩), স্ক'ৰপিয়ন (১৯৬৮) আদিয়েই প্ৰধান।

**ব্যতিক্ৰমি কাণ্ড ঃ**

- অন্তৰ্দ্ধান হোৱা জাহাজবোৰ এই সমতলত প্ৰৱেশ কৰাৰ পিছত কম্পাছ যন্ত্ৰ নিষ্ক্ৰিয় হৈ পৰে।

- উপকুল অঞ্চলত থকা ৰাডাৰ যন্ত্ৰই ৰঙা সংকেত দি নিষ্ক্ৰিয় হৈ যায়।

- কেতিয়াবা কেতিয়াবা অদ্ভুত ধৰণৰ শব্দও শুনা যায়।

- মাটি আৰু দ্বীপৰ পৰা শ শ মাইল দূৰত অৱস্থিত এই জলাশয়ত কেতিয়াবা কেতিয়াবা কিছুমান বৃক্ষ ভাহি ফুৰাও দেখা যায়।

- সাগৰ বিজ্ঞানী সকলে বাৰ্মুদাৰ তলি নিৰীক্ষণ কৰি কোনো ধৰণৰ জাহাজৰ ভগ্নাংশ বিচাৰি পোৱা নাই।

- গভীৰতাও বহুত নহয় (৫/৬ কিলোমিটাৰ গড়ে।)

বছৰৰ বেছি ভাগ সময় নিস্তব্ধ হৈয়ে থাকে।

**বিভিন্ন জনৰ মতামত (মতবাদ) ঃ**

এই ত্ৰিভূজৰ অন্তৰালত থকা ৰহস্যৰ বিষয়ে বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে মতামত আগবঢ়াই আহিছে। দুই এজনৰ মতে এই ৰহস্যৰে ভৰা ঘটনা পৰিঘটনা বিলাক প্ৰাকৃতিক শক্তিৰ ক্ৰিয়াৰ ফলত সৃষ্টি হৈছে। কিছুমানে মত পোষণ কৰে যে এই অঞ্চলৰ সাগৰীয় পানীত অত্যাধিক পৰিমাণৰ ৰাসায়নিক পদাৰ্থ মিলিত হৈ আছে। আকৌ দুই এজনে এই অঞ্চলত বাহিৰা জগতৰ জীৱৰ অৱস্থিতিৰ কথা উল্লেখ কৰে। কিছুমানে সাগৰ তলিত চুম্বকীয় ফলকৰ অৱস্থিতিৰ কথা বিশ্বাস কৰে।

**উপসংহাৰ ঃ**

বিগত শতিকাবোৰত এই ৰহস্যময় ত্ৰিভূজৰ ৰহস্য ভেদ কৰাৰ বাবে বহুতো পৰীক্ষা নিৰীক্ষা চলি আছে যদিও কোনো সঠিক তথ্য উলিয়াব পৰা নাই। সেই বাবেই এই অঞ্চলটিক মৃত্যুৰ ত্ৰিভূজ (Triangle of Death) বুলি কয়।

১৯৭৪ চনত আৰ্টফড নামৰ সাংবাদিক এজনে এই ত্ৰিভূজৰ ৰহস্য সম্পৰ্কে সাংঘাটিক তথ্য এটি প্ৰকাশ কৰিছিল। তেওঁৰ মতে এই অঞ্চলত কিছুমান বৰ্হিজগতৰ (Aliens) বা অন্যগ্ৰহৰ জীৱৰ অৱস্থিতিয়েই সকলো পৰিঘটনাৰ মূল। তেওঁৰ এই তথ্যৰ মূল ভেটি আছিল ১৯৪৫ চনতেই ধ্বংস হোৱা ফ্লাইড ১৯ ধ্বংস প্ৰাপ্ত হোৱাৰ আগে আগে এই জাহাজ খনৰ পৰা অনুসন্ধান কক্ষলৈ এটি বাৰ্ত্তা (Message) আহিছিল। জাহাজখনৰ যাত্ৰী লেফটেনেণ্ট চাৰ্লচ টেইলৰে তেওঁৰ বাৰ্তাত কৈছিল "আমাক অনুসৰণ কৰি বিচাৰি নাহিবা অথবা চেষ্টাও নকৰিবা, সিহঁতবোৰ অতি ভয়ানক, সিহতবোৰক বিদেশী যেন লাগে।" এই বাৰ্তাত কোৱা 'সিহঁত' শব্দটিয়ে সকলোৰে মনত প্ৰশ্ন জগাই তুলিছিল। অতি আচৰিত কথা এইটো যে জাহাজখনৰ ধ্বংসাৱশেষত এটা কুকুৰ জীৱিত অৱস্থাত পোৱা গৈছিল, যাৰ নাম আছিল ৰুবিকন (Rubicon)। তেওঁৰ মতে সেই বহিৰ্জগতৰ জীৱবোৰৰ প্ৰধান শত্ৰু মানুহেই নেকি বাৰু? ইমানবোৰ মানুহ জাহাজত নিঃশেষ হৈ যোৱাৰ পিছত এটি সামান্য কুকুৰ কেনেকৈ জীয়াই থাকিব পাৰে। গতিকে সেইবোৰ মানুহৰ শত্ৰু, বাহিৰা জগতৰ জীৱ (Aliens)।

ইয়াৰ উপৰিও এইটো জনা যায় যে, বৰ্ত্তমানস্থিত বাৰ্মুদা ত্ৰিভূজটি একালৰ এখন চহৰ আছিল। এই চহৰখনৰ বাসিন্দা সকল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দিশত বহু আগবঢ়া আছিল। কিন্তু প্ৰাকৃতিক দূৰ্যোগৰ ফলত এই চহৰখন আটলাণ্টিক মহাসাগৰৰ গভীৰ পানীত ডুবযায়। বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ দিশত সকলোতকৈ আগবঢ়া সিই চহৰখনৰ বাসিন্দা সকলেই বৰ্ত্তমান ৰহস্যজনিত ঘটনা সমূহৰ মূল নায়ক বুলিও বহুতে ভাৱে।

বৰ্ত্তমান সময়ত সকলো দিশতে উন্নতিৰ জখলাত আগবঢ়া পৃথিৱীবাসীৰ কাৰণে এই ৰহস্যজনিত ত্ৰিভূজৰ ঘটনাসমূহ এক ডাঙৰ প্ৰাত্যাহ্বান। পৃথিৱীবাসীৰ সীমিত জ্ঞানৰ বাহিৰত ত্ৰিভূজৰ ৰহস্য বিলাক ৰহস্য হৈয়েই ৰ'ব নেকি?

০০০০



# বন্ধুৰ প্ৰয়োজনীয়তা

**মুস্তাফিজুৰ আহমেদ**
**স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)**



"বন্ধু" এনে এটি সুমধুৰ শব্দ যিটোৰ উচ্চাৰণত অনুভূত হয় এক অনাবিল শিহৰণ। ইয়াৰ মাজত সোমাই থাকে মৰম, ভালপোৱা, বিশ্বাস, আন্তৰিকতা, ত্যাগ আৰু একাত্মবোধ। সঁচাকৈয়ে বিশ্বাসী আৰু অন্তৰংগ বন্ধু থাকিলে জীৱনটোক বুজিবলৈ, উপলব্ধি কৰিবলৈ জীৱনৰ সৌন্দৰ্য উপভোগ কৰিবলৈ বৰ সহজ। কিন্তু যাৰ অন্তৰংগ বন্ধু নাই তেওঁৰ জীৱন মৰু সদৃশ।

এজন বন্ধু বা বান্ধৱী একেলগে ফুৰাচকা, খোৱা-বোৱা, হাঁহি-ধেমালি কৰি থাকিলেই বন্ধুত্ব গঢ়া বুলি কব নোৱাৰি। দুজনৰ মাজত প্ৰায়বিলাক ক্ষেত্ৰত মিল থাকিলেও তেওঁলোকৰ মনৰ গোপন কক্ষত অনুভূতিৰ সাদৃশ্য নাথাকিবও পাৰে। যি বন্ধুত্বৰ মাজত স্বৰ্গীয় প্ৰেম, বিশ্বাস, আন্তৰিকতাৰ দৰে মিঠা অনুভূতি সমূহৰ অভাৱ, য'ত কেৱল স্বাৰ্থপৰতা বিৰাজমান, পাৰস্পৰিক বুজাপৰাৰ অভাৱ তেনে বন্ধুত্ব এদিন সময়ৰ সোঁতত নদীৰ গৰা খহাদি খহি যাব। কিন্তু প্ৰকৃত বন্ধুৰ মাজত থকা অকৃত্ৰিম স্নেহ, আদৰ, আনুগত্যৰ মনোভাৱে জীৱন সুন্দৰ কৰি তোলে। বৰ্ত্তমান যান্ত্ৰিক যুগত যিজনে প্ৰকৃত বন্ধু বিচাৰি পাইছে তেওঁতকৈ সৌভাগ্যৱান ব্যক্তি যেন এই পৃথিৱীত আন কোনো নাই। বন্ধু হ'ল সেইজন, যিজনৰ ওচৰত মুক্তমনে প্ৰকাশ কৰা হয় হৃদয়ৰ অন্তঃকৰণত সাঁচিৰখা আশা-আকাঙ্খা, সুখ-দুখৰ কথা। এজন প্ৰকৃত বন্ধুৰ সৰলতা, উদাৰ মনোভাৱে জীৱনৰ গতি, প্ৰেম, সংঘাতক জয় কৰাৰ সাহস আৰু বিমল সহানুভূতি যোগায়।

বন্ধুত্ব গঢ়াৰ দুটা গুণ হৈছে বুজাবুজি আৰু ত্যাগ। এই দুয়োটা গুণ থাকিলে বন্ধুত্বৰ এনাজৰীডাল চিৰদিনৰ বাবে অটুত ৰাখিব পাৰি। বন্ধুৰ অবিহনে জীৱনৰ সৌন্দৰ্য উপভোগ কৰা কষ্টকৰ হৈ পৰে। বন্ধুত্বৰ প্ৰয়োজনীয়তা অনুভূত হয় হৃদয়ৰ নিভৃত কোণৰ পৰা। সেয়েহে বন্ধুত্ব বজাই ৰাখিবলৈ লাগে দৃঢ় মনোভাৱ আৰু একাত্মবোধ। বন্ধুত্বই জীৱন ৰঙীণ আৰু জীপাল কৰি তোলে। মনত নতুন উদ্যম যোগায় আৰু জীয়াই থকাৰ প্ৰেৰণা দিয়ে। সেই কাৰণে আমাৰ জীৱনত প্ৰকৃত বন্ধুৰ বৰ প্ৰয়োজন।

***

# মহাব্যাধি এইড্ছ

মঃ গফুৰ আলি
স্নাতক প্ৰথম বৰ্ষ (কলা)

সম্প্ৰতি এইড্ছক বিশ্বত এক মহাব্যাধি ৰূপে চিহ্নিত কৰা হৈছে। বিশ্বৰ প্ৰত্যেক দেশে এইড্ছৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে ইয়াৰ বিশ্বজোৰা সংক্ৰমণ ৰোধ কৰিবলৈ সংকল্পবদ্ধ হৈ পৰিছে। ১৯৮৮ চনৰ পৰা প্ৰতি বছৰে ডিচেম্বৰ মাহৰ ১লা তাৰিখত সমগ্ৰ বিশ্বই এইড্ছ দিৱস হিচাপে পালন কৰি আহিছে। ৰাষ্ট্ৰীয় এইড্ছ নিয়ন্ত্ৰণ সংস্থাটোৱে (NACO- National AIDS control organisation) সম্প্ৰতি ভাৰতবৰ্ষত এক বিস্তৃত আঁচনি যুগুতাই দুটা লক্ষ্য নিৰ্দ্ধাৰিণ কৰি দিছে। প্ৰথমটো ভাৰতবৰ্ষত এইড্ছ প্ৰতিৰোধ আৰু দ্বিতীয়টো নিয়ন্ত্ৰণ কৰা। অসমতো এই উদ্দেশ্যে আঁচনি প্ৰস্তুত কৰা অনুষ্ঠানটো হৈছে অসম ৰাজ্যিক এইড্ছ নিয়ন্ত্ৰণ সমিতি(Assam State AIDS Control Society)।

<u>এইড্ছ (AIDS) ৰ আৰম্ভণি ঃ</u>

এইড্ছ নামৰ এই ঘাতকৰূপী ৰোগটো সৌ সিদিনা (১৯৮১ চনৰ জুন মাহত) হে মাত্ৰ আমেৰিকাত ধৰা পৰে। আমেৰিকাৰ ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰ (Centre for Control of Diseases) টোৱে ইলজ এভেলচৰ দেখাত স্বাস্থ্যবান যেন লগা সমকামী যুৱক এজনৰ গাত পোন প্ৰথম বাৰৰ বাবে এই ৰোগৰ লক্ষণ চিনাক্ত কৰে। তাৰ পিছত বিজ্ঞানীসকলে বিভিন্ন ধৰণৰ পৰীক্ষা নিৰীক্ষাৰ বাবে পোক পৰুৱাকে ধৰি পশুপক্ষী, জীৱজন্তুক লক্ষ্য কৰি লয় যদিও মানৱ দেহৰ বাহিৰে আন কোনো জীৱৰ গাতে এই ৰোগ ধৰা নপৰে। কাল ক্ৰমত এই ৰোগে গোটেই বিশ্বজুৰি মহাব্যাধি ৰূপত ছানি ধৰে।

<u>এইড্ছ (AIDS) আৰু ইয়াৰ প্ৰতিকাৰ ঃ</u>

এইড্ছ (AIDS) ৰোগ বিধে সমগ্ৰ বিশ্বত আজি এটা ডাঙৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। এইড্ছ (AIDS)ৰ সম্পূৰ্ণ ৰূপ হৈছে Acquired Immuno Deficiency Syndrome. সমগ্ৰ বিশ্বকে ভীতিগ্ৰস্থ কৰি তোলা এইৰোগৰ দ্বাৰা আক্ৰান্ত হৈছে প্ৰায় ৩৬ নিযুত মানুহ।

এইড্ছ (AIDS) ৰোগ এইচ. আই. ভি. (Human Immuno Virus) নামৰ এবিধ ভাইৰাছৰ দ্বাৰা হয়। এই এইচ আই ভি নামৰ ভাইৰাচ বিধ বহুদিন আগতে আফ্ৰিকাৰ এবিধ বান্দৰৰ দেহত দেখা পোৱা গৈছিল। কালক্ৰমত এই ৰোগ মানুহৰ দেহত প্ৰৱেশ কৰে।

এজন মানুহৰ এইড্ছ হ'বলৈ হ'লে প্ৰথমে মানুহজন এইচ. আই. ভি. নামৰ এবিধ ভাইৰাচৰ দ্বাৰা আক্ৰান্ত হ'ব লাগিব। এইচ. আই. ভি. শৰীৰত প্ৰৱেশ কৰা মাত্ৰেই এইডচ ৰোগ নহয়। ই শৰীৰত প্ৰৱেশ কৰাৰ পৰা প্ৰায় ১২ সপ্তাহ অৰ্থাৎ তিনি মাহ পাছত লাহে লাহে এইড্ছ ৰোগলৈ পৰিবৰ্ত্তন হয়। এইড্ছলৈ পৰিবৰ্ত্তন হোৱাৰ পিছত মানুহজনৰ যি কোনো ৰোগ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা সম্পূৰ্ণ ৰূপে ধ্বংস কৰি পেলায়। এইছ অই ভি নামৰ ভাইৰাচবিধে মানুহৰ দেহত ৰোগ প্ৰতিৰোধ কৰিব পৰা প্ৰাকৃতিক ব্যৱস্থাটোক সমূলি নষ্ট কৰি দিয়ে। এইড্ছ হোৱা মানে শৰীৰৰ ৰোগ প্ৰতিৰোধকাৰী ক্ষমতা লোপ পোৱা। এই বিধ অৰ্জিত ৰোগ। এই ৰোগ নিজৰ আচৰণ বা অজ্ঞতাৰ বাবে হোৱা ৰোগ। এইচ আই ভি ভাইৰাচটো কিছুমান বিশেষ ব্যৱহাৰিক আচৰণৰ দ্বাৰা এজনৰ পৰা আনজনলৈ বিয়পিব পাৰে। এইচ.আই. ভি. ভাইৰাচৰ দ্বাৰা আক্ৰান্ত এজন লোকৰ শৰীৰৰ পৰা যৌন ৰস বা অন্য ধৰণৰ ৰস পোনপটীয়া ভাৱে আন এজন মানুহৰ শৰীৰত প্ৰৱেশ



কৰিলে তেওঁ এইচ আই ভিৰ দ্বাৰা আক্ৰান্ত হয়।

এইচ আই ভি বীজানুৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ লগত অসুৰক্ষিত যৌন সম্পৰ্কৰ দ্বাৰা এইড্ছ ৰোগ হ'ব পাৰে।

এইচ আই ভি আক্ৰান্ত ব্যক্তিৰ পৰা বা এইচ আই ভি দূষিত তেজ বা তেজৰ অন্য উপাদান গ্ৰহণ কৰিলেও এই ৰোগ বিয়পিব পাৰে।

এইচ আই ভি বীজানুযুক্ত বেজীৰ দ্বাৰা বহুজনে শিৰাত নিচাযুক্ত দ্ৰব্য লোৱাৰ বাবেও এই ৰোগ বিয়পিব পাৰে। এইড্ছ ৰোগত আক্ৰান্ত গৰ্ভৱতী মাতৃৰ পৰা জন্মৰ আগত, জন্মৰ সময়ত বা জন্মৰ পিছত সন্তানৰ গালৈ এই ৰোগ বিয়পিব পাৰে।

এইড্চ ৰোগৰ কিছুমান লক্ষণ আছে। সেই লক্ষণবোৰ চাই আমি সাধাৰণতে এইড্চ ৰোগ হোৱা বুলি ধাৰণা কৰিব পাৰো।

<u>ইয়াৰ মূল লক্ষণ সমূহ হ'ল ঃ</u>

* অস্বাভাৱিক ভাৱে শৰীৰৰ ওজন কমি যোৱা (১০ শতাংশ বা তাতোধিক)।

* এমাহতকৈ অধিক সময় মাজে মাজে বা সদায় জ্বৰ হৈ থকা।

* নেৰা নেপেৰাকৈ এমাহতকৈ অধিক সময় পনীয়া শৌচ (গ্ৰহণী) হোৱা।

<u>ইয়াৰ গৌণ লক্ষণ সমূহ ঃ</u>

* শৰীৰৰ গ্ৰন্থিবোৰ ফুলি উঠা, ৰাতি ঘামি থকা আৰু গাঠি বিষ হোৱা।

* মুখত বা খাদ্যনলীত ঘাঁ হোৱা, এমাহতকৈ অধিক কাহ হৈ থকা।

* শৰীৰত অত্যাধিক খজুৱতি আৰু আন ছালৰ ৰোগে দেখা দিয়া।

* এইড্চ ৰোগ সোঁচৰা বেমাৰ নহয়। সেয়েহে আমি সন্দেহ কৰা কিছুমান কাৰণৰ দ্বাৰা এই ৰোগ নিবিয়পে বা সংক্ৰামিত নহয়। সেইবোৰ হ'ল - (ক) হাঁচি-কাহ, কথা-বতৰাৰ পৰা এইড্ছ ৰোগ নিবিয়পে (খ) এইড্ছ ৰোগীৰ লগত কৰমৰ্ডন (হেণ্ডচেক) কৰিলে, ৰুগীৰ লগত একে লগে আহাৰ গ্ৰহণ কৰিলে বা ভগাই খালে, একেলগে খেলাধূলা কৰিলে, একে শৌচাগাৰ বা পুখুৰী ব্যৱহাৰ কৰিলে ৰোগীয়ে ব্যৱহাৰ কৰা কাপোৰ কানি বা এখন স্কুল বা কলেজত এখন বেঞ্চত বহিলে এইড্ছ ৰোগ নিবিয়পে।

চিকিৎসা বিজ্ঞানী সকলে নিতৌ নতুন নতুন ঔষধ উদ্ভাৱন কৰি মানৱ জাতিক বিভিন্ন ৰোগৰ পৰা মুক্ত কৰাৰ প্ৰচেষ্টা চলাই সফল হ'ব পাৰিছে যদিও এইড্ছ সম্পূৰ্ণৰূপে নিৰাময়ৰ ক্ষেত্ৰত চিকিৎসক সকল এতিয়াও সফল হ'ব পৰা নাই। মাত্ৰ মানুহজনক ১৫/২০ বছৰ জীয়াই থাকিব পৰাকৈ কিছু সংখ্যক ঔষধ যোগান ধৰিব পাৰিছে।

এইড্ছৰ প্ৰতিৰোধেই একমাত্ৰ চিকিৎসা।

(ক) বহুগামিতা বা অচিনাকী যৌন সংগীৰ পৰা আতৰত থকা।

(খ) বিপদজনক যৌন সম্পৰ্কত কনড্ম ব্যৱহাৰ কৰা

(গ) বীজাণুমুক্ত চিৰিঞ্জ বা কটা-চিঙাত বীজাণুমুক্ত আহিলা ব্যৱহাৰ কৰা।

(ঘ) একাধিক ব্যক্তিয়ে ব্যৱহাৰ কৰা চিৰিঞ্জৰ দ্বাৰা নিচাযুক্ত দ্ৰব্য ব্যৱহাৰৰ পৰা বিৰত থকা।

(ঙ) এই ৰোগত আক্ৰান্ত মহিলাই গৰ্ভধাৰণৰ ক্ষেত্ৰত বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাটো ব্যধ্যতামূলক।

বিশেষকৈ গুপ্ত ৰোগ যেনে বগা স্ৰাব যোৱা, প্ৰস্ৰাব জ্বলাপোৰা কৰা, মুত্ৰনলীত খজুৱতি বা ঘা হোৱা, তল পেটৰ বিষ হোৱা আদিৰোগে দেখা দিলে তৎক্ষনাত চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাটো আৱশ্যক।

০০০০

# ৰেগিং
## নিৰ্যাতনৰ অন্য এক নাম

মঃ নাজীমুদ্দিন গাজী
স্নাতক ৩য় বৰ্ষ (কলা)

'ৰেগিং' শব্দৰ অৰ্থ কেতিয়াও বেয়া বা ভয় অথবা শংকাৰ কাৰণ নহয়। কিন্তু বৰ্তমান সময়ত এই ৰেগিং শব্দৰ অৰ্থ বিকৃত হৈ উঠা দেখা গৈছে।

দুচকুত অলেখ সপোন আঁকি কলেজৰ পদূলিত দুভৰি দিলেই প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সন্মূখীন হয় এটি আচহুৱা শব্দৰ, সেইটো হৈছে 'ৰেগিং'। নতুন ছাত্ৰ-ছাত্ৰীৰ বাবে ভয় আৰু শংকামিশ্ৰিত আৰু পুৰণি খিনিৰ বাবে অতি আনন্দৰ বিষয় হৈছে ৰেগিং। প্ৰকৃততে ধেমেলীয়া পৰিবেশৰ মাজেৰে চিনাকি হোৱা নতুন আৰু পুৰণি ছাত্ৰ-ছাত্ৰীখিনিৰ মাজত যোগসূত্ৰটোৱেই হৈছে ৰেগিং।

প্ৰকৃততে ৰেগিং মানেই নিৰ্যাতিন নহয়। কিন্তু বৰ্তমান সময়ত ৰেগিং আৰু নিৰ্যাতিনক এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি কব পাৰি। ৰেগিং বা চিনাকিপৰ্বৰ নামত কলেজৰ পুৰণি ছাত্ৰ-ছাত্ৰীয়ে নতুন ছাত্ৰ-ছাত্ৰীৰ ওপৰত বিভিন্ন শাৰীৰিক আৰু মানসিক নিৰ্যাতিন চলায়। ফলস্বৰূপে কেতিয়াবা বহু ছাত্ৰ-ছাত্ৰীয়ে এই নিৰ্যাতিন সহিব নোৱাৰি কলেজ এৰি দিবলৈ বাধ্য হয় আৰু আন কোনোবা চিৰদিনৰ বাবে ঘূনীয়া হব লগীয়া হয়! আনকি ৰেগিঙৰ বলি হৈ কোনোৱে আত্মহত্যা কৰা ঘটনাও পৰিলক্ষিত হয়।

ইণ্টাৰনেটৰ এটা ৱেবচাইটৰ এক তথ্য অনুসৰি বিগত দহ বছৰত ৰেগিঙৰ কবলত পৰি ২৬০ জন ছাত্ৰ-ছাত্ৰীয়ে মৃত্যু বৰণ কৰে আৰু ৩১৬০ জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা জীৱন আধাতে সামৰি ঘৰলৈ উভতি আহিবলগীয়া হৈছে। কেৱল ৰেগিঙৰ বাবেই একোজন ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত অন্ধকাৰময় হৈ পৰাটো অতি দুখৰ কথা। ইতমধ্যে ৰেগিং আইন বিৰোধী বুলি মহামান্য উচ্চতম ন্যায়ালয়ে ঘোষণা কৰি শিক্ষানুষ্ঠান সমূহৰ পৰা ইয়াক দূৰ কৰাৰ ববে কঠোৰ নিৰ্দ্দেশনা জাৰি কৰিছে যদিও কৰ্তৃপক্ষৰ অগোচৰে এতিয়াও ৰেগিং নামৰ ব্যাধিটো চলিয়েই আছে। কিন্তু ইয়াক নিৰ্মূল কৰাৰ দায়িত্ব ছাত্ৰ-ছাত্ৰীৰ। মোক ৰেগিং কৰিছিল যেতিয়া মই কিয় ৰেগিং নকৰিম। এনে মনোভাৱ জ্যেষ্ঠজনে পৰিত্যাগ কৰি নৱাগতসকলক মৰমেৰে আদৰণি জনাব লাগিব।

ৰেগিঙক আমি পৰম্পৰাগতভাৱেই বিকৃত অৰ্থত ব্যৱহাৰ কৰি আহিছো। সুস্থ চিন্তা-চৰ্চা আৰু বুদ্ধিদীপ্ত প্ৰশ্নৰে নৱাগতসকলৰ সৈতে চিনাকি হোৱাটোও হব পাৰে ৰেগিং। গতিকে দ্বিতীয়বিধ ৰেগিঙৰ ধাৰণাৰেহে নতুন পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত চিনাকিপৰ্ব হোৱা উচিত। এনে প্ৰকাৰৰ চিনাকিপৰ্ব বা ৰেগিঙে নতুন ছাত্ৰ-ছাত্ৰীৰ মাজত নতুন সাহস, প্ৰেৰণা আৰু উৎসাহ উদ্দীপনা কঢ়িয়াই অনাৰ লগতে পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি শ্ৰদ্ধাশীল কৰি তুলিব। নতুন পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আন্তৰিকতাৰ এনাজৰীডালো কটকটীয়া হৈপৰিব। ভৱিষ্যত গঢ়িবলৈ আহি কোনো ছাত্ৰ-ছাত্ৰীৰেই জীৱন যাতে ৰেগিঙে ধ্বংস নকৰে তাৰ প্ৰতি প্ৰত্যেকেই সচেতন হব লাগিব। ৰেগিং ভয় আৰু শংকাৰ কাৰণ নহৈ উৎসাহ আৰু প্ৰেৰণাৰ উৎস হওঁক - এয়ে প্ৰতিজনৰে কামনা হোৱা উচিত। এনে ইতিবাচক আৰু সৃষ্টি কামী ৰেগিং হলে কোনো নৱাগতৰে কলেজত প্ৰথম ভৰি দি কেতিয়াও আৰু বুকু কঁপি নুঠে।

০০০০০



# GLIMPSES INTO THE SCIENCE OF YOGA

**DR. PARIMAL KUMAR DATTA**
**M.A. (Double), M.Ed., Ph.D.**
**Lecturer & HOD, Department of Sanskrit**

"পশ্যেম শৰদঃ শতম্
জীৱেম শৰদঃ শতম্।।"
(pasyema saradah satam
jivema saradah satam)

"We see (objects) for a hundred autumns (year s). We live for a hundred autumns (years)" - so sang the ancient yogis at the very dawn of human civilization. Now modern medical science has also enabled man to repeat these words. Wonderful cures - surgical and medical - have enabled man to fight diseases that seemed to be beyond control. Medical science has extended man's longevity much more. But some darkness prevails under the lamp of modern medical science. Renowned physicians of the world have observed it and expressed their views in the following languages-

"There is not a single medicine in the world that does not carry harm in its molecule."

Dr. J.N. Hurty.

"After twenty five years of practice I feel like the disciple of Shakespeare, who said - `Throw physic to the dogs."

Dr. Hastings.

"I declare as my conscientious conviction founded along with experiences that if there were not a single physician, surgeon, midwife, chemist, druggist, nor drug on the face of the earth, there would be less sickness and less mortality than now prevail".

Dr. James Johnson

"Take away opium and alcohol and the backbone of the patent medicine business will be broken in forty eight hours."

Dr. Woods Huckinson

This darkness of modern medical science can be dispelled by the science of yoga. Man may conquer death with the help of modern medical science and the science of yoga.

The word 'yoga' comes from the Sanskrit verb root which means 'unification' or `union'. Patanjali defines `yoga' as -

'যোগনিশ্চিত্ত বৃত্তি নিৰোধঃ' (yogascitavrtirnirodhah) 'Yoga is the restraint of mental modifications'.

'Yoga means the suspension of all the psychic propensities'.

Tantra defines it -

'ঐক্যং জীৱাত্মনোৰাৰ্হযোগম্' (aikyam Jivatmanorahuryogam). 'The union of the Self and the Absolute is called. `yoga'.

Yoga advocates control over the body, the senses and the mind. Sensuous attachment and passions distract the body as well as the mind. To overcome them, Yoga formulates the following Eight-fold Path of Discipline - astangayoga. )

যম (yama - restraint), নিয়ম (niyama - observance),আসন (asana-posture প্ৰণায়াম, (pranayama - regulation of breath), প্ৰত্যাহাৰ (pratyahara - abstraction), ধাৰণা (dharana - concentration), ধ্যান (dhyana - meditation), সমাধি (samadhi - trance).

Yoga is mainly divided into four classes - মন্ত্ৰ (mantra), লয় (laya), হঠ (hatha), ৰাজ (raja).

Though mantra, laya and raja yogas are essential to the all round development of human personality, only hathayoga is directly connected with the physical and psychological development of human beings. So hatha yoga is briefly discussed in this article.

Hathayoga specially deals with asana (আসন), mudra (মুদ্ৰা) and pranayama (প্ৰাণায়াম).

Asana (আসন)

Asana means 'a posture adopted in hatha yoga'. Patanjali defines it as -

স্থিৰসুখমাসনম্ (sthira sukhamasanam) Asana is steadily easy'.

Some of the important asanas are -

চক্ৰ (cakra), ভদ্ৰ (bhadra), ভূজঙ্গ (bhujanga). ধনু (dhanu) গোমুখ (gomukha), হল (hala), জানু (janu), কূৰ্ম (kurma), মকৰ (makara), মৎস (matsya) ময়ুৰ (mayura), মণ্ডুক (manduka), শীৰ্ষ (sirsa), সৰ্ব্বাঙ্গ (sarvanga),

Mudra (মুদ্ৰা)

Mudra is a posture in which the whole body plays a part. Following mudras are practised by the yogis in order to cure themselves of diseases and bind youth for ever.

অশ্বিনী (asvini), উড্ডীয়ান (uddiyana), মহাবন্ধ (mahabandha) মহাবেদ (mahavedha), বিপৰীতকৰণী (viparitakarani) শক্তিচালনী (sakticalini)

Pranayama (প্ৰাণায়াম)

'Prana' (প্ৰাণ) means breath' and 'ayama' (আয়াম) means 'restraint'. Pranayama is a practice of controlling the movement of the vital energy of a particular body. According to Patanjali 'তস্মিন সতি শ্বাসপ্ৰশ্বাসয়োৰ্গতিবিচ্ছেদঃ প্ৰাণায়মঃ (tasin sati 'svasapra'svasayorgativicchedah pranayama)

'Pranay'ama is the stoppage of the inspiratory and expiratory movement of breath'. It is of three types -

ৰেচক (recaka - expelling of air)

পূৰক (puraka - drawing in of air)

কুম্ভক (kumbhaka - stopping of air)

Besides these important accessories of yoga, some other techniques are also adopted in yoga. These are -

ধৌতি (dhauti - washing and cleansing of the bowl).

নেতি (neti - the drawing of a thread through the nose and mouth)

বস্তি (vasti - the application of an enema ; cleansing of bladder and abdomen)

ত্ৰাটক (trataka - method of fixing the eye on one object )

Some of the diseases that can be cured by yogic therapy are mentioned below

AIDS, appendicitis, asthma, barenness, bronchitis : cancer, cataract cirrhosis, constipation, diabetes, elephantiasis, epilepsy, fistula, gonorrhoea gastric ulcer, gall stone, hepatitis-B, hernia, high blood pressure, hydrocele, isanity, Jaundice, kidney stone, leprosy, leucoderma, leucorrhoea, lumbago, menstrual troubles, nimphomania, obesity, paralysis, piles, pneumonia, psoriasis, rheumatism, sciatica, strangury, syphilis, tonsilitis, tuberculosis.

All the yogic postures and pranayama must be practised under the careful guidance of qualified and trained teachers. Much stress is given on time and place of yoga and regularity.

Patanjali was the traditional founder of the yoga system but Swami Ramadeva, founder of PatanjaliYoga Peeth, Hardwar, has won the hearts of millions and millions of people by organizing yogic camps in all the states of India Yogic camps are also being organised by him in the different parts of the U.S.A. the U.K., Canada and Nepal.Lakhs and lakhs of people throughout the world are being cured of all kinds of diseases through simple yogic exercises demonstrated by him. Swami Sivananda Saraswati, Umachal Yogashram, Guwahati, was one of t he greatest pioneers of yogic therapy in India.

Physicians have already realised the importance of yoga. Many specialists and surgeons practise yoga and advise their patients to practise it . They have felt that yoga and modern medical science are complementary to each other. Probably it may not be absolutely impossible for man to make this world diseasse-free if yoga and modern medical science come closer in some near future

Observing the startling powers of their combined form the future poet of this earth will not sing in a plaintive vein -

"Where palsy shakes a few, sad, last gray hairs,
Where youth grows pale, and spectre-thin and dies"

(Ode to a Nightingale)

0000

# Women Novelists of the 19th Century and The Victorian Era.

**Md. Abdur Rahim**
**Lecturer, Deptt. of English**

Literature is the mirror of the society. It reflects the picture of the contemporary society in vivid form. Literature may be called the ladder of progress and development of a nation.

Literature is not a branch of study to be placed in a separate compartment, for edification only of the scholars, but a comprehensive and artistic medium of expression to benefit the literate and illiterate alike. A true literary composition should appeal in an infinite variety of ways. English literature is not an exception to it. So, in the midst of male litterateurs of English literature we find a galaxy of women litterateurs in the 19th century, Among them the shining and bright stars are Jane Austen, Maria Edgeworth, Mary Godwin Shelly, Mrs. Trollope, Mrs. Gore, Mrs. Marsh, Mrs. Henry Wood, Charlottyonge, Mrs. Oliphant, Mrs. Lyon Lynton, M.E. Braddon, Rhoda Broughton, Edna Lyall, The Bronte Sisters-Charllote Bronte, Emily Bronte, Anne Bronte, Mrs. Gaskel and George Eliot. We will discuss only the prominent women Novelists of the 19th century separately.

The first half of the 19th Century records the triumph of Romanticism in literature and democracy in government and two movements are so closely associated in so many nations, and in so many periods of history, that one must wonder if there be not some relation of cause and effect between them. As we read now the brief portion of history which lies between the Declaration of Independence 1776 and the English Reform Bill of 1832, we are in the presence of such mighty political upheavals that the age of revolution is the only name by which we can adequately characterize it. Its historic movements become intelligible only when we read what was written in this period; for the French Revolution and American commonwealth as well as the establishment of a true democracy in England by the Reform Bill of 1832. Liberty is fundamentally an ideal and that ideal beautiful, inspiring, compelling, as a loved banner in the wind was kept steadily before men's minds by a multitude of books and pamphlets as far apart as Burns's Poems' and Thomas Paints Rights of man.

The causes of the Revolution was not only political but also economic. By her inventions of steel and machinery, and by her monopoly of carrying trade, England had become the 'workshop' of the world. Her wealth had increased beyond her wildest dreams but the unequal distribution of that wealth was a spectacle to make angels weep. 'Wealth of Nations' and 'Rights of Man' by Adam Smith and Thomas Paine respectively that can hardly be considered as literature, exercised tremendous influence on the people of England.

**Literary characteristics of the Age**: It is intensely interesting to note how literature at first reflected the political turmoil of the age; and then, when the turmoil was over and England began her mighty work of reform, how literature suddenly developed a new creative spirit, which shows itself in the poetry of Wordsworth, Coleridge, Byron, Shelly, Keats and the Prose of Scott, Jane Austen, Lamb and De Quencey- a wonderful group of writers whose patriotic enthusiasm suggests the Elizabethan days and whose genius has caused their age to be known as the second creative age of English literature.

Another outstanding feature of this age was the advent of a galaxy of women writers in the sky of English literature. It was during this period that women assumed, for the first time, an important place in English literature. Probably the chief reason for the interesting phenomenon lies in the fact that woman was for the first time given some slight chance of education, of entering into the case when woman is given any thing like fair opportunity, she responded magnificently. The age produced a new type of novel, which in its own day delighted multitudes of readers who reveled in 'Bogey' stories of supernatural terror. .Mrs. Anne Radcliffe (1764-1823) was one of the most successful writers of this school. Her novels deal with azure-eyed heroines, haunted castles, trapdoors, bandits, abductions and rescues, in the nick of time and a medley of joys and horrors. They were immensely popular not only with the crowd of novel readers but also with men of unquestioned literary genius like Scott and Byron.

Jane Austen, Maria Edgeworth and two other women who attained a more or less lasting fame were Hanna More poet , dramatist and novelist and Jane Porter, whose "Scottish Chief" and Thaddeus of Warsaw are still in English libraries.

It is also an age of criticism, Literary criticism became firmly established by the appearance of such magazines as "Edinburgh Review" (1802) Quarterly Review (1808) Black Wood's Magazine (1817) The Spectator1828, and Frazer's Magazine 1830.

It is not possible on our part to discuss all the features and characteristics of the age in a small span of time.

We, therefore, shall began with some of the prominent women novelists of the 19th century as well as Victorian era. Now we shall began with Jane Austen, prominent women novelist of the 19th century.

Jane Austen was born on 16th December 1775 at Steventon rectory in the country of Hampshire. There she spent her childhood and youth. She was the seventh child of Revd. George Austen, the rector and Mrs. Austen, the country women and busy gardener.

Jane Austen's life was uneventful. Her eldest brother succeeded his father at Steventon. Henry Austen, Jane's favourite brother was her closest advisor and helped in her literary matters.

Jane Austen was educated mainly at home though she was sent to school at Oxford with sister Cassandra. At 17 she produced a short one act play on contemporary romantic novels called Love Friendship. Three of her six novels were written at Steventon. Jane's first attempt at fiction, "Elinor and Marianne", in the form of letters was revised in 1797-98 and rechristened 'Sense and Sensibility'. "Pride and Prejudice" originally called 'First Impressions' had been written in 1796-97. Her father offered it to a publisher but he refused to receive the MS for approval. In 1798 Northanger Abbey was begun.

Her second group of novels were written at Chanton Cottage. 'Sense and Sensibility' was published in 1811 and she set to work upon Mansfield Park. The revised 'Pride and Prejudice' was published in 1813 and 'Mansfield Park' was published in 1814. Jane Austen's 'Emma' appeared with a dedication to the Prince on 29th December 1815, with the patronage of Murray, the founder of the influential 'Quarterly Review' of the Walter Scott and his enthusiastic criticism placed her in the gallery of major novelists of the age. But she suffered the penalty of an 'anti-romantic' in the age of romanticism.

In 1816 'Persuasion' was written to be laid aside. It was published posthumously by Henry. She breathed her last on July 18,1817. She was buried in Winchester Cathedral.

## Themes of Jane Austens's Novels

Reading a Jane Austen's novel is like glancing through marriage –bulletins or invitations. One is greatly surprised to see that all her novels have for their theme, marriage and husband hunting. It is the central myth in all her novels that the heroine falls in love passionately quite often with a worthless but a charming lover and rejects him a father surrogate. The really warm relationship in the novel is between the father and the daughter-Mr. Bennet and Elizabeth.

Knightly in Emma is a father surragate. He fulfills every office of her father, supervises her education, teaches her manner, he is old enough to advise her on crucial issues. Mr. Woodhouse is more a grand father than a father.

So there is a principle at work in all her novels except in 'Persuasion' in which Jane Austen understands that myth is after all a myth and can not be reality. A critic has said that her novels are her dreams.

Jane Austen's disregard for romantic love makes her a realist and she was very much concerned with economic basis of social behaviour. She, in David Daiche's opinion, is a Marxist before Marx. The theme of her novels is marriage in acquisitive society. There is a gulf of fortune and social position between Mr. Elton and Mr. Martin and poor Harriet, can be accepted only by simple Martin. In 'Sense and sensibility' Willoughby jilts Marianne and marries Miss Grey because of money. "Pride and Prejudice" begins with "It is a truth universally acknowledged that single man in possession of good fortune be in want of a wife. Life is related to fortune among other things. Elizabeth is tempted to marry Darcy after she has seen the elegance of Pemberley. Charlotte Lucas marries Collins because of property consideration. Mrs. Bennet is almost vulgar in search of rich husbands for her daughters.

The materials for Austen's novels are quite simple. "Three or four families, and a visitor coming into the neighborhood to quicken the phase of life a little, events and characters that allow for some speculation but never stretch the bounds of probability.

## Women novelists of the Victorian Era

A whole galaxy of the women novelists of the Victorian age is illumined by Mrs. Trollope, mrs. Gore, Mrs. Marsh, Mrs Bray, Mrs. Henry, Wood, Charlott Young, Mrs. Oliphant, Mrs Lynton, ME Braddon, Rhoda Broghton, Edna Lyall and a number of others. But the most prominent women novelists of the period areCharlotte Bronte, Emily Bronte, Mrs. Gaskel and George Eliot.

## The Bronte Sisters:

The three Bronte sisters Anne, Charlotte and Emily, collectively known as 'the stormy sisterhood' who took the England of their time by storm, were in actual life shy and isolated girls with rather uneventful lives. All of them died young of tuberculosis as their other two nonliterary sisters did. They were daughters of a Irish parson who made them lead a life of sternest self repression.

Charlotte Bronte wrote some four novels the 'Professor', 'Jane Eyre', 'Villette' and 'Shirley'. The first two novels were based on her personal experiences at a boarding house where she most probably fell in love with a Belgian scholar. Charlotte Bronte in her novels revolted against the traditions of Jane Austen, Dickens and Thackery.

Charlotte's novels are the novels are the novels not of manners but of passion and naked soul. Her characters-mostly the effusions of her own soul–are elemental figures acting in the back drop of elemental nature.

The three main characteristics of the novels of Charlotte Bronte are the note of intimacy, the note of passion and the note of revolt. The note of intimacy is caused by the markedly autobiographic slant of her novels. The

note of passions is struck by a lonely sensitive woman on behalf of women. Her point of view is the point of view of a women. Charlotte had the soul of a primitive woman, leashed by a few Victorian conventions and she revolted against them though she did not fully or appreciably revolt against the conventions novel.

Emily Bronte was a poet as well as a novelist. She wrote 'Wuthering Heights'. "There is no other book" says Leguis, 'which contains so many of the troubled, tumultuous and rebellious elements of romanticism. Emily is fiercer then Charllotte but her fierceness is strangely accompanied by numerous strokes of intuitive illumination. She looks like a Byron inPetticoats."

Her rebellion is accompanied spirituality, she expresses,

'Infinite passion

And the pain of finite hearts that yearn.'

"The central fact about Emily Bronte is that she is mystic. Her mysticism lies not only in her handing of the voice of the dead Catherine calling Heathcliff to her but also in her use of symbols."

**The contribution of the Bronte sisters**

The three sisters represent the stormy sisterhood, i.e the passions in English fiction. They imparted the romantic note of imagination and passion to the English novel. They turned the gaze to the soul of their characters and presented in their novels powerful studies of souls in deep anguish. They were not interested in the portrayal of social aspects rather they chose to study the feminine heart and presented the women's point of view in their fiction. They inaugurated a new conception of heroine in English fiction as a women of vital strength and passionate feelings. 'Jane Eyre', 'Shirley Agnes' are fine studies of feminine life and soul providing glimpse into the tortured and suffering souls of their respective heroines.

The Bronte sister experienced life within narrow confine but their narrow and limited experience did not stand in the way of their achieving excellence in their work. Of course, the repetition of the same scene and sight and the same themes made their novels somewhat stale, but this lack of freshness was compensated for by the presentation of passion and emotion in an intensified form.

As regards the plot construction, the Bronte sisters have not much to their credit. The plot of their novels are complex and often formless and in many cases there are loose ends and episodes, plots, that make up by their characterisations.

The Bronte's poetised the novel. In 'Wuthering Heights' we come across many beautiful poetic passages that lead us to ecstasy.

Another most obvious contribution of the Bronte sisters is the presentation of the life of Yorkshire and



its rich and beautiful nature background. "They all represent its landscape, Chartolle realistically, Anne nostalgically, Emily fully, poetically, superbly. They all present its people in three different ways. In 'Wuthering Heights' the Yorkshire character is present in quintessence as if all the Yorkshire lasses who ever lied had been distilled into wilfulness of Cathy. In Shirley the Yorkshire character is shown to us realistically and consciously. There is a peculiar quality in the Bronte presentation of Yorkshire quality of wild poetry, of arrogance, of melancholy and fiery intensity of passionate scorn for material values, which is not native to that robust and practical country.

They produce Celtic strain mingling with Yorkshire and create new and strange blend to play on an Irish harp by varyingly strong and skilful fingers, to this tune, Charlotte adds passionate, Anne pious and Emily cosmic harmonies." (Phylle's Bently)

**George Eliot (1819-1880) :**

George Eliot "stands at the gateway between the old novel and the new, no unworthy heir of Thackeray and Dickens and no unworthy forerunner of Hardy and Henry James". She was essentially a novelist of intellectual life and psychological insight into human motives and springs of action is deep and profound. She intellectualised English novel and imported to it a moral fervour and ethical bias. Her famous novels are 'Adam Bede', 'Silas Marner', 'Middle March', "Mill on the Floss" etc.

George Eliot is a psychological novelist. She tried to pierce behind the show of things and to reveal the forces by which they are controlled. She was a rationalist and a philosophic thinker. Fiction in her hand was not merely entertainment; she was an inspired moralist at her and the tone of her novels is one of moral earnestness, and at times, in later work, of an austregrimness. Her novels are of so many sermons, for a vast congregation of readers who could not subscribe to Christian codes. She was a sort of Moses to the Victorian Age leading it to the Promised Land of full intellectual, moral and political freedom similar to that over took the Jews after entering over Jordan.

In George Eliot's novels characters develop gradually as we come to know them. Her imagination is not a distorting glass like Dickens, vitalising her figures by accentuating their personal idiosyncracies, nor is, like Charlotte Bronte's a painted window suffusing them with the colour of her own live temperament, it is an X-ray bringing them to life by the clearness with which she penetrates to the secret main spring of their actions.

George Eliot looks at the world from the view point of woman, her heroines are more vividly and convincingly drawn than the heroes, the women are vastly superior to their lovers. She is realistic in characterisation. Her humour is not exuberant. But within its limitations it is both individual and

delightful. Intelligence gives it edge, good human gives it glow, it sparkles over the comedy of rustic provincial life, a satire at once cool and mellow, incisive and genial. She mingles pathos with humour.

"George Eliot's style is lucid, and to begin with simple, but later in reflective passages it is often over weighed with abstractions. Her dialogue is excellent for the revelation of character, and her command of idioms of ordinary speech enables her to achieve a fine naturalness. Only rarely does she rise to her impassioned poetical hearts of the Bronte, but her earlier novels particularly. 'The Mill on the Floss', are full of her descriptions of the English country side and her faculty for natural description. She never lost entirely" (E. Albert) In the words of Cazamia "Her style through many a page, through whole chapters and episodes has the indefinable quality that suggests a lesson in psychology, ethics or history."

She is of great importance in the history of fictions. As stated by Compton-Ricket "She was the first novelist to lay the stress wholly upon the character rather than incident, to make her stories spiritual rather than physical dramas."

**Mrs. Gaskell**:

Mrs. Gaskell is one of those novelists who used the novel as an instrument of social reform. Her famous and important novels include 'Mary Barton', 'North and South', 'Cranford Ruth', 'Wives and Daughters' and 'Sylvia's Lovers'. She has nothing of the passion and frustration of the Bronte sisters. Her sense of humour and deep sympathy, her deep social consciousness, her true observations and pictures of the Victorian Society, her zeal for social reform etc. make her novels readable and valuable. Her later novels herald the coming of the psychological novel.

To sum up, we may quote a famous critic, "Victorian literature marks the striking emergence of a number of women novelists, reputed and popular enough. Those women novelists occupy as much importance in the history of English literature as their male counterparts. In fact making of the golden age in English fiction in Victorian literature, the Victorian women novelists are no less significant and they have no mean role in the march of English fictions."

**Reference books:**


1. The Social & Literary History of England – R. L. Varshney
2. English Literature -- Its History & its Significance – W.J. Long
3. History of English Literature – A. Sanders
4. History of English Literature – W. R. Goodman


0000



# মহাবিদ্যালয়ৰ গৌৰৱ


নজৰুল আমিন
স্নাতক পৰীক্ষা'০৮ত আৰবী মেজৰসহ
প্ৰথম শ্ৰেণীত উত্তীৰ্ণ


মৰ্জিনা বেগম
উঃ মাঃ চূড়ান্ত পৰীক্ষা'০৮ত
প্ৰথম বিভাগত উত্তীৰ্ণ


ৰেহেনা বেগম
উঃ মাঃ চূড়ান্ত পৰীক্ষা'০৮ত
প্ৰথম বিভাগত উত্তীৰ্ণ


আৰ্জেন আলি মজুমদাৰ
খেলুৱৈ (যুটীয়া)' ২০০৭-০৮ বৰ্ষ


আব্দুল ওৱাহাব
শ্ৰেষ্ঠ খেলুৱৈ (যুটীয়া)' ২০০৭-০৮ বৰ্ষ


নছিউৰ ৰহমান
শ্ৰেষ্ঠ অভিনেতা' ২০০৭-০৮ বৰ্ষ


সৰলা ডেকা
শ্ৰেষ্ঠা অভিনেত্ৰী' ২০০৭-০৮ বৰ্ষ


মফিদা বেগম
শ্ৰেষ্ঠা গায়িকা' ২০০৭-০৮ বৰ্ষ


ইমামূল হক
মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা'০৮ত পুৰস্কাৰ প্ৰাপ্ত


খাদিজা ইয়াছমিন
মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা'০৮ত পুৰস্কাৰ প্ৰাপ্ত


→ মহাবিদ্যালয়ৰ ২০০৭-০৮ বৰ্ষৰ শ্ৰেষ্ঠ নাট্যদল

# খাৰুপেটীয়া মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ



বহি (বাঁওফালৰ পৰা) ঃ শ্ৰীমতী মালা চক্ৰৱৰ্তী, অপৰাজিতা দেৱী, প্ৰণতি দত্ত, ড০ আছমান আৰা বেগম, মৌচুমী সাহা কলিতা, নুৰ জামান, নুৰুল ইছলাম (ভাৰপ্ৰাপ্ত অধ্যক্ষ), কনকলতা শইকীয়া, আব্দুল কৰিম, ড০ পৰিমল কুমাৰ দত্ত, আব্দুল আওৱাল, জালালউদ্দিন আহমেদ, দীপক কলিতা

থিয় হৈ (বাঁওফালৰ পৰা) ঃ আব্দুৰ ৰহমান, ইমৰাণ আলি, জাহিদা চুলতানা, হবিবুৰ ৰহমান, জ্যোতিষ চহৰীয়া, মোস্তাফা নুৰুজ্জামান, জাকিৰ হুছেইন চৌধুৰী, ৰুকনউদ্দিন আহমেদ, মিজানুৰ ৰহমান, জাবেৰ আহমেদ, আব্দুল হান্নান, আব্দুৰ ৰহিম, জাকিৰ হুছেইন আহমেদ, আব্দুল ওৱাহিদ, ৰূপজ্যোতি প্ৰসাদ দত্ত, আফজল হুছেইন, আমজাদ হুছেইন মজুমদাৰ, আব্দুল মতিন, শিকদাৰ আনোৱাৰুল ইছলাম, আবুল বাসাৰ আহমেদ।



## আলোচনী সম্পাদনা সমিতি



বহি (বাঁওফালৰ পৰা) ঃ ড০ আছমান আৰা বেগম, মহঃ নুৰ জামান, কনকলতা শইকীয়া, আব্দুল কৰিম, দীপক কলিতা, জালালউদ্দিন আহমেদ, আব্দুল আওৱাল, শিকদাৰ আনোৱাৰুল ইছলাম

থিয় হৈ (বাঁওফালৰ পৰা) ঃ হাকিম আলি, দিলোৱাৰ হুছেইন, মফিদুল ইছলাম

ফটোত অনুপস্থিত ঃ মহঃ নাজিৰ হুছেইন সৰকাৰ, ড০ পৰিমল কুমাৰ দত্ত

## অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল



বহি (বাঁওফালৰ পৰা) ঃ আবু তালেব, আবু বক্কৰ ছিদ্দিক, খন্দকাৰ দেলোৱাৰ হুছেইন, মহঃ নুৰুল ইছলাম, জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা, শ্বহীদ আলী, ছোৰহাব আলী

থিয় হৈ (বাঁওফালৰ পৰা) ঃ কিনাল আলী, শ্বাহ আলম, ইছলামুদ্দিন আহমেদ, ছফিকুল ইছলাম, ছামিজুৰ ৰহমান, লাল মিঞা, ওৱাহেদুদ জামান, নুৰ মহম্মদ।

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা



বহি (বাঁওফালৰ পৰা) ঃ মহঃ নুৰুল ইছলাম (অধ্যক্ষ তথা সভাপতি), আব্দুৰ ৰহিম (কাৰ্য্যকৰী সভাপতি)
থিয় হৈ (বাঁওফালৰ পৰা) ঃ মহঃ জেহেৰুল ইছলাম, আলম শ্বাহ আহমেদ, ছাবিনা ইয়াছমিন, দিলোৱাৰ হুছেইন, হাকিম আলী, দিলোৱাৰ হুছেইন, আতোৱাৰ ৰহমান, মোৰ্তাজা আহমেদ, মতিউৰ ৰহমান, মফিদুল ইছলাম

## বিভাগীয় তত্বাৱধায়কসকলৰ সৈতে ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ



বহি (বাঁওফালৰ পৰা) ঃ মহঃ হবিবুৰ ৰহমান, শ্ৰীজ্যোতিষ চহৰীয়া, আব্দুল আওৱাল, আব্দুৰ ৰহিম, কনকলতা শইকীয়া, ড০ আছমান আৰা বেগম, ইমৰাণ আলি, জালালউদ্দিন আহমেদ, আব্দুৰ ৰহমান
থিয় হৈ (বাঁওফালৰ পৰা) ঃ মহঃ জেহেৰুল ইছলাম, আলম শ্বাহ আহমেদ, মফিদুল ইছলাম, দিলোৱাৰ হুছেইন, হাকিম আলী, ছাবিনা ইয়াছমিন, আতোৱাৰ ৰহমান, মতিউৰ ৰহমান, দিলোৱাৰ হুছেইন, মোৰ্তাজা আহমেদ



# গল্পৰ শিতান



# জীৱনৰ বাটত

মঃ ছাহাবুদ্দিন আহমেদ
প্ৰাক্তন ছাত্ৰ

অসমৰ একেবাৰে পূৱ-দক্ষিণ প্ৰান্তত অৱস্থিত কাৰ্বি আংলং জিলা। গুৱাহাটীৰ পৰা বেছ দূৰণিত থকা কাৰ্বি আংলং জিলাৰ সৰু নগৰ ডিফু। আজি কেইবা বছৰ হ'ল মই ইয়াৰে মহাবিদ্যালয় এখনত প্ৰৱক্তা হিচাপে কাম কৰা। মই যিখন মহবিদ্যালয়ত আছো সেইখন ডিফু নগৰৰ পৰা প্ৰায় ১৬ কিলোমিটাৰ দূৰত এখন সৰু গাঁৱত। প্ৰকৃতিৰ অপূৰ্ব ৰাজ্যৰ এটা অংগ হ'ল এই খন জিলা। বাস্তৱে ঢুকি পোৱাৰ আগেয়ে ইতিহাসে ঢুকি পোৱা সৰু গাঁও। প্ৰকৃতি দেৱীয়ে নিজ হাতে গঢ়া চাৰিওফালে পৰ্ব্বত পাহাৰে পৰিবেষ্টিত, দূৰ্ভেদ্য এই গাঁও। বনজ সম্পদত চহকী, সকলো কামত নিপুন, এই গাঁৱৰ মানুহ।

গৰমৰ বন্ধত মহাবিদ্যালয়ৰ প্ৰৱক্তা কলনি প্ৰায় জনশূন্য হৈ পৰে। এই বাৰ আমি গুৱাহীটীৰ ঘৰলৈ নগ'লো। গৰমৰ সময়ত ইমান দূৰ বাট ট্ৰেইনত যোৱাটো বৰ কষ্টকৰ। তাতে আকৌ অনিমা আৰু পুত্ৰ ছাহিলৰ কষ্ট মোৰ সহ্য নহয়। আজি আবেলিপৰত ভাত খাই বাৰান্দাত বহি পেপাৰ চোৱাত ব্যস্ত আছিলো। আজি কালি পেপাৰ বোৰ পঢ়ি বৰ বিৰক্তি লাগে। য'ত খালি শশ নিৰীহ প্ৰজাৰ ওপৰত আতিশয্য, পাশৱিক অত্যাচাৰ, জীয়ৰী-বোৱাৰীৰ সতীত্ব নষ্ট ইত্যাদিৰ খবৰ। ৰাজ্যখনৰ ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰশাসনিক স্তৰৰ পৰাই দূৰ্নীতিৰ সৃষ্টি হৈছে। (ইয়াৰ মূলতে আছে দাৰিদ্ৰতা, সম্পত্তি আৰু পদমৰ্য্যাদাৰ অতিপাত বৈষম্য।)

"কি হ'ল ইমান চিন্তা কৰি আছে ? নে পেপাৰ খন মুখস্থ কৰিব নেকি ?" অনিমাৰ মাতত মোৰ ধ্যানমগ্নতাৰ যতি পৰিল। মূৰ তুলি অনিমাৰ ফালে চাঁলো- হাতত দু-কাপ চাহ আৰু প্লেট এখনত গৰম পুৰি দেখা পালো। তাইৰ মুখৰ ফালে চোৱাত মোৰ এনেকুৱা লাগিল- "চিৰাজ" নাটকৰ সাইলাখ সাবিত্ৰী জনীহে, ইমান ধুনীয়া মুখমণ্ডল, চাই থাকিবৰ মন যায়। আকৌ কি হ'ল- নহয় তাৰ মানে - ছাহিল ক'ত আছে?" অনিমাই উত্তৰ দিলে- "ঘৰৰ ভিতৰত।"

আমি দুয়ো চাহ খোৱাৰ সময়ত ঠাই খিনিত লাহে লাহে গভীৰতা নামি আহিল।

সন্ধিয়াৰ সময়ত ওচৰত থকা চক এটাত এপাক ঘূৰি আহো বুলি মটৰ বাইক খন লৈ ওলাই গ'লো। ঘূৰি আহোতে অলপ দেৰি হোৱাত অনিমাৰ গৰম গৰম গালি দুটামান খালো। হাত মুখ ধুই ফ্ৰেছ হৈ ৰাতি ভাত খাই শুওতে বহু পলম হ'ল।

শুই উঠিয়েই ওৱাল ঘড়ীটোলৈ চাই পঠিয়ালো। চেঃ আজি সাৰ পাওঁতে বহু পলম হ'ল। ৰাতিনো কি হে পাইছিল দেৰিলৈকে চিনেমাখন চাবৰ ! লৰালৰিকৈ জগিং কৰিবলৈ ওলাই গ'লো। গেটখন খোলোটেই সন্মুখৰ কোৱাৰ্টাৰত বৰা ছাৰ ৰৈ থকা দেখা পালো। হয়তো তেওঁ মোৰ কাৰণেই ৰৈ আছে। মোৰ নিজকে অপৰাধী যেন লাগিল।

৮.৩০ বজাত অনিমা, ছাহিল আৰু মই চাহ খোৱাত ব্যস্ত আছিলো। ওচৰত থকা খোলা খিড়িকী খনেৰে মেঘাচ্ছন্ন আকাশ খনলৈ চাই পঠিয়ালো। আকাশখন ফৰকাল হৈ পৰিছে। বেলিটোৱে ডাৱৰৰ মাজৰ পৰা পোহৰ বিলাবলৈ চেষ্টা কৰি যেন সফল হৈছে। খোৱাৰ মাজৰে পৰাই ছাহিলে মাত লগালে -"পাপা- আজি- বৰষুণ হ'ব নেকি ?" উত্তৰত মই কলো- "নাই নহ'ব- কিজানি"।

হঠাতে শুনা মাতত অনিমাই পিছলৈ ঘূৰি চালে। দুৱাৰ মুখত কেৰিবেগ এটা লৈ কল্পনা ৰৈ আছে। মই কল্পনাক মাতিব খুজিছিলো। কিন্তু কণ্ঠৰ পৰা মাত নোলাল। অনিমাই তাইক মাতি আনি টেবুলৰ ওচৰতে বহুৱালে। কল্পনাই মধুৰ মাতেৰে - ছাহিলক মাতি কোলাত বহুৱাই "ডেইৰি মিল্ক" চক্‌লেটৰ পেকেট এটা হাতত তুলি দিলে। অনিমাৰ লগতে ময়ো নানা ধৰণৰ খা-খবৰ ল'লো। "বচ্ বচ্। বহুত হৈছে- বেচেৰি মাত্ৰ আহি পাইছেহি। একে লগে ইমান কথাৰ উত্তৰ দিয়া সম্ভৱ নহয়। এতিয়া লৈ ইমানেই। বাকীবোৰ আন এদিন ক'বা

বাৰু।” পৰিস্থিতিটো পাতলাবৰ বাবেই অনিমাই মাতষাৰ দিলে। “এতিয়া তুমি গা-পা ধুই ফ্ৰেছ হৈ লোৱা।”

বহু দিনৰ মূৰত কল্পনাক দেখা পাই অতীতৰ মধুৰ স্মৃতি বোৰে মনত আউল লগালে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পৰা স্নাতকৰ দেওনা পাৰ হৈ মই, কল্পনা আৰু অলিভ আমি তিনিওজনে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগত নাম ভৰ্ত্তি কৰো। অলিভ আৰু কল্পনাৰ ঘৰ আমাৰ ঘৰৰ নিচেই ওচৰা ওচৰি। আমাৰ ঘৰৰ মানুহৰ লগত সিহঁতৰ উঠা বহা সম্বন্ধ আছিল। যাৰ ফলত মিলা প্ৰীতিভাৱ গঢ়ি উঠিছিল। কিন্তু মোৰ ঘৰুৱা অৱস্থা সিমান স্বচ্ছল নাছিল। কবলৈ গলে গোটেই ঘৰখনৰ দয়িত্ব মোৰ ওপৰতেই পৰিছিল। অলিভ আৰু কল্পনাই মোক যথেষ্ট সহায় কৰিছিল।

এনে দৰেই দিন বাগৰিল। মই এম, এ পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষা জীৱনৰ অন্ত পেলাই বন্ধু বান্ধৱীক এৰি থৈ প্ৰথম সুযোগতেই ইয়াত অধ্যাপনা আৰম্ভ কৰো। ক্লাচ মেট হিচাপে অলিভ, কল্পনাই মোৰ অন্তৰত যি খন আসন দখল কৰিছিল সেই শূণ্য আসনখনত মই কাকো বহুৱাব পৰা নাছিলো। জীৱনৰ বহু তিতা কেঁহা অভিজ্ঞতাবোৰ মাজে সময়ে বাৰুকৈয়ে মনত পৰিছিল।

গা-ধুই কল্পনাই মোৰ ওচৰত আহি মাত দিয়াত হে থ'ত ম'ত খালো। মই কলো, “বলা বাৰান্দাত বহোঁগৈ।” কল্পনা মোৰ পিছে পিছে আহিল আৰু আমি দুয়ো মুখা-মুখিকৈ বহি ললো। “তোমাৰ মিষ্টাৰ গাড়ী দূৰ্ঘটনাত মৃত্যু হোৱা খবৰ পাই মনটোত বৰ কষ্ট পাইছিলো। কলেজ খোলা থকাৰ বাবে যাব পৰা নাই। কেইদিনমান ইয়াতে থাকি যোৱা- অ লপ ঘূৰা ফুৰা কৰিলে মনটো পাতল হ'ব।” কথা যাৰ কোৱাৰ লগে লগে তাইৰ চকু সেমেকি উঠিল। কল্পনাই সেই মূহূৰ্ত্তত কোনো কথা কব পৰা নাছিল। মনতে ভাৱ হ'ল বতাহত উৰি থকা একোছা চুলিৰ লগতে নিপোটল চেহেৰাৰ অধিকাৰী এয়াই কল্পনা নে?

চাওঁতে চাওঁতে এসপ্তাহ পাৰহৈ গ'ল। অনিমা ছাহিল, কল্পনা আৰু মই এই কেইদিন পাহাৰীয়া ঠাইখনৰ বহু ঠাইত ফুৰিছিলো, চিনেমা চাইছিলো। এই কেইদিনত কল্পনাৰ লগতে মোৰো যথেষ্ট ভাল লাগিছিল। কিন্তু কল্পনাৰ অন্যমনস্কতাই মোক বাৰুকৈ চিন্তাত পেলাইছিল। হয়তো তাই কবলগীয়া বহু কথা গোপন কক্ষত অপূৰ্ণ হৈ থাকিল। মাজে সময়ে অনিমাই কেৰাহিকৈ মোৰ ফালে চোৱা দেখা পাইছিলো। কিন্তু .......। অহাকালি কল্পনা গুৱাহাটীলৈগুচি যাব। আমাৰ সকলোৰে মনটো বেয়া লাগিল। অনিমাই মোক কলে - “ৰাতিপুৱা সোনকালে উঠিবা, তাইক আগবঢ়াই থব যাব লাগিব।” মই মাথো উদাস দৃষ্টিৰে অনিমাৰ মুখলৈ চাই “হ'ব” বুলি কলো।

ৰাতি পুৱা ৫.০০ বজাত উঠিলো। দেখা পালো কল্পনাই ইতিমধ্যে সাজু হৈ আছে। সকলো বোৰ কাম আধৰুৱা কৰি লাইট ফুড় অকনমান খাই বাইকখন লৈ বাহিৰত ওলালো। আকাশ মেঘাচ্ছন্ন। পৃথিৱীৰ কোনো উজ্বলতা নাই আজি- সকলোতে যেন গোমা, উদাসীন বিষন্নতাৰ বেশ। হয়তো আজি আকৌ ধাৰাসাৰ বৰষুণ আহিব। অনিমাৰ পৰা বিদায় লোৱাৰ সময়ত ছাহিলে ফুটা-নুফুটা মাতেৰে কলে - “আকৌ আহিব আণ্টি।” বলা কল্পনা, সময় হ'ল” - মই কলো।

নিৰ্জন অকোৱা পকোৱা ৰাস্তাৰে আহি থাকোতে সামান্য দুই এটা কথাৰ বাহিৰে অন্য একো কথা নহ'ল আমাৰ মাজত। মাত্ৰ আধাঘণ্টা মানৰ পাছতেই ষ্টেচন পালো। সম্ভৱ ৫-১০ মিনিটৰ ভিতৰতে ৰেল আহিব। টিকটৰ ব্যৱস্থা কৰি কল্পনাৰ ওচৰত আহি থিয় দিলো। তীব্ৰ হতাশাই যেন কল্পনাক বেঢ়ি ধৰিছে। মোৰ মনটো হাহাকাৰ কৰি উঠিল। ৰেল অহাৰ উমান পালো। তাই মোৰ দুচকুলৈ চালে। মই একো ক'ব নোৱাৰিলো। কল্পনাৰ চকুৰেদি পানী দুধাৰি বৈ আহিল। দুচকুৰ দুধাৰ নীৰৱ তপত চকুলো তাইৰ গালত পৰিল। গুৱাহাটী অভিমুখী ট্ৰেইনখন যোৱাৰ সময় হ'ল। কল্পনাক বিদায় দিয়াৰ সময়ত এক চেঁপা যন্ত্ৰনাত বুকুখন ঘন-ঘনকৈ দুম দুমাই উঠিল। কিছু সময়ৰ পিছতেই ডিফু ষ্টেচন এৰি বিৰাট শব্দ কৰি ট্ৰেইনখন আগবাঢ়িল। এক হতাশা ভৰা চাৱনিৰে কল্পনা যোৱা পথলৈ একান্ত মনে চাই থাকিলো।

ইতিমধ্যে কল্পনাই মোৰ হাতত দি যোৱা কাগজ খিলা খুলি চালো- “মৰমৰ....।

জীৱনৰ বাট হেনো বৰ দীঘলীয়া। কিন্তু কিমান দীঘলীয়া আজিলৈ কোনেও জুখিব পৰা নাই। তুমিতো জানাই আমাৰ যুগ্ম জীৱন এ বছৰো নিটিকিল। এটি জীৱনক আলফুলে সজাই ৰখাৰ সেই কল্পনা কল্পনা হৈয়েই থাকিল? সপোন দেখিছিলোঁ- জীৱনত নিবিচৰাকৈয়ে বহুতো পালো; ইচ্ছা কৰা হ'লে, মই মোৰ জীৱনত বিচৰা সকলো খিনিকেই পালোহেতেঁন। কলেজীয়া জীৱনত - তোমাৰ প্ৰতি আকৰ্ষিত হোৱা হ'লে এতিয়া মোৰ এক নিঃসংগ জীৱন নাথাকিলেহেঁতেন। অনিমা, ছাহিল আৰু তোমাৰ মঙ্গল কামনা কৰিলোঁ।

তোমাৰ ...........”

চিঠিখন কেউফালে ঘূৰাই চালোঁ। মনটো বিষন্ন হৈ পৰিল। এক অজান আশংকাত মোৰ বুকু কঁপি উঠিল। লাহে লাহে গৈ বাইক খন ষ্টাৰ্ট কৰি পাহাৰীয়া অকোৱা পকোৱা বাটেৰে ঘৰৰ ফালে আগবাঢ়িলো। বাইকৰ সন্মুখত থকা ছাইড গ্লাছত চকু পৰাত দেখা পালো, - কল্পনা আৰু অনিমাৰ প্ৰতিচ্ছবি।

[উৰ্চগা ঃ মোৰ পৰম বন্ধু প্ৰাক্তন ছাত্ৰ স্বৰ্গীয় বাপুকন (দলগাঁও)ৰ পবিত্ৰ স্মৃতিত.....। (লেখক)]

০০০০

# অপেক্ষাৰ অন্তত

মঃ ছফিকুৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ

পৰীক্ষা আহি পালেহিয়েই। কিবা দেখোন এই কেইদিন কিতাপত মন নবহা হৈছে। অনিচ্ছাকৃতভাৱে কিতাপৰ পাত কেইটিমান লুটিয়ালো। কিন্তু পঢ়িব নোৱাৰিলো। সিদিনাখন তাইৰ লগত কথা পতাৰ দৃশ্যটো মোৰ মনৰ দাপোনত ভাহি উঠিল। আনন্দত মনটো নাচি উঠিল।

ৰাতি বাৰ মান বাজিছে। এতিয়াও ছাৰে দিয়া নোটখিনি লিখি শেষ কৰিব পৰা নাই। পৰীক্ষালৈয়ো আৰু মাত্ৰ কেইটামান সপ্তাহ বাকী আছে। মূৰৰ শিতানত জ্বলি থকা চাকিটো ফু-মাৰি নুমাই থলো। চকু দুটা মুদি মাত্ৰ তাইৰ কথাই ভাবি আছো। সিদিনা ছোৱালী জনীক দেখাৰ পৰাই মোৰ মনত তাইৰ হাঁহো হাঁহো মুখখন জিলিকি উঠে। বহু চেষ্টা কৰিও পাহৰিব পৰা নাই। বৰঞ্চ.....

মমতাজ সেই ধুনীয়া মুখৰ ছোৱালী জনী। তাই স্নাতক ১ম বৰ্ষৰ ছাত্ৰী। কলেজখন ঘৰৰ ওচৰত হোৱা বাবে সদায় চাইকেলেৰ অহা যোৱা কৰে। তাইৰ মিচিকিয়া হাঁহিটো মোৰ বৰ ভাল লাগে। সপোনতো, দিঠকতো মই তাইকে দেখো। ব্যস্ততাৰ মাজতো মই তাইৰ কথা ভাৱো। তাইৰ চকুযুৰিয়ে মোক অনবৰত কিবা যেন কয়। কি কয় বাৰু? আৰু তাইৰ এই হাঁহিটোক মই কব খোজো লিঅ' নাৰ্ডু-ডা-ভিঞ্চিৰ মনালিছাতকৈয়ো অধিক শ্ৰেয়। অন্ততঃ মোৰ বাবে। বহু বিষাদৰ মুহূৰ্তত তাইৰ এই মিচিকিয়া হাঁহিটি মনলৈ আহি মোৰ হৃদয়ত পূৰ্ণিমাৰ জোনালী সৃষ্টি কৰে। তাইৰ দেহমনত যান্ত্ৰিক জীৱনৰ কোনো চিন-ছাপ নাই। আছে মাথো প্ৰকৃতিৰ সুবাস ভৰা আৰু সঁচা মৰমেৰে ভৰা এখনি পবিত্ৰ হৃদয়। তাই সঁচাকৈয়ে ৰূপ সাগৰৰ মণি। তাইক দেখাৰ পৰাই মোৰ মনত বৈ আছে এক উত্তপ্ত প্ৰেমৰ নিজৰা। পপীয়া তৰাৰ দৰে আস্ফালন খোৱা তাইৰ চুলিবোৰ মোৰ মনৰ বাসিন্দা। এপলক উভতি চাইছিল তাই মোৰ ফালে। কি যে অপূৰ্ব দেখাইছিল তাইক। যেন বসন্ত আকৌ আহিব, মোৰ বাবে হাঁহিছিল আকৌ হাঁহিব, আকাশ নীলাভ আছিল সদায় থাকিব। তাই যেতিয়া মোৰ ফালে চায় মোৰ এনেভাৱ হয় যেন স্বৰ্গৰ কোনোৱা অপেস্বৰীয়ে মোক হাতবাউলদি মাতে। জীৱনৰ সুগভীৰ সুক্ষ্মবোধ আৰু মানৱীয় দৰ্শনেৰে তাই মোৰ অন্তৰত যি আসন অধিকাৰ কৰিছে, সেয়া শ্ৰদ্ধা আৰু স্নেহসিক্ত, অপৰিৱৰ্তিত আৰু প্ৰাণৱন্ত।

তাইৰ কথা ভাৱোতেই কেতিয়াবা ৰাতি শেষ হ'ল, অন্ধকাৰবোৰ গুচি গ'ল কোনোবা অজান দিশলৈ আৰু সূৰ্য্য দেৱতাই পৃথিৱীলৈ পোহৰ কঢ়িয়াই আনিলে। ৰাতিপুৱাৰ চৰাইবোৰৰো যে কি আনন্দ, যেন সিহঁতৰ

জীৱনলৈ কেতিয়াও দুখ নাহে।

ঃ "অই ছফিক ইমান পুৱাই পুৱাই তই কাৰ কথা ভাবি আছ? তই এদিন বলিয়া হবি।"

ঃ প্লিজ হাকিম, কিবা এটা কৰ। নহ'লে মই সঁচাকৈয়ে বলিয়া হম।

ঃ তই চিন্তা নকৰিবি, মই চব চম্ভালিম।

পুৱা ন বাজিল। মই কলেজলৈ গ'লো। মেজৰৰ ক্লাছটো কৰি মই কল্পনাৰ ঘোঁড়াত আৰোহণ কৰিছো। এজাক হিমচেচা বতাহে মোৰ বুকু চুই গ'ল। মই বহি থকা বেঞ্চখনৰ পৰা সামান্য মূৰটো ঘূৰাই কলেজৰ চাৰিওফালে এবাৰ চালো। কলেজত অলপ আগতে দুই এজন আছিল যদিও বতৰৰ অৱস্থা দেখি ঘৰলৈ গৈছেগৈ। মই ঘড়ীটো চালো। দুই বাজি পঞ্চলিছ মিনিট। মমতাজতো বাৰটাতে কলেজত অহাৰ কথা। এতিয়াও নাহিল কিয়? মোৰ মনটো সেমেকি গ'ল। কথাবোৰ ভবাৰ বাবেই মোৰ মনটো গধুৰ গধুৰ অনুভৱ হ'ল। মই বহি থকা বেঞ্চখনতে ভৰি দুটা মেলি মূৰটো আউজাই থলো বেঞ্চখনৰ ওপৰৰ বিটটোত। মমতাজ আহিলে মই আজি শেষবাৰৰ বাবে মোৰ মনৰ কথা কম। মই লোৱা সিদ্ধান্তটোৰ বিষয়ে জনাম। কিন্তু মমতাজ দেখোন এতিয়াও নাহিল। মই জোনাকীক কলো, "যাচোন তই, তাইক অলপ মাতি দে।" সি ঘূৰি আহিল। তাইক লগ নাপালে। মই কৃষ্ণচূড়াৰ তলত তাইৰ বাবে অপেক্ষা কৰিছো। মাত্ৰ অপেক্ষা কৰিছো।

মই ঘড়ীটোলৈ চালো, কেতিয়া পাঁচটা বাজিল কবই নোৱাৰিলো। চকুৰ মণিত অস্তাচলৰ বিদায়ী পোহৰ। অলপ পিছতে সন্ধ্যা নামিব। ক'লা ৰঙে গ্ৰাস কৰিব দিগবলয়। উজলি থকা বৰণীয়া সৌন্দৰ্য্য ৰাশি ঢাক খাব এনিশাৰ বাবে। নিশাবোৰতো আছে স্বকীয় সৌন্দৰ্য্য, দিনৰ পোহৰে যাক ম্লান কৰি তোলে। নিশা মানেইতো জোন, তৰা, ৰজনিগন্ধা! আতৰি যায় লাজৰ আৱৰণ। বাঢ়ি যায় সান্নিধ্যৰ উত্তাপ। দূৰৈৰ পৰা ভাহি আহে কেতেকীৰ করুণ বিননি।

পোহৰেতো পোহৰৰ কথা আন্ধাৰক নকয়, আন্ধাৰেও কত কথা গোপনেই থয়। মইও বহু কথা মনত সংগোপনে ৰাখিছিলো তাইক কবৰ বাবে। বহুদিন তাইৰ বাবে অপেক্ষা কৰাৰ পিছত এদিন লগ পালো কলেজৰ পৰিৱেশ অধ্যয়নৰ ক্লাছত। মই বহু চেষ্টা কৰিও তাইক মোৰ মনৰ কথা নিজে কব নোৱাৰিলো।

ঃ অই হাকিম তই মোক অলপ সহায় কৰ। মোৰ হৈ তই মোৰ মনৰ বাতৰি তাইক জনা।

ঃ তই চিন্তা নকৰিবি মই চাই আছো। ঠিক আছে তই আৰু জোনাকী অলপ পিছে পিছে আহি থাক। মই তাইৰ লগত যাওঁ আৰু তোৰ মনৰ বাতৰি কবলৈ চেষ্টা কৰো।

এনেদৰেই এখন্তেক সময় হাকিমে মোৰ মনৰ কথাখিনি তাইক জনালে। কিন্তু এয়া মই কি শুনি আছো? তাই যেন মোক উত্তৰ দিবলৈ আগৰ পৰাই ভাবি আছিল। হয়, তাইৰ বিয়া ঠিক হ'ল বুলি জোনাকীক মাতি নি কলে।

ঃ "মোৰ মা-দেউতাই মোৰ বিয়া বেলেগ ঠাইত ঠিক কৰিছে। মাত্ৰ পৰীক্ষাটোলৈহে সিহঁতে বাট চাই আছে। দুদিনৰ বাবে তোমাক ভাল পাই তোমাৰ অন্তৰত আঘাত দিব নোখোজো। তুমি মোক পাহৰি যোৱা।"

বিধিৰ বিধান হিচাবে এদিন তাইৰ বিয়াও সম্পূৰ্ণ হৈ গ'ল।

ক্ষন্তেকৰ বাবে মই মোৰ কাণ দুখনকে বিশ্বাস কৰিব পৰা নাই। ইমান দিনৰ অপেক্ষাৰ পিছত মোৰ জীৱনলৈ আকৌ আহিল দুৰ্যোগৰ ক'লা ডাৱৰ, দুখৰ উচুপনি বতাহৰ হাহাকাৰ, সন্মুখৰ বাট নেদেখা আঁউসীৰ ঘন আন্ধাৰ। এয়াই জানো নিয়তিৰ বিধান?

০০০০০

* জীৱনটো এক সংগ্ৰামৰ থলি। সাহসী আৰু কৰ্মপটুজনহে এই সংগ্ৰামত জয়লাভ কৰিব পাৰে।

\- নেপোলিয়ন



# জীৱনৰ ধাৰা

**মহম্মদ গুলাম আচাদ**
**উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ**

ৰাতি আঠ বাজিলেই। মামনি নিশ্চয় শুই পৰিছে। তাই সদায় কোৱাৰ দৰে আজিও কৈছিল, "আব্বা মোলৈ বিস্কুট আনিব।" হাচিনাই মইনাক নিচুকাই শুৱাই মই অহাঁলৈ বাট চাই আছে। হায় দুৰ্কপাল! বিধাতাৰ খেল কেৱল দিন হাজিৰা কৰি জীৱন অতিবাহিত কৰা মানুহৰ লগতে হয় নেকি? লক আপত আবদ্ধ কোঠালিৰ বেৰত আউজি জাহিদে ভাবিবলৈ ধৰিলে। তাৰ মনটো উৰা মাৰিলে তাহানিৰ গোৱালপাৰাৰ সেই ছয়সীমানা শুৱনি গাঁওখনলৈ।

ব্ৰহ্মপুত্ৰৰ কাষতে সদায় দেহ মন শাঁত পেলোৱা বতাহ বৈ থকা শুৱনি গাঁৱখনত জন্ম হৈছিল জাহিদৰ। মাত্ৰ তেৰ বছৰৰ ল'ৰা জাহিদক এৰি পিতৃৰ মৃত্যু হয়। বহু কষ্ট কৰি পঢ়ি মেট্ৰিক পাছ কৰিলে। খুড়ায়েকে সহায় কৰাতহে তেওঁ কৃষ্ণাই কলেজত নাম ভৰ্ত্তি কৰিলে। মনত পৰে কলেজৰ সেই ধেমেলীয়া দিনবোৰ। কলেজীয়া অন্তৰঙ্গ বন্ধুসকলৰ ভিতৰত বিশেষকৈ ছয়িদ, অভি, চুলতান, মৃণাল আদিৰ স্মৃতি সজীৱ হৈ আছে। মৃণাল আৰু অভি আছিল গছ বগোৱাত বৰ পাকৈত। কলেজৰ পিছপিনে থকা আমলখি গছত জপিয়াই উঠি তলত থকা সকলোৰে মূৰত আমলখি দলিয়াই মৃণালে কয়, "এইয়া ল, খা।"

উস, সেই বন্ধু সকলৰ এতিয়া বা কি অৱস্থা। সকলোৰে নিশ্চয় সুখৰ সংসাৰ পাতিছে। মোৰ যে কপালৰ লিখন! বি.এ. দ্বিতীয় বৰ্ষত পঢ়ি থাকোতে বান পানীয়ে আমাৰ দৰে বহুতৰে ঘৰ-বাৰী উটুৱাই লৈ গ'ল। তাতেই গাঁওখন ব্ৰহ্মপুত্ৰৰ বুকুত চিৰদিনৰ বাবে জাহ গ'ল। তাতেই সকলো সপোন, সপোন হৈয়েই ৰ'ল। বি.এ. পাছ কৰাৰ আশা তাতেই মৰিমূৰ হৈ গ'ল।

কিছুদিন বিদ্যাপাৰৰ ভনী ঘৰত থাকি বহু কামৰ অন্বেষণৰ শেষত আন কোনো উপায় নেদেখি চহৰত আহি ৰিক্সা এখন লৈ তাৰেই দিনবোৰ কটাবলগীয়া হয়। তিনিবছৰ মান পিছত হাচিনাৰ সৈতে বিবাহ পাশত আবদ্ধ হলো। এনেকৈয়ে দিনবোৰ অতিবাহিত হৈ আছে। হঠাতে এইবোৰ কি হ'ল মই একো ক'বকে নোৱাৰিলো।

টিং টিং টিং টিং............। ঘণ্টিৰ শব্দত জাহিদে স্তম্ভিত ঘূৰাই পালে। এইয়া খানা খোৱাৰ বেল পৰিল। কেইজনমানে দৌৰি লাইন পাতিবলৈ ধৰিলে। ভাতৰ কাঁহীখন আগত লৈয়ে জাহিদৰ চিঞৰিবলৈ মন গ'ল। হাচিনাহঁতে মোলৈ অপেক্ষা কৰি এতিয়ালৈকে নিশ্চয় ভাত খোৱা নাই। এইবোৰ ভাবি ভাবি খাবলৈ মন যোৱা নাই তথাপি খাবলৈ চেষ্টা কৰিছে। পুৱাৰ ভাগত কৰ্কৰা ভাত কেইটা খাই তেওঁ ৰিক্সাখন লৈ ওলাই আহিছিল। গোটেই দিনটো একো খাব পৰা নাই। শৰীৰটো ভোকতে নিশ্চল হৈ পৰিছে।

এনেতে পুলিচকেইজনে কথা পাতি থকা সি লক্ষ্য কৰিলে। কাইলৈ ছাব ইন্সপেক্টৰ ছাৰ আহিব। আৰু ইহঁতক চালান দিলেই আমাৰ কান্ধৰ বোজাটো কমিব। .... এইবোৰ কথাই যেন তাৰ বিষাদগ্ৰস্ত অন্তৰ খনক চোকা অস্ত্ৰৰ দৰে আঘাত হানিলে। ভাবি ভাবি সি অজ্ঞান হৈ পৰিল। ফজৰৰ আজান শুনিহে সাৰ পলে।

দিনৰ এঘাৰ বাজিল। উপ-পৰিদৰ্শক অভিষেক শৰ্মা আহি উপস্থিত হোৱাৰ লগে লগে লক আপত থকা আচামীসকলৰ বুকু কপি উঠিল।

জাহিদক ইতিমধ্যে শৰ্মাছাৰৰ আগত অনা হ'ল।

ঃ "তোমাৰ নাম কি?" জাহিদক উদ্দেশ্যি শৰ্মা ছাৰে সুধিলে।

ঃ "জাহিদ!" কপা কপা মাতেৰে জাহিদে উত্তৰ দিলে। তেওঁৰ আৰু বহুত কিবা কিবি চিঞৰি ক'বলৈ মন গ'ল কিন্তু, নিস্তব্ধতাই তেওঁৰ মুখত যেন সোপা মাৰি ধৰিলে।

শৰ্মা চাহাবৰ হৃদয়ত যেন কিবা এটাই আঘাত কৰিলে। তেওঁৰ মনটো উৰি গ'ল কৃষ্ণাই কলেজৰ নিলগত থকা সেই আমলখি গছজোপালৈ। আমলখি পাৰিবলৈ গছত উঠি গছৰ পৰা নামোতে পাঁচ ফুটমান ওপৰৰ পৰা জাপ মাৰিয়ে জাহিদে চিঞৰিছিল। কি হ'ল? বুলি লগৰীয়াবোৰে লক্ষ্য কৰিলে, কাচেৰে ভৰিৰ পটা দুই ইঞ্চিমান কাটি গ'ল। এজনে দুৱৰি বন ঘাঁহ ঘঁহি ৰুমালেৰে বান্ধি দিয়াতহে তেজ বন্ধ হ'ল।

শৰ্মা চাৰে ভালদৰে লক্ষ্য কৰিলে, হয় কলেজীয়া বন্ধু জাহিদৰতো এওঁৰ দৰেই কপালত আৰু কাণৰ ওচৰত তিল (দাগ) আছিল। জাহিদে যেতিয়া ক'বলৈ ধৰিলে 'মই এজন ভাৰতীয়,মই এজন ৰিক্সা চালক, মই কাকো হত্যা বা মাৰপিত কৰা নাই।" তেতিয়াহে শৰ্মা ছাৰৰ স্মৃতি ভাৱনাৰ পৰা বাস্তৱলৈ ঘূৰি আহিল। তেখেতৰ দুচকুৰে চকুলো বাগৰি আহিল।

হায়! এনেকৈয়ে মানুহৰ জীৱনলৈ নামি আহে নেকি কালসন্ধ্যা? প্ৰাকৃতিক দুৰ্যোগত আত্মসমৰ্পণ কৰাৰ সুযোগ লৈ এনে নি:সহায় লোকক লৈয়ে কৰা হয় নেকি ৰাজনীতি?

"জাহিদ, তুমি মোক ক্ষমা কৰিবা। তোমাৰ দৰে কিমান জনক যে এনে অপমান কৰা হৈছে। তোমাৰ চকুলোৱে মোক সকলো বুজাই দিছে। তোমাৰ নিৰৱতাই মোক সকলো বিবৰি কৈছে। মোক সকলো বুজাই দিছে। মোক তুমি নিশ্চয় চিনি পোৱা নাই, মই তোমাৰ বন্ধু 'অভি' (অভিষেক শৰ্মা)।"

ঃ তুমি অভি? জাহিদে চকুলো মচি সুধিলে।

ঃ হয় মই অভি। এই বুলি শৰ্মাছাৰে জাহিদক সাৱটি ধৰিলে। দুয়োৰে চকুৰে আনন্দৰ চকুলো বৈ আহিল। উপস্থিত সকলোৱে এই কাণ্ড দেখি অবাক দৃষ্টিৰে চাই ৰল। ০০০০

# মৰীচিকা

জালালউদ্দিন আহমেদ
প্ৰবক্তা, বুৰঞ্জী বিভাগ

অসীমে ঘৰত হালধীয়া ৰঙৰ ফাইল এটা টেবুলৰ ওপৰত বিচাৰি নাপাই কমলাক মাতিলে, "কমলা, কমলা মোৰ হালধীয়া ৰঙৰ ফাইলটো ক'ত জাননে?" কমলা এজনী কাম কৰা অশিক্ষিতা ছোৱালী। কমলাই ফাইল বিলাকৰ ভিতৰৰ পৰা হালধীয়া ৰঙৰ ফাইলটো আনি দিলে।

অসীমে কমলাক একাপ চাহ আৰু এটি কেক বিচাৰিলে কিন্তু কমলাই 'কেক বনোৱা নাই' বুলি কোৱাত অসীমে খঙেৰে কমলাক গালি পাৰিলে। এনেতে ঘৰৰ ভিতৰৰ পৰা শিলাই কৈ উঠিল, 'কমলাক খং কৰিলে কি হ'ব? আজি এসপ্তাহ হ'ল বজাৰ কৰিছানে? বজাৰ-সজাৰ নকৰিলে বস্তুবোৰ আহে ক'ৰ পৰা? এনেতে পুৱা ৯-০০ বাজিলত অসীমে অফিচৰ সময় হোৱাত অফিচলৈ যাব ধৰাত শিলাই খোকনৰ (অসীমহঁতৰ ল'ৰা) স্কুলৰ ফিজ আৰু টিউচন মাষ্টাৰৰ বেতনৰ টকা দিবৰ কাৰণে কলে। খোকনক চহৰৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় এখনত নাম ভৰ্তি কৰি দিছে। খোকনৰ স্কুলৰ মাচুল ১১০০.০০ টকা আদায় নিদিলে পৰীক্ষাত বহিবলৈ নিদিব।

অসীমে কলে- "আজি মাহৰ ২০ তাৰিখ, টকা ক'ত পাম? টকা নাই। ক'ৰবাৰ পৰা ধাৰ কৰি মাচুলখিনি দি দিয়া। দৰমহা হ'লে ঋণ পৰিশোধ কৰিম।" তেতিয়া শিলাই মুখেৰে ভোৰভোৰাই ক'লে, "মোৰ ল'ৰাৰ পঢ়াৰ খৰচ দিবলৈ টান লাগে।" এই লৈ দুয়োৰে মাজত কথা কটা-কটি প্ৰায়ে হৈয়ে থাকে। অসীমে ল'ৰাজনক (খোকনক) গাঁৱৰ অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰাৰ পৰামৰ্শ দিছিল। কিন্তু শিলাই নামানিলে। শিলাই চহৰৰ এটি নামজ্বলা ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়োৱাৰ ইচ্ছা খোকনৰ জন্মৰ পিছৰ পৰাই পুহি ৰাখিছিল।

অসীমৰ কথা প্ৰসংগত শিলাই টকা নাপাই কৈ পেলালে, "দৰমহাৰ টকাৰে মা, ভনী আৰু ভাইটিৰ খৰচ



যোগান ধৰোতেই যায়, মোৰ ল'ৰাৰ পঢ়াৰ খৰচ দিবলৈ টকাই নোজোৰে। মই মোৰ ল'ৰাক পঢ়াম। ল'ৰাটোক ডাঙৰ মানুহ বনামেই। আনকি মই নিজে পইচা যোগাৰ কৰি হলেও পঢ়াম।"

তেনেতে অসীমে কেইবাটাও ফাইল হাতত লৈ অফিচলৈ ওলাই গ'ল। শিলাই আৱেগৰ বশবৰ্তি হৈ নিজকে আত্ম নিৰ্ভৰশীল হোৱাৰ সপোন ৰচনা কৰি পেলালে।

শিলাৰ দেউতাক এজন অভিজাত আৰু বিত্তবান ব্যক্তি। সমাজত এটা সুনাম আৰু উচ্চস্থান আছে। শিলাই কলেজত পঢ়ি থাকোতেই শিলাহঁতৰ গাঁৱৰ অলপ দূৰৈৰ গাঁও এখনৰ বৰ মেধাৱী, সৎ চৰিত্ৰবান আৰু শান্তশিষ্ট ও ভদ্ৰ ল'ৰা অসীমৰ লগত বিয়া পাতি দিছিল। শিলাই কলেজত পঢ়ি থাকোতে বহুত কিবা-কিবি মধুৰ সপোন ৰচিছিল।

পিছদিনা অসীমে অফিচলৈ যাবৰ সময় হৈছিল। এনেতে মাকে অসীমক ওচৰলৈ মাতিলে আৰু ক'লে- 'অমৰহঁতৰ লগৰ ল'ৰাবোৰে পিকনিকলৈ যাব বোলে, সেয়ে অমৰক ২০০.০০ টকা লাগে। অসীমে মাকৰ কথা শুনি খঙেৰে কৈ উঠিল, "মোৰ হাতত টকা নাই। তোমালোকে একো চিন্তা-ভাৱনা নকৰা। মই ইমান টকা পইচা ক'ৰ পৰা পাওঁ?" এনেতে মাকে সন্দেহৰ সুৰত ক'লে, "কি হ'ল, অসীমে ঘৈণীয়েকৰ কথাত চলে যেন পাইছো। বোৱাৰীয়ে অসীমক কিবা যাদু কৰিছে নেকি? অসীমৰ এনেকুৱা স্বভাৱতো আগতে নাছিল।"

ইফালে শিলাই নিজৰ ভৰিত থিয় দিয়াৰ সপোন দ্ৰুতগতিত আগবাঢ়িল। এদিনাখন হঠাতে শিলাই চহৰৰ এজন সু-প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকী কিশোৰ ভট্টাচাৰ্য্যৰ অফিচলৈ গৈ উপস্থিত হ'ল। কিশোৰ ভট্টাচাৰ্য্য আৰু শিলা কলেজত একেলগে পঢ়িছিল। দুয়োৰে মাজত বন্ধুত্বও গঢ়ি উঠিছিল কলেজত পঢ়ি থকা সময়তেই। শিলাই অফিচত সোমাই গৰাকীক লগ ধৰিব বুলি কোৱাত অফিচৰ চকিদাৰজনে কিশোৰক ক'লে, 'ছাৰ, আপোনাক লগ কৰাৰ কাৰণে এগৰাকী তিৰোতা মানুহ আহিছে। আহিব দিম নেকি?" অনুমতি পাই লগে লগে শিলা ভিতৰলৈ সোমাই গ'ল।

কিশোৰ আচৰিত হৈ ক'লে, 'কিহে শিলা দত্ত নেকি? তুমি ক'ৰপৰা আহিলা? তুমি ইয়াত অকলে, কিয় কেনেকৈ আহিলা?" ইত্যাদি, ইত্যাদি। শিলাই হাঁহিৰে উত্তৰ দিলে। 'এই চহৰতেই মোৰ বিয়া হৈছে। মই তোমাৰ বিষয়ে বহুদিন আগতেই জানিব পাৰিছো, কিন্তু সময় সুযোগ নোপোৱা বাবে আহিব পৰা নাই।' কিশোৰ আৰু শিলা একেলগে কলেজত পঢ়িছিল। কলেজত পঢ়া কালত দুয়োৰে মাজত এটি বুজাবুজি গঢ়ি উঠিছিল।

সিদিনা কিশোৰ আৰু শিলাৰ মাজত বহু দিনৰ পিছত একেলগ হোৱাৰ বাবে বহুত কথা বতৰা আৰু হাঁহি ধেমালি হৈছিল। কিশোৰ কলেজীয়া শিক্ষা শেষ কৰি চহৰত ব্যক্তিগত উদ্যোগ টো স্থাপন কৰিছিল আৰু তেওঁ তাৰে মেনেজিং ডিৰেক্টৰ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে। আনকি কিশোৰ চহৰখনত এজন বিত্তশীল ব্যক্তি হিচাবে পৰিগণিত হৈছে।

শিলা কেইবাদিনো কিশোৰৰ প্ৰতিষ্ঠানটোলৈ অহা-যোৱা কৰিছিল। এদিনাখন তাই তেওঁৰ অফিচত এটা চাকৰিৰ আবেদন কৰিলে। শিলাই চাকৰিৰ আবেদন কৰাত কিশোৰে শিলাক তাইৰ স্বামীৰ ও সংসাৰৰ বিষয়ে বিভিন্ন প্ৰশ্ন কৰিছিল। শিলাই বহুত কথা লুকাইছিল আৰু কিশোৰক পতিয়ন নিয়াইছিল যে তাইৰ ব্যক্তিগত হেঁপাহৰ কাৰণে এটি চাকৰি যোগাৰ কৰিব বিচাৰিছে। অৱশেষত উদ্যোগটোৰ গৰাকী কিশোৰ ভট্টাচাৰ্য্যই শিলাক এটি চাকৰি দিলে। শিলাই চাকৰি লাভ কৰাৰ পিছৰে পৰা নিয়মিত ভাৱে নিজৰ কৰ্তব্য কিছুদিন পালন কৰিলে। এনেকৈ কিছুদিন অতিবাহিত হোৱাত শিলাই নিজৰ টেবুলৰ কাম কাজৰ প্ৰতি আওকান কৰি প্ৰায়ে কিশোৰৰ কোঠাত সোমাই থাকিব ধৰিলে আৰু লাহে লাহে কিশোৰৰ সান্নিধ্যলৈ আগবাঢ়ি যাবলৈ ধৰিলে।

ইফালে শিলাই তাইৰ নিজৰ দৰমহাৰ ধনেৰে নিজৰ বিভিন্ন আচবাব যেনে- গডৰেজ, আলমিৰা, শ্ব-কেছ, ফ্ৰিজ, দামী চোফা, আ-অলংকাৰ, কাপোৰ কানি আদি কিনিব ধৰিলে আৰু নিজৰ সন্তান খোকনৰ স্কুলৰ খৰচ-পাতি আদি যোগান ধৰিব ধৰিলে। কিন্তু শিলা আৰু অসীমৰ সম্বন্ধৰ মাজত দিনে দিনে দূৰত্ব আহি পৰিল। অসীমে কিশোৰৰ প্ৰতিষ্ঠানত শিলাই চাকৰি কৰাটো পচন্দ কৰা নাছিল। আনকি দামী আচবাববোৰ কিনাৰ বিষয়েও বহুতো প্ৰশ্ন কৰিব ধৰিলে। এইবোৰ বিষয় লৈ দুয়োৰে

মাজত প্ৰায়ে বাকযুদ্ধ লাগি থাকে। লাহে লাহে শিলাৰ বাহ্যিক ৰেহ-ৰূপ, ব্যৱহাৰ-পাতি, চলন-ফুৰণ পৰিৱৰ্তন হ'ব ধৰিলে। শিলাৰ এনে পৰিৱৰ্তন শাহুয়েকৰ দৃষ্টিগোচৰ হৈছিল। শিলাই মাজে মাজে অফিচৰ পৰা ঘৰত সোমাওতে বহুত ৰাতি কৰিব ধৰিলে। বৰ্তমানৰ শিলা আৰু আগৰ শিলাৰ মাজত বহুত প্ৰভেদ হৈ গৈছিল। শিলা উদ্যোগ প্ৰতিষ্ঠানৰ গৰাকী কিশোৰ ভট্টাচাৰ্য্যৰ লগত দিনে দিনে বেছি ঘনিষ্ঠ হৈ পৰিছিল আৰু এদিনাখন শিলাই কিশোৰক বিয়াৰ প্ৰস্তাৱ দি পেলালে। এনেতে উদ্যোগপতি কিশোৰ ভট্টাচাৰ্য্যই আচৰিত হৈ আৰু উদ্বিগ্নতাৰে শিলাক কৈছিল, "কি কৈছা, বিয়া? মই আৰু কেতিয়াও বিয়া নকৰাও।" কিশোৰে আৱেগেৰে কব ধৰিলে। 'মই মোৰ কলেজীয়া শিক্ষা সমাপ্ত কৰি জিলাখনৰ এই নামজ্বলা উদ্যোগ প্ৰতিষ্ঠান কৰিলো। এই চহৰৰ বিখ্যাত চহকী ও অভিজাত পৰিয়ালৰ লগত ঘৰ সংসাৰ কৰিলো। আমাৰ এটি পুত্ৰ সন্তান জন্ম হ'ল। কিন্তু মই ধন সম্পদ, টকা-পইচাৰ পিছত এনেকুৱা ভাৱে জড়িত হৈ গ'লো যে মোৰ স্ত্ৰী, পুত্ৰ সন্তানৰ কথা পাহৰি গ'লো। সিহঁতক চোৱা-চিতা কৰা, খা-খবৰ লোৱাৰ মোৰ সময় নহয়। মোক লাগে কেৱল টকা, টকা। মোৰ পত্নীয়ে মোৰ পৰা মৰম চেনেহ নাপালে। মোক আনকি পাপিষ্ঠ অৰ্থলোভী,পাষণ্ড, অবিবেচক বুলি গালি পাৰিছিল। আনকি শেষত মোৰ পত্নী আৰু পুত্ৰই মোক এৰি আঁতৰলৈ গুচি গ'ল। আজি মই অকলশৰীয়া জীৱন অতিবাহিত কৰি আছো। মই সিহঁতক অন্যায় কৰিছিলো। তাৰ প্ৰতিফল আজি মই ভোগ কৰিছো। মোৰ বিগত জীৱনৰ কদৰ্য্য ঘটনাই তিল্‌তিল্‌কৈ শান্তি দি আছে। আজি মোৰ এই ধন সম্পদেৰে মই কি কৰিম?" এইখিনি কৈ কিশোৰে কান্দি পেলাইছিল।

কিশোৰে তেতিয়া শিলাক বুজাইছিল, "তোমাৰ ও তোমাৰ স্বামীৰ বিষয়ে মই খবৰ লৈছো। তোমাৰ স্বামী এজন সৎ চৰিত্ৰবান, নিষ্ঠাবান ব্যক্তি। নিজৰ কৰ্ম জীৱনকলৈ ব্যস্ত থাকে। অফিচত তোমাৰ স্বামীৰ এটি স্থান আছে। তেখেত বিন্দুমাত্ৰও দুৰ্নীতিপৰায়ণ নহয়। তুমি তোমাৰ আগৰ অৱস্থালৈ ঘূৰি যোৱা। শান্তি পাবা। তুমি তোমাৰ সুন্দৰ ঘৰখন ধ্বংস নকৰিবা।'

কিশোৰৰ কথাখিনি শিলাই ধৈৰ্য্যৰে শুনি আছিল যদিও নিজে এষাৰ কথাও কোৱা নাছিল। শিলাই উপলব্ধি কৰিলে যে তাইৰ সকলো পৰিকল্পনা ভাঙি চূৰ্ণ বিচূৰ্ণ হৈ গ'ল। শিলাৰ ধৈৰ্য্যৰ বান্ধ চিঙি গ'ল। তাই কান্দি পেলালে। লগে লগে শিলাই কিশোৰৰ কোঠাৰ পৰা ওলাই আহিল। ৰিক্সা এখনেৰে ঘৰলৈ গুচি আহিল। ঘৰত আহিও কান্দিলে। পিছত নিজকে দোষী বুলি ভাবিলে আৰু অনুশোচনাৰে মনটো ভৰি পৰিল। শিলাই গা-পা ধুই গোঁসাই ঘৰত সোমাই চাকি জ্বলাই পূজা কৰি নিজকে শুদ্ধ কৰি ললে আৰু নিজৰ মনৰ গভীৰ অন্ধকাৰময় ভাৱ আঁতৰ কৰিবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে।

শিলাই অসীম আৰু শাহু আইক মাতি আনি নিজৰ মনৰ কথা ব্যক্ত কৰিলে আৰু তেওঁলোকৰ ওচৰত ক্ষমা খুজিলে। তাই ক'লে, "মোৰ কোনো অত্যাধুনিক আচবাব-পত্ৰৰ প্ৰয়োজন নাই। মাত্ৰ মোৰ স্বামী, পুত্ৰ ও পৰিয়ালৰ আন্তৰিকতাহে লাগে।' এনেকৈ শিলাই নিজৰ মনৰ গভীৰ আন্ধাৰ আঁতৰাই সুখৰ সংসাৰৰ সপোন বাস্তৱত পৰিণত কৰাৰ দৃঢ় সংকল্প গ্ৰহণ কৰি আগবাঢ়িল।

০০০০

* তুমি নিজে যেনেকৈ আনৰ পৰা ভাল ব্যৱহাৰ আশা কৰা লোককো তেনে ব্যৱহাৰ কৰিবা

- চীনা দাৰ্শনিক কনফুচিয়াচ



# প্ৰেমৰ বিনিময় অপেক্ষা

মঃ আবু তালেব
স্নাতক দ্বিতীয় বৰ্ষ

প্ৰেমনো কি? মোৰ মনত সদায় এটা প্ৰশ্ন জাগৰিত হৈছিল। মই জীৱনত কেতিয়াও প্ৰেমৰ এই বিশাল নৈত ডুব যোৱা নাছিলো। কোনো ছোৱালীৰ প্ৰেমৰ জালত বন্দী হোৱা নাছিলো। কিন্তু সহপাঠী বন্ধু-বান্ধৱীৰ লগত চিনাকি হিচাপে গোটেই দিনবোৰ আনন্দত কটাইছিলো। শুভ আনন্দৰ বছৰ অৰ্থাৎ ২০০৪ চনত মই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ খাৰুপেটীয়া মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক কলা-শাখাত নাম ভৰ্ত্তি কৰো আৰু আগষ্ট মাহৰ পৰা কলেজৰ ইউনিফৰ্ম পিন্ধি আনন্দেৰে সদায় পাঠ গ্ৰহণ কৰো। চিটি বাছৰ অসুবিধাৰ কাৰণে ২৬ ইন্সি ওখ আধা পুৰণি বাই ছাইকেললৈ অহা যোৱা কৰো।

এদিনাখন জেঠমহীয়া ৰ'দত মই অকলে অকলে কলেজলৈ যাবলৈ ওলালো। ঘৰৰ পৰা প্ৰায় ৪ কিলোমিটাৰ যোৱাৰ পিছত প্ৰখৰ ৰ'দ সহ্য কৰিব নোৱাৰি বাটতে কেইজোপামান কল গছৰ ছাঁত জিৰণি লওঁ বুলি ছাইকেলখন ৰাখি পেণ্টৰ পকেটৰ পৰা ৰুমালখন উলিয়াই মুখত ওলোৱা ঘাম খিনি মচিলো। লগতে চাদা উলিয়াই হাতত চুণ লগাও বুলি ভাবিছিলো মাথো এনেতে পিছ ফালে লক্ষ্য কৰি অতীতৰ যেন চিনাকি চিনাকি মৰমী এজনীক দেখা পালো। তাইৰ গাৰ বৰণ সেউজীয়া, ওঠ জুৰিৰ মাজেৰে ওলাই অহা মিঠা আৰু মৌসনা মিচিকিয়া হাঁহিৰে মোৰ মনত সাগৰীয় ঢৌ তুলিছে। তাইৰ মুখ যেনিবা বালি চৰত জ্বলি থকা এটুকুৰা হীৰা। তাই মোক দেখাৰ লগে লগে তাইৰ প্ৰেমৰ স্পষ্ট ইংগিত চকুৰ ভাষাৰে মোক জনোৱা যেন লাগিল। মই বৰ লাজ অনুভৱ কৰি ছাইকেলত উঠি কলেজলৈ গুচি গ'লো। তাই যেন মোৰ দৰেই লাজ পালে। সময় তেতিয়া ৮-৩০ মান বাজিছিল।

পিছ দিনা ঠিক একে সময়তে কলেজলৈ ওলালো। বাটতে মনত পৰিল তাইৰ কথা। পিছে সেই ঠাই পোৱাৰ লগে লগেই মোৰ চকুৰ আগত যোৱা কালি লগ পোৱা মৰমীজনীৰ হাঁহি উদ্ভাসিত হ'ল আৰু সঁচাকৈয়ে দেখো মৰমীজনী থিয় হৈ আছে মোৰ অপেক্ষাত। তাইৰ লগত অহা আৰু এজনী সৰু ছোৱালী ওচৰতে খেলি আছে। মই তাইৰ মুখৰ হাঁহিৰে তাইৰ প্ৰেমৰ জালত আবদ্ধ হ'লো। আৰু এনেকৈ মাহ দুই পাৰ হ'ল। তাই যেন মোক কিবা এটা চকুৰে ইঙ্গিত দিয়ে। ময়ো তাইক কিবা সুধিম বুলি ভাবো কিন্তু সাহস নহয়। এনেকৈয়ে তাইৰ প্ৰতি দিনে দিনে মৰম বেছি হ'ল। বন্ধৰ দিনাও মই কলেজত যাওঁ তাইক দেখাৰ আশাত। তাই যেন মোৰ জীৱনৰ সঙ্গী। তাইক মই ইমানেই ভাল পাওঁ যে তাইক নাপালে মই মৰি যাম। কিবা কাৰণত কলেজত যাব নোৱাৰিলে ঘৰত ফাঁকি দি আবেলি সময়ত তাইক চাব যাওঁ। কেতিয়াবা মন মাৰি বহি থকা দেখা যেন পাওঁ আৰু কেতিয়াবা মন বেয়া লাগিলেও খেল ধেমালীত পাওঁ। মোক দেখাৰ লগে লগেই মিচিকিয়া হাঁহি, মই তাইৰ মুখত দেখা পাওঁ। সচাঁকৈয়ে আমি দুয়ো প্ৰেমত পৰিছো। ইতিমধ্যে মোৰ পৰীক্ষা আগুৱাই আহিল। মোৰ চিন্তা পৰীক্ষা দিব লাগে, তাইকো চাব লাগে। পৰীক্ষাৰ কাৰণে এমাহ মান তাইক লগ কৰিব পৰা নাই। পৰীক্ষা শেষ কৰি ৰুমৰ পৰা যাৱতীয় সামগ্ৰী লৈ মই ঘৰত আহি পিছদিনা দেখা পালো কলগছবোৰ সেই ঠাইত নাই। মোৰ অনুভৱ হ'ল ধুমুহাই হয়তো ভাঙি চুৰমাৰ কৰিছে। মোৰ চিন্তা বাঢ়িবলৈ ধৰিলে তাইৰ অৱস্থাৰ কথা ভাবি। কাৰণ তাইক সহায় কৰিবলৈ মোৰ বাহিৰে কোনো নাই। মোৰ মনটো বেয়া যদিও তাইৰ অপেক্ষাত ৰৈ আছো.........

ইতিমধ্যে এজাক বতাহ বলিল আৰু কোনোবা এজনে অদৃশ্য ভাৱে কৈ আছে- 'হেৰা ভাইটি তুমি চিন্তা নকৰিবা। তাইৰ কোনো দোষ নাই। তাই কোনোবা এজনৰ অপেক্ষাত ইমান দিন বাট চাই আছিল, কিন্তু তেওঁ নহাৰ কাৰণে কৰবালৈ তাই গুচি গৈছে'। তেতিয়া মই দীঘল এটা হুমুনিয়াহ কাঢ়িলো। এনেকুৱা পৰিবেশৰ সৃষ্টি হ'ল যেন মই ক'ত আছো মই নিজেই অনুভৱ কৰিব পৰা নাই আৰু চকুৰ পৰা নিগৰি নিগৰি চকুলো বৈ আহিবলৈ ধৰিলে। কিছু সময় পিছত এজন বুঢ়া মানুহ আহি মোৰ অৱস্থা দেখি কাৰণটো সোধাত মই একো কব নোৱাৰি কেৱল দূৰণিলৈ চাই থকিলো।

তেতিয়া বুঢ়া মানুহজনে মোক মূৰত হাত দি কপা কপা মাতেৰে কলে, "তুমি চিন্তা নকৰিবা, তোমাৰ মৰমী হয়তো অহা ঋতুত আকৌ আহিব।" মই আনন্দিত হৈ অহা ঋতুৰ কাৰণে অপেক্ষাত ৰলো........।

০০০০

# অন্ধকাৰৰ এটি নিশা

মঃ দিলোৱাৰ হুছেইন
স্নাতক তৃতীয় বৰ্ষ

আবেলি পশ্চিম আকাশত ৰঙালী আভাৰে সুৰুজে লুকা-ভাকু খেলি নীলা আকাশক সম্ভাষণ যাচি চকুলো টুকিছে। ন-গাভৰুৰ দৰে ওঠত ৰং সানি মিচিকিয়া হাঁহিৰে বিদায় মাগি বেলিটোৱে যেন আদৰণি জনাইছিল সেই নিশাক। পূবৰ পৰা বৈ অহা এজাক মলয়া বতাহে হো-হো শব্দৰে মনোমোহা কৰি তুলিছিল পথাৰখন। বতাহজাকে খিড়িকীৰে আহি জ্বলাই থোৱা লেম্পটোৰ লগত লুকা-ভাকু খেলিছিল। চৰাই চিৰিকতি জীৱ-জন্তু সকলোৱে শুই পৰিছিল। তাইৰ কথাবোৰ সঘনে মনত পৰি আছে। পদুম পাহিৰ দৰে ওঠযুৰিৰ মাজেৰে ওলাই অহা মিঠা সুৰীয়া মাত আৰু মৌ সনা মিচিকীয়া হাঁহিয়ে আজিও মোৰ মনত সাগৰীয়া ঢৌ তুলিছে। তাইক হাজাৰ ৰূপেৰে ঈশ্বৰে গঢ়িছিল। তাইৰ মুখখন যেনিবা বালিচৰত জ্বলি থকা এটুকুৰা হীৰা।

তিনিজন ল'ৰাৰ মাজত একমাত্ৰ আলাসৰ লাডু আছিল তাই। তাইক মই মৰমতে মাজনী বুলি মাতিছিলো, কিন্তু স্কুলত তাই মমতাজ বুলি পৰিচিত। যিজনী মমতাজৰ বাবে বাদশ্বাহ ছাহজাহানে তাজমহল সাজি মমতাজৰ নাম চিৰস্মৰণীয় কৰি থৈছিল। আচলতে ব্যঞ্জন বৰ্ণৰ 'ম' আখৰটো অতি মৰমীয়াল আৰু মৌ সনা। নানা ধৰণৰ কথাবোৰে আজি মনত বাৰ বাৰে খুন্দিয়াই আছে। মই ভাৱি অন্ত পেলাব পৰা নাই। পৰীক্ষাৰ বাবে আছে মাত্ৰ ১৫ দিন। পঢ়ি আমনি লগাৰ বাবে কম্বলখন গাত মেৰিয়াই লৈ বিছনাত বাগৰ দিলো। এবিধ মনোমোহা বাজনাৰে ঘড়ীটোৱে সংকত দিলে। ঘূৰি চাই দেখিলো ৰাতি ১০ বাজিছে। লেম্পটো টেবুলৰ ওপৰত জ্বলি আছিল। সৰিয়হৰ পথাৰৰ মাজত মৃদু বতাহ বলিছে। খিড়িকী খুলি ভৰি দুখন খিড়িকীৰ মাজেদি ওলিয়াই দিলো। কিছু সময়ৰ পিছত টোপনিত লালকাল হৈ পৰিলো। কিয় বা সেই ৰাতি গভীৰ টোপনিত পৰিছিলো। সেই ছেগতে কোনোৱা অপেশ্বৰীয়ে সুগন্ধীৰে ভৰা সৰিয়হ ফুলৰ মাজেৰে হাতত মৰমৰ পুতুলা এটা লৈ আহি খিড়িকীৰ কাষত উপস্থিত হৈছিল। টোপনি যোৱা দেখি তাই মোক সাহসেৰে মাতিব পৰা নাছিল। মৰমৰ টোপোলাটো তাই খিড়িকীৰ ফাকেদি পেলাই দি স্বৰ্গৰ দেৱকন্যাৰ দৰে মনে মনে গৈ আছিল। হঠাৎ ঘড়ীৰ সংকেত শুনি সাৰ পালো। পিছফালে ঘূৰি চাই দেখিলো ১১ বাজিছে। তেতিয়া কেৱল বতাহ জাকৰ হো-হোৱনি শব্দৰ বাহিৰে অন্য কোনো ধৰণৰ শব্দ নাছিল। পথাৰখনৰ চাৰিওফালে নিস্তব্ধতা বিৰাজমান হৈছিল। জোনাকী পৰুৱাই ৰুমৰ চাৰিওফালে তিৰবিৰাই আছিল। জোনাকী পৰুৱাৰ লগতে দূৰত দেখা পালো সৰু টৰ্চ লাইটৰ পোহৰ। তাইক নেদেখা ভাও জুৰি মইওঁ লাইট মাৰিলো ৰাস্তাৰ ফালে।খিড়িকীখন বন্ধ কৰি আকৌ বাগৰ দিলো বিছনাত। হঠাৎ চকু পৰিল সেই মৰমৰ টোপোলাটোলৈ। টোপোলাটো পাই আনন্দত টোপনি নোহোৱা হ'ল ৰাতিটোৰ বাবে। বৰ আমেজেৰে চাৰি পাঁচবাৰমান পঢ়িলো। মনত বেচিকৈ সাঁচ বহুৱাই থৈ গ'ল অতীতৰ স্মৃতিবোৰে। এই অন্ধকাৰ পথাৰৰ মাজত যদি কোনোবাই তাইক দেখিলে হেতেন......। তাইৰ ইমান সাহস নে? মাক-দেউতাকৰ ভয় ত্যাগ কৰি এই অন্ধকাৰ ৰাতি তাই কিয় আহিব লাগিছিল?

মই কোৱাৰ বাবে তাই সদায় স্কুলত খিড়িকীৰ ওচৰতে বহিছিল। কলেজলৈ যোৱাৰ সময়ত বৰ উৎসাহেৰে তাইক এবাৰ চাই গৈছিলো। কিন্তু আজি কেইবাদিন ধৰি তাইৰ কোনো খবৰে নাপাওঁ। খিড়িকীখনৰ ওচৰত বেলেগ এজনীয়ে খালি ঠাই পূৰ কৰি আছে। তাই মোক পাহৰিলে নেকি? নাই, তাই মোক কেতিয়াও পাহৰিব নোৱাৰে। যি ব্যক্তিয়ে সকলো ভয় ত্যাগ কৰি একমাত্ৰ হৃদয়ৰ আহ্বানত আহিছিল মোক চাবলৈ... ইত্যাদি ভাৱবোৰ হৃদয়ত ব্ৰহ্মপুত্ৰ এক্সপ্ৰেছ অহাৰ দৰে এটা এটাকৈ আহিব ধৰিলে। তেনেতে বন্ধু এজনে অতি বেগেৰে আহি ক'লে, "মনে মনে বহি থাকিলে কি হ'ব? তোক মই কেইবাদিনো কৈছো। তাই কিন্তু জান্তিপৰ নিচিনা।" কথাষাৰ কৈ বৰ বেগেৰে ৰুমলৈ গ'ল। মইয়ো পিছে পিছে গৈ সুধিলো, "কি হৈছে ভাঙি নোকোৱা কেলেই?" তেওঁ এটা এটাকৈ সকলো কথা ভাঙি পাতি ক'লে। চকুলোৰে বুকুখন তিতিবলৈ ধৰিলে। লগে লগে বতাহজাকে কথাষাৰ চাৰিওফালে বিয়পাবলৈ ধৰিলে। তাই মোৰ পৰা চিৰকালৰ বাবে আঁতৰি গ'ল। চিৰস্মৰণীয় কৰি থৈ গ'ল সেই অন্ধকাৰ নিশাক।

***





# অজামিল উপাখ্যান

শ্ৰীধৰ্ম চন্দ্ৰ বসুমতাৰী
স্নাতক প্ৰথম বৰ্ষ (কলা)

অজামিল নামেৰে এজন ব্ৰাহ্মণ আছিল। সেই সময়ত অজামিলে নকৰা পাপ পৃথিৱীত নাই বুলিলেই হয়। জাতিত তেওঁ ব্ৰাহ্মণ হলেও কামত হীনকুলীয়া চণ্ডালতকৈয়ো অধম আছিল। পূজা, সেৱা, দান দক্ষিণা আদি ব্ৰাহ্মণে নিতৌ কৰিবলগীয়া কামবোৰৰ লগত অজামিলৰ কোনো কালেই ৰাহিজোৰা অহা নাছিল। চুৰি-ডকাইতি, গো-বধ, তিৰি বধ আদি মহাপাপবোৰ মন্দমতি অজামিলে ল'ৰা ধেমালীৰ নিচিনাহে বুলি ভাবিছিল। এনে নানা বেয়া কাম কৰাৰ উপৰিও খটাসুৰ অজামিলে এজনী বেয়া স্বভাৱৰ তিৰোতাক ঘৈনীয়েক হিচাপে ৰাখিছিল। তিৰোতাজনীৰ পৰা ল'ৰা জন্ম হৈছিল দহোটা সন্তান। তাৰে নুমলীয়া পুতেকৰ নাম ৰাখিলে নাৰায়ণ। মাকৰ পেটমুচা ল'ৰা নাৰায়ণ বাপেক বুঢ়া ব্ৰাহ্মণৰ দেহলাও আছিল। তিৰোতা, ল'ৰা-ছোৱালী কেইটিক পুহিবলৈ অজামিলৰ পাপৰ মাত্ৰা চৰিবলৈ ধৰিলে। আগে যি এবিধ দুবিধ বেয়া কাম বাকী আছিল তাতো এতিয়া অজামিলে হাত দিলে।

পৰলোকত মৃত্যুৰাজ যমৰাজৰ বৰদেৱান চিত্ৰগুপ্তই পৃথিৱীৰ মানুহৰ পাপ পূণ্য লিখে। পুথিখনত অজামিলৰ পাপ মূৰৰ চুলিৰ দৰে গণিব নোৱাৰা হ'ল। কেইবাখিলাও পাত অজামিলৰ কুকীৰ্ত্তিৰেই ভৰি পৰিল। চাওঁতে চাওঁতে পৃথিৱীত অজামিৰ চাউল ঢুকাল। তেওঁক যথা সময়ত নৰকলৈ নিবলৈ চিত্ৰগুপ্তই বৰ বৰ তিনিজন যমদূত পঠিয়ালে । ৰৌ ৰৌ নৰকত অজামিলৰ কাৰণে ঠাই ৰাখিবলৈ যমৰজাই আদেশ দিলে। কিন্তু আচল কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। এটা অকনমান ঘটনাই সকলো আয়োজন ওলট-পালট কৰি দিলে। মৃত্যুয়ে টেঁটুত চেপা দি ধৰি আত্মা উলিয়াই বাহিৰ কৰি নিব ধৰোতেই যাতনাত তত নাপাই অজামিলে নুমলীয়া পুতেকক 'নাৰায়ণ' 'নাৰায়ণ' বুলি চিঞৰি কাষলৈ মাতিলে। ইফালে অজামিলৰ জীৱ লৈ দুৱাৰৰ চুকত খাপ লৈ থকা যমদূত তিনিটাই ব্ৰাহ্মণৰ জীৱটো বান্ধি ধৰি নিবলৈ যো-জা কৰিছে। সিহঁতৰ চেহেৰা কেইটি কি বিকট -

হাতে পাপ জৰি চক্ষু তেৰ কুৰি
স্থূলতৰ তাৰ জং।
কৃষ্ণবৰ্ণ কায় দেখি ধাতু যায়
হাতত লেহাৰ ডাং।।

কিন্তু কল্ধপ্ কল্ধপ্ কৈ থকা ব্ৰাহ্মণৰ মুখত নাৰায়ণ নাম ওলোৱা মাত্ৰকেই সেই ঠাইত চাৰিজন বিষ্ণুদূতৰ আবিৰ্ভাৱ হ'ল। তেওঁলোকৰ ৰূপ বৰ সুন্দৰ। সেই বিষ্ণুদূত কেইজনে কোন ভকতে নাৰায়ণ নাম লৈ মুকুতি লভিলে বুলি অজামিলৰ কাষলৈ লৰি গ'ল আৰু যমদূতে অজামিলৰ জীৱটো বান্ধিলোৱা ৰছীডাল চকুৰ আগতে কাটি পেলালে।

বিষ্ণুদূতৰ বিধ্বংসী ৰূপ দেখি যমদূতৰ বৰ ভয় লাগিল। সিহঁতে তেওঁলোক কোন আৰু কি কাৰণত সিহঁতৰ কামত বাধা দিলে তাক জানিব বিচাৰিলে। বিষ্ণুদূত কেইজনে হাঁহি হাঁহি উত্তৰ দিলে - "হেৰৌ যমৰ কিঙ্কৰ বিলাক, শুন পাপ পূণ্যৰ বিষয়ে তহঁতৰ নিচেই জ্ঞান নাই। এই অজামিল বিপ্ৰই মৰিবৰ সময়ত জগত গুৰু ঈশ্বৰ নাৰায়ণৰ নাম উচ্চাৰিছে। এইফেৰা পূণ্যৰ ফলতেই তেওঁৰ কোটি জনমৰ সকলো পাপ কটা গ'ল। হেৰৌ মূৰ্খহত তহঁতে মানে সন্মানে ততালিকে ইয়াৰ পৰা আতৰ হ'। নহলে কথা বেয়াৰ ফালে যাব।"

এই বুলি বিষ্ণুদূত কেইজনে অজামিলক সোণৰ ৰথত তুলি লৈ বৈকুণ্ঠৰ ফালে উৰি গুচি গ'ল। তেলিয়া সাৰেঙে চোচোতে মাজোতেই ফেচু ৰজা হ'ল। যমদূত কেইজন মুখ চেলেকি উলটি যাব লগা হ'ল। সিহঁতে বিষ্ণুদূতৰ এনে অনধিকাৰ বাধাত বৰ অপমাণ পালে। সিহঁতে পোনেই যমপুৰীৰ ফালে যাত্ৰা কৰি যম ৰজাৰ ওচৰ ওলাল আৰু কান্দি কাটি গোচৰ দিলে "যমৰাজ,

এনেকুৱা হলে আমি বেছিদিন সুখেৰে কটোৱা আশা নাই। আপোনাৰ আদেশ পালন কৰাৰ ফালেও মুদা মৰিব।”

যমে কলে - “পাতনিৰ আৱশ্যক নাই। আচল কথাটো ক’। ফেদেলি পুৰাণ শুনিবলৈ মোৰ আহৰি নাই।” যমদূত কেইজনে কলে,- “আপোনাৰ আদেশ শিৰত লৈ আমি গৈছিলো পৃথিবীলৈ, অজামিল বিপ্ৰৰ জীৱ আনিবলৈ।”

যমৰাজে কলে- “গৈছিলি ভাল হ’ল, পিচে আনিলিনে নাই?” যমদূতে উত্তৰ দিলে- “নোৱাৰিলো যমৰাজ। আপোনাৰ আদেশ পালন কৰিব নোৱাৰাৰ বাবে আমি দুখি:ত। মৰিবৰ সময়ত ব্ৰাহ্মণে প্ৰাণৰ মমতাত পুতেক নাৰায়ণক মাতিছিল। তাকে শুনিয়েই কেইজনমান বিষ্ণুদূতে আহি আমাৰ হাতৰ পৰা অজামিলক কাঢ়ি লৈ গ’ল। পুতেকৰ নামটো লৈয়েই মহাপাপী ব্ৰাহ্মণ তৰিব পাৰিলে আমাৰ চাউল আৰু অলপ দিনতে উঠি যাব যেন পাওঁ।”

যমৰাজে সকলো কথা শুনি হাঁহি কলে - “মোৰ কথা তোমালোকে মনোযোগেৰে শুনা- সৃষ্টিপতি নাৰায়নেই হৈছে এই জগতৰ গৰাকী। সেই জগত ঈশ্বৰ নাৰায়ণৰ আজ্ঞাকে শিৰত লৈ আমি এই আসনত বহিছো আৰু প্ৰাণীৰ পাপ পূণ্যৰ ফল নিৰূপণ কৰিছো। বিষ্ণুৰ কিঙ্কৰ দূত বিলাকে মাধৱৰ বেশেৰে ভুষিত হৈ হাতত চাৰি অস্ত্ৰ লৈ সদায় মোৰ নিচিনাকৈ বৈষ্ণৱক ৰক্ষা কৰি নিজৰ কৰ্তব্য পালন কৰি ফুৰে। ব্ৰহ্মা, হৰ, মনু, কপিল, শুক, ভীম, বলি, প্ৰহ্লাদ, নাৰদ, জনক আৰু মই এই বাৰজনৰ বাহিৰে আনে হৰি নামৰ গুপুত মহিমাৰ কথা নাজানে। জানি বা নাজানি ইচছাৰে বা অনিচ্ছাৰে হৰি নাম লৈ মুক্তিলাভ কৰিব পৰা যায়। মহাপাপী অজামিলৰ মুক্তিলাভ তহঁতে নিজ চকুৰে দেখিলি। হৰিনামৰ অতৰ্ক মহিমা।

এইদৰে যমৰাজে দূত কেইজনৰ আগত এবকলা বক্তৃতা দি হৰিনামৰ কীৰ্ত্তনৰ মহিমাৰ বিষয়ে পাত পাতকৈ বুজাই দিলে। এই কথা শুনি যমদূতকেইজনৰ মনৰ খু-দুৱনি গুচিল। সিহঁতে যমৰাজক সেৱা জনাই বিদায় ললে -

বিষ্ণুৰ নামৰ মহিমা শুনিয়া
গৃতগণ গৈলা লৰি।
হৰি ভকতি দেখিবা প্ৰতি
তাৰয় সিদিনা ধৰি।।

০০০০

# বিজ্ঞানীৰ ৰসাল কথা

আফজল হুছেইন
প্ৰবক্তা, গণিত বিভাগ

(এক)

এদিনাখনৰ কথা। ভীষণ ঠাণ্ডা পৰিছে। কিবা কাৰণত বিজ্ঞানী ছাৰ আইজাক নিউটনে খুউব পুৱাতেই বিছনা এৰিছে। গৰম কাপোৰ যথেষ্ট পিন্ধিছে। সেয়াও যেন যথেষ্ট হোৱা নাই। একো উৱাদিহ নেপাই তেওঁৰ লগুৱাজনক চোতালত এটি জুহালৰ ব্যৱস্থা কৰিব দিলে। আজ্ঞামতেই কাম। নিউটন জুহালৰ ওচৰত বহিল। লগুৱাজনে ঘৰৰ ভিতৰত কফি বনোৱাত ব্যস্ত। ইফালে জুই দাউ দাউকৈ জ্বলি উঠিল। জুইৰ তাপ সহ্য কৰিব নোৱাৰি চিঞৰি চিঞৰি তেওঁৰ লগুৱাজনক মাতিব ধৰিলে আৰু জুইকুৰা আঁতৰলৈ ঠেলি দিবলৈ কলে। চিঞৰ বাখৰ শুনি লগুৱাজন দৌৰি আহিল আৰু নিউটনৰ অৱস্থা দেখি কোনোমতে হাঁহি দমন কৰি নিউটনক কলে- “ছাৰ আপুনি অলপ জুহালৰ পৰা পিছুৱাই দিলেই তাপ কম লাগিব আৰু সমস্যাৰ সমাধান হ’ব।” তেতিয়া যেন সম্বিত ঘূৰাই পালে বিশ্ববৰেণ্য বিজ্ঞানী নিউটন, আৰু লাজ পাই লগে লগে জুহালৰ পৰা পিছুৱাই আহিল।



(দুই)

আজিৰ সমাজৰ শিক্ষিত মানুহ মাত্ৰেই এলবাৰ্ট আইনষ্টাইনৰ নাম নুশুনাকৈ থকা নাই। এইজনা মহান বিজ্ঞানীৰ আপেক্ষিকতাবাদৰ তত্বই বিজ্ঞান জগতৰ মানচিত্ৰকেই সলনি কৰি দিলে। সেয়ে তেওঁ আমাৰ ওচৰত অতি আদৰণীয়।

মহান বিজ্ঞানীজনক তেওঁৰ আবিষ্কৃত সেই তত্বৰ ওপৰত ভাষণ দিয়াৰ বাবে বহু বিজ্ঞানকেন্দ্ৰ, বিশ্ববিদ্যালয় আদিত মুখ্য বক্তা হিচাপে আমন্ত্ৰণ কৰি নিছিল। তেওঁ নিজে ব্যৱহাৰ কৰা গাড়ীৰ চালকজন সেইসুত্ৰে বিজ্ঞানীজনৰ লগত ঘণিষ্ঠ হৈ পৰিছিল। অৰ্থাৎ এলবাৰ্ট আইনষ্টাইনৰ প্ৰিয়বন্ধুৰ শাৰীৰ এজনত পৰিণত হৈছিল। গাড়ীচালকজনে বিজ্ঞানীজনৰ প্ৰতিটো ভাষণ শুনাৰ সৌভাগ্য ঘটিছিল আৰু ভাষণবোৰ খুউব মনোযোগেৰে শুনিছিল। এটা সময়ত বহুতো ভাষণ গাড়ীচালকজনৰ কণ্ঠস্থ হৈছিল। তেনে একোটা আমন্ত্ৰিত সভাত ভাষণ ৰখাৰ প্ৰৱল ইচ্ছা তেওঁৰ নিজৰো জাগ্ৰত হ’ল। যিহেতু গাড়ীচালকজন আইনষ্টাইনৰ নিকট বন্ধুত পৰিণত হৈছিল, সেয়েহে বিনাদ্বিধাই এদিন বিজ্ঞানীজনক তেওঁৰ মনৰ প্ৰৱল ইচ্ছাৰ কথা প্ৰকাশ কৰিলে। মহান বিজ্ঞানী জনে গাড়ীচালকজনৰ ইচ্ছাৰ প্ৰতি সন্মতি প্ৰদান কৰিলে।

আইনষ্টাইনে এবাৰ এখন বিশ্ববিদ্যালয়ৰ ছেমিনাৰ এখনত একোটা নিৰ্দ্দিষ্ট বিষয়ৰ ওপৰত ভাষণ দিয়াৰ নিমন্ত্ৰণী পত্ৰ পালে। লগে লগে চালকজনক কথাটো কলে আৰু নিৰ্দ্দিষ্ট বিষয়টো খৰচি মাৰি বক্তৃতা আকাৰে চালকজনক শুনাই দিলে।

নিৰ্দিষ্ট দিনা তেওঁলোক দুয়োজনে সভাস্থলীলৈ বুলি ৰাওনা হ’ল। চালকজনে গাড়ী চলাই লৈ গৈ থাকিল। আইনষ্টাইনে পিচৰ আসনত বহি থাকিল। সভাস্থলী গৈ পোৱাৰ আগে আগে আইনষ্টাইন গৈ চালকৰ আসন ললে আৰু চালকজন আইনষ্টাইনৰ ৰূপত পিচৰ আসনত বহিল। গাড়ী গৈ সভাস্থলী পালে। মানুহবোৰ দৌৰি গৈ গাড়ীৰ ওচৰ পালে আৰু ছদ্মবেশী বিজ্ঞানী জনক ফুলৰ মালা দি উষ্ণ আদৰ সম্ভাষণ জনাই নিৰ্দ্দিষ্ট কৰি থোৱা আসনত বহাই দিলে। আইনষ্টাইন পিছে পিছে গৈ দৰ্শকৰ আসন ললে।

ভাষণ আৰম্ভ হ’ল। ভাষণ যথেষ্ট সাৱলীল হ’ল। ভাষণত মুগ্ধ হৈ এজন দৰ্শকে ভাষণ দিয়া বিষয়টিৰ ওপৰত এটি বাখ্যা মূলক প্ৰশ্ন সুধিলে। ছদ্মবেশী বিজ্ঞানীজন এইবাৰ থত্‌মত্‌ খাই গ’ল যদিও তৎক্ষণাত উপস্থিত বুদ্ধি খটাই তেওঁ প্ৰশ্নকৰ্তা জনক কলে “এনে এটি সৰু প্ৰশ্নৰ উত্তৰ মোৰ গাড়ীচালক জনক সোধক, তেঁৱেই উত্তৰটো ধুনীয়াকৈ দিব পাৰিব”। মহামান্য বিজ্ঞানীজনে গাড়ীচালকজনৰ বুদ্ধিৰ শলাগ ললে।

(তিনি)

এলবাৰ্ট আইনষ্টাইনৰ বয়স তেতিয়া তেনেই কম। চাৰি /পাঁচ বছৰীয়া ভাতকেচুঁৱা। এদিনাখনৰ কথা, এলবাৰ্টৰ মাকে সন্ধিয়াৰ আগে আগে ল’ৰাটোক বিচাৰি হাবাথুৰি খাইছে। কতো বিচাৰি পোৱা নাই। তেতিয়া বেলি ডুবু ডুবু অৱস্থা। মূৰ্গী চৰাইৰ কট কট শব্দ মাকৰ কাণত পৰিল। লগে লগে মাকে গৈ গৰালৰ ওচৰ পালে। গৰালৰ ভিতৰত দেখা পোৱা আজৱ কাণ্ডই তেওঁক ভীষণ ভাৱে আচৰিত কৰি তুলিলে। উম দি থকা মূৰ্গীক খেদি এলবাৰ্ট নিজে বাহটোত বহি উম দি আছে। মাকে দৌৰি গৈ মৰমত পুত্ৰক কোলাত তুলি লব খোজোতেই পুত্ৰ পিছলি পৰি যাব লৈছিল। তেতিয়াহে মাকজনীয়ে গম পালে মূৰ্গীৰ কণী ইতিমধ্যে আধাসংখ্যক ভাঙি গৈছে। মাকে এলবাৰ্টক দাবি ধমকি দি মূৰ্গীৰ বাহত বহি থকাৰ কাৰণ সুধিলে। তেতিয়া সেই কণমানি লৰাটিয়ে স্পষ্টভাৱে উত্তৰ দিলে “মূৰ্গীয়ে উম দিলে যদি পোৱালি জগে, মই উম দিলে কিয় পোৱালি নজগিব”। মাকে ল’ৰাৰ উত্তৰ শুনি তবধ মানিলে।

০০০০

একাঙ্কীকা নাটক

# বিপন্ন সময়

ৰচনা ঃ আবুল হাছেম
স্নাতক ৩য় বৰ্ষ

(মঞ্চত নৱনীতাই চোতালখন ঝাৰু দি থাকিব,
তেনেতে মণিৰামৰ প্ৰৱেশ)

মণিৰাম ঃ (হাতত টেঙা বস্তু লৈ প্ৰৱেশ) মা, মা-

নৱনীতা ঃ বাবা মণিৰাম। ক'ত গৈছিলা? হাতখন চাওঁ, কি এইবোৰ! তোমাক বাৰে বাৰে কওঁ টেঙা বস্তু নাখাবা। গাত বেমাৰ লৈ গোটেই দিনটো ৰ'দত ঘূৰি ফুৰা। মোৰ কথাখিনি গাতে নালাগে। জ্বৰ বেছি হ'লে চাওঁ কোনে ঔষধ আনি দিয়ে।

(ৰাজীৱৰ মঞ্চত প্ৰৱেশ)

ৰাজীৱ ঃ হেৰ'! নবৌ, কি হৈছে তোমালোকৰ? বেমাৰী ল'ৰাজনৰ লগত সদায়ে কাউৰীৰ দৰে কা-কা কৰিয়ে থাকা যে?

নৱনীতা ঃ শুনা ৰাজীৱ, তাক ভাল চকুৰে চোৱা-চিতা কৰা মানুহ আছে জানো? দেউতাক ঢুকোৱাৰ পাছত সকলোৰে চকু তেওঁৰ ওপৰত। তেওঁ মৰিলেই মোক খেদি মাটিখিনি দখল কৰিব পাৰিব; সেই আশাৰে সকলোৱে বাট চাই আছে। মণিৰামক বাৰে বাৰে কওঁ ৰ'দত নুঘূৰিবা, টেঙা বস্তু নাখাবা। তেওঁ কিন্তু মোৰ কথাত কাণসাৰে নিদিয়ে।

ৰাজীৱ ঃ টেঙা বস্তু খালে কি হ'ব নবৌ?

নৱনীতা ঃ তুমি নাজানা নেকি, ৰাজীৱ? গাত জ্বৰ থাকিলে টেঙা বস্তু খাব নালাগে। টেঙা বস্তু খালে ঔষধে কাম নকৰা হয় আৰু বেমাৰ দিনক দিনে বেছিহে হ'ব।

মণিৰাম ঃ মা-মা, মোৰ বৰকৈ ভোক লাগিছে মা। মোক কিবা খাবলৈ দিয়ানা মা।

নৱনীতা ঃ ঘৰত নাই বুলি একো এটাই নাই; কি খাবলৈ দিওঁ তোমাক, বাবা।

ৰাজীৱ ঃ দোকানৰ পৰা কিবা আনাগৈ। বেমাৰী মানুহ এনেয়ে দুৰ্বল হয়। তাক আৰু লঘোণে থাকিবলৈ কিয় দিয়া?

নৱনীতা ঃ শুনা ৰাজীৱ; মই এজনী মাতৃ, পুত্ৰৰ কেতিয়াও অমঙ্গল নিবিচাৰোঁ। মণিৰাম, তুমি তোমাৰ খুৰাৰ লগত থাকা। মই দোকানৰ পৰা কিবা আনোগৈ। তুমি থাকা ৰাজীৱ।

মণিৰাম ঃ সোনকালে আহিবা মা।

নৱনীতা ঃ মই দেৰি নকৰোঁ বাপা! সোনকালে আহিম।

(নৱনীতাৰ বাহিৰলৈ প্ৰস্থান)

ৰাজীৱ ঃ মণিৰাম, য়েহ তোমাৰ মায়ে অলপ বেছি জনা হ'ল। মই সৰুৰেপৰা টেঙা বস্তু খাই ভাল পাওঁ। (পকেটৰ পৰা টেঙা বস্তু উলিয়াই খাবলৈ ধৰে)

মণিৰাম ঃ খুৰা তুমি কি খাই আছা? মোক অলপ দিয়ানা খুৰা।

ৰাজীৱ ঃ তোমাৰ মায়ে খাবলৈ মানা কৰিলে নহয়। তুমি কেনেকৈ খাবা?

মণিৰাম ঃ মা এতিয়া নাই নহয় খুৰা। দিয়ানা খুৰা।

ৰাজীৱ ঃ ৰ'বা, ৰ'বা দিছো, এ লোৱা সোনকালে খোৱা। তোমাৰ মায়ে দেখিলে গালি পাৰিব নহয়। (মণিৰামে খাই থাকিব)

মণিৰাম ঃ বৰ ভাল লাগিছে খুৰা। পিছলৈ মোক আৰু আনি দিবা।

ৰাজীৱ ঃ হ'ব। পিছলৈ আনি দিম। এতিয়া মনে মনে থাকা।

(মঞ্চত নৱনীতাৰ প্ৰৱেশ)

ৰাজীৱ ঃ নবৌ, সুদা হাতেৰে উভতি আহিলা যে?

নৱনীতা ঃ মোৰ দুখৰ কথা কি কম ৰাজীৱ। দুখীয়াৰ প্ৰতি কাৰো দয়া নাই। দোকানত আগৰ বাকী অলপ দিব আছে। সেই বাকীখিনি নামাৰিলে আৰু বাকী নিদিওঁ বুলি



ক'লে দোকানীয়ে।

মণিৰাম ঃ মা-মা মোৰ গাটো কঁপি আছে। মই থিয় হৈ থাকিব নোৱাৰিম মা। মোক বিছনাখন পাৰি দিয়া।

ৰাজীৱ ঃ নবৌ, তেওঁক খোৱাৰ ব্যৱস্থা কৰি দিয়া। সময়মতে খাব নোৱাৰিলে অৱস্থা বেয়াৰ পিনে ঢাল খাব। মোৰো হাতত টকা এটাও নাই। একেবাৰে খালী হৈ আছে। হাতত থাকিলে কিবা এটা কৰিলো হয়। মই যাওঁ মণিৰামৰ চিকিৎসাৰ বাবে কিবা উপায় উলিয়াওঁ। মই আহিছো দেই।

(ৰাজীৱৰ বাহিৰলৈ প্ৰস্থান)

নৱনীতা ঃ হে প্ৰভু! তুমিহে জানা। বোপাই গা ভাল লগা নাই যদি বিছনাখন পাৰি দিছো, বাহিৰতেই শুই থাকা। (লগে লগে নৱনীতাই বিছনাখন পাৰি দিব) আহা বোপাই আহা। আৰামত তুমি শুই থাকা। (মণিৰাম বিছনাত শুই থাকিব, ওচৰতে নৱনীতাই আঠুত মূৰ থৈ চিন্তা কৰি থাকিব)।

মণিৰাম ঃ মা-মা (বিছনাৰ পৰা উঠি) মোৰ বৰকৈ ভোক লাগিছে। মোক কিবা খাবলৈ দিয়া না।

নৱনীতা ঃ ঘৰত নাই বুলি খুদ-কণ এটাও নাই। তোমাক কি খাবলৈ দিওঁ মণিৰাম। তুমি শুই থাকা। মই বাহিৰৰ পৰা আহিছোঁ। তুমি থাকা মোৰ সোণাই। (আচলেৰে মুখখন মুচি দিব)।

মণিৰাম ঃ তুমি সোনকালে আহিবা মা।

নৱনীতা ঃ মই সোনকালে আহিম। তুমি বাহিৰলৈ নাযাবা। মই আহিছোঁ। (নৱনীতাৰ বাহিৰলৈ প্ৰস্থান)

মণিৰাম ঃ হে ভগৱান (হুমুনিয়াহ কাঢ়ি) কি কৰো। আজি যদি দেউতা থাকিল হয়, মা ঘৰে ঘৰে মগনীয়া হৈ ফুৰিব নালাগিল হয়। কৃষ্ণ ... কৃষ্ণ।

(মঞ্চত ৰাজীৱৰ প্ৰৱেশ)

ৰাজীৱ ঃ মণিৰাম। অকলেই দেখোন শুই আছা তুমি। তোমাৰ মা ক'ত গৈছে?

মণিৰাম ঃ মই ভোকত বৰ কষ্ট পাইছোঁ খুৰা। মায়ে খোৱাৰ বাবে কিবা আনিবলৈ গৈছে।

ৰাজীৱ ঃ মণিৰাম, তোমাৰ চিকিৎসাৰ বাবে টকা পোৱা নাই। মই মনত বৰ আঘাট পাইছোঁ। মোৰ হাতত টকা থাকিলে চিন্তাৰ কোনো কাৰণেই নাছিল।

মণিৰাম ঃ আমি দুখীয়া বুলি কোনেও টকা ধাৰে নিদিয়ে নহয় খুৰা।

ৰাজীৱ ঃ টকা ধাৰে দিয়া যুগ নহয় এইটো মণিৰাম। তোমাৰ মাৰাক কৈছিলো। ঘৰৰ ভেটিখিনি বিক্ৰী কৰি মণিৰামক চিকিৎসা কৰা। ল'ৰাজন ভাল হ'লে এদিন হলেও মাটি কিনিব পাৰিব।

মণিৰাম ঃ মাটিখিনি বিক্ৰী কৰিলে আমি ক'ত থাকিম খুৰা।

(মঞ্চত নৱনীতাৰ প্ৰৱেশ)

নৱনীতা ঃ তুমি কেতিয়া আহিলা, ৰাজীৱ?

ৰাজীৱ ঃ ১০-১৫ মিনিট মান হৈছে নবৌ।

নৱনীতা ঃ মণিৰাম, তোমাৰ বাবে এয়া চোৱা। কি আনিছোঁ। ধৰা বোপাই খোৱা। (খোৱা বস্তু আগুৱাই দিব)। তুমি খোৱা। মই পানী আনিছো।

(নৱনীতাই ভিতৰৰ পৰা পানী এগিলাচ আনি দিব)

মণিৰাম ঃ তুমিও খোৱা মা। তুমিও যোৱাকালিৰ পৰা একো নোখোৱাকৈ আছা।

নৱনীতা ঃ মই নাখাওঁ বোপাই। তুমিয়ে খোৱা। তুমি আৰোগ্য হলেই মই শান্তি পাম। নাজানো ভগৱানে তোমাক কি কৰে।

ৰাজীৱ ঃ মণিৰামক ভাল এজন ডাক্তৰক নেদেখুওৱা কেলেই?

নৱনীতা ঃ ভাল এজন ডাক্তৰক দেখুৱাম কেনেকৈ? হাতত যিখিনি টকা আছিল গাঁৱলীয়া ডাক্তৰক দি শেষ কৰিলোঁ। বিয়াত দেউতাকে দিয়া খাৰু যোৰও বিক্ৰি কৰি শেষ কৰিলো। কিন্তু .................

ৰাজীৱ ঃ আমাৰ বংশত ভেটি ৰাখিবলৈ একমাত্ৰ সন্তান মণিৰামেই। তেওঁ মৰি গলে আমাৰ বংশটো নিপাট হৈ যাব। লাগিলে ঘৰৰ ভেটি খিনি বিক্ৰি কৰি হলেও মণিৰামক চিকিৎসা কৰা নবৌ।

নৱনীতা ঃ তুমি যিখিনি কৈছা ভালেই কৈছা ৰাজীৱ, কিন্তু ...............

ৰাজীৱ ঃ কিন্তু, কিন্তু বুলি কলে হব জানো? যিকোনো উপায়ে মণিৰামক চিকিৎসা কৰাৰ ব্যৱস্থা কৰিব লাগিব। হাত সাৱটি বহি থাকিলে বেমাৰ ভাল নহয়, কিবা এটা বুদ্ধি কৰা। মই আহিলো নবৌ। মই আহিলো।

(ৰাজীৱৰ বাহিৰলৈ প্ৰস্থান)

নৱনীতা ঃ (হাত দুখন ওপৰলৈ তুলি কান্দি থাকিব) হে প্ৰভু! তুমি মোক ৰক্ষা কৰা প্ৰভু! মোৰ একমাত্ৰ সন্তান, মণিৰামক তুমি মুক্তি দিয়া প্ৰভু! তাক তুমি মুক্তি দিয়া। আমাক সহায় কৰিবলৈ তোমাৰ বাহিৰে আন কোনো নাই প্ৰভু।

মণিৰাম ঃ (লাহে লাহে বিছনাৰ পৰা উঠি আহি নৱনীতাৰ কান্ধত ধৰি) মা.....মা..... তুমি কান্দিছা কিয় মা। তুমি নাকান্দিবা। ভগৱানে মোক ভাল কৰিব। তুমি নাকান্দিবা মা। তুমি নাকান্দিবা।

নৱনীতা ঃ (চকুৰ পানী মচি মচি ......... পিছফালে ঘূৰি) বোপাই তুমি শুই থাকা। মই নন্দৰ ওচৰলৈ যাওঁ। যদি কিছু টকা আনিব পাৰো। তোমাক ........ তোমাক ভাল এজন ডাক্তৰৰ তালৈ লৈ যাম। তেতিয়া তুমি সোনকালে আৰোগ্য হবা।

মণিৰাম ঃ মা- মই অকলে থাকিব নোৱাৰিম মা। মোক লগত লৈ যোৱা মা।

নৱনীতা ঃ ৰ'দত বাহিৰলৈ যাব নোৱাৰিবা বাপা। তুমি ঘৰতে থাকা। মই আধা ঘন্টাৰ ভিতৰতে আহিম।

মণিৰাম ঃ নহয় মা ............। মইয়ো যাম। মোক লগত লৈ যোৱানা মা।

নৱনীতা ঃ ৰ'বা তেনেহলে। মূৰত এখন কাপোৰ দি লোৱা। (ঘৰৰ ভিতৰৰ পৰা গামোছা এখন আনি মূৰত দি দিব) ব'লা মণিৰাম সোনকালে আহিব লাগিব।

(নৱনীতা আৰু মণিৰামৰ বাহিৰলৈ প্ৰস্থান)

***********

(কিছু সময়ৰ পিছত......... মঞ্চত বলৰামৰ প্ৰৱেশ)

বলৰাম ঃ বোৱাৰী, ............ হেৰৌ বোৱাৰী। এহ্ .......... এক মিনিটৰ বাবেওঁ ঘৰত পোৱা টান। গিৰীয়েক নাইতো। গিৰীয়েক থকা হলে পালি হয, মজাটো। মানুহটো নোহোৱাত ওঠত লিপিষ্টিক সানি গোটেই দিনটো ঘূৰি ফুৰাহে কাম। হেঃ লাজ নথকা বোৱাৰী।

(বলৰামে মুখেৰে নিজে শুনাকৈ কিবা ভোৰ ভোৰাই থাকিব)

(মঞ্চত ৰাজীৱৰ প্ৰৱেশ)

ৰাজীৱ ঃ হেৰৌ বলৰাম। ব্ৰাহ্মণে শাস্ত্ৰ পঢ়াৰ দৰে কি বকি আছ ঐ। তই আকৌ নতুনকৈ ব্ৰাহ্মণ হলি নেকি?

বলৰাম ঃ হে .... হে .... (হাঁহি) ব্ৰাহ্মণ হবলৈ বৰ ইচ্ছা আছিল কিন্তু ............. ।

ৰাজীৱ ঃ কিন্তু, কিন্তু মানে কি?

বলৰাম ঃ (হাঁহি হাঁহি) শূদীৰৰ ঘৰত জন্ম লৈ ভুল কৰিলো নহয়।

ৰাজীৱ ঃ হব তোৰ লেক্‌চাৰ থৈ দে। ইয়ালৈ কিয় আহিলি বলৰাম?

বলৰাম ঃ (পেটত ধৰি কেকাই কেকাই) আৰু নকবা দেই। বহুদিন ধৰি 'ডিচেন্ট্ৰী'ত ভূগি আছো। মোবাইলৰ ৰিং টন্‌ৰ দৰে পেটত ভুটুং ভুটুং আৰু যে কিমান মিছ কল (পেটত ধৰি ভাগৰি পৰিব) বহুত ঔষধ খালো। কিন্তু, কিন্তু কোনো প্ৰকাৰেই আৰাম নহ'ল। বোৱাৰীয়ে ঔষধ দিয়া শুনি ইয়ালৈ আহিলো।

ৰাজীৱ ঃ আৰু কাম নাপালা, এই সময়ত আহিছা ঔষধ লবলৈ। সিহঁতৰ অৱস্থাই বৰ্ত্তমান টাইট।

বলৰাম ঃ টাইট মানে?

ৰাজীৱ ঃ টাইট মানে কওঁ শুনা। মণিৰামৰ বহুত দিন ধৰি বেমাৰ। টকাৰ অভাৱত চিকিৎসাই কৰিব পৰা নাই।

বলৰাম ঃ (পেটত ধৰি), এ ৰবা ......... ৰবা। মিছকল ওলালেই নহয়, (দৌৰি গৈ, ওচৰত থকা ঘটিটো লৈ বাহিৰলৈ যাব) এ কাপোৰ বেয়া হ'লেই দেখোন!

ৰাজীৱ ঃ (হাঁহি হাঁহি) সেই পথাৰলৈ যোৱা (হাতেৰে বাহিৰলৈ দেখুৱাই দিব) ই বৰ ডেঞ্জাৰ বেমাৰ হে। মান সন্মান একো নামানে।

(খন্তেক পিছত বলৰামৰ প্ৰৱেশ)

বলৰাম ঃ উঃ উঃ (পেটত ধৰি) বৰ আৰাম পালো দে।

ৰাজীৱ ঃ টেনছন ফ্ৰী হ'ল নে?

বলৰাম ঃ (হাঁহি হাঁহি) টেনছন ক্লিয়াৰ।

(মঞ্চত নৱনীতা আৰু মণিৰামৰ প্ৰৱেশ)

নৱনীতা ঃ তোমালোক কেতিয়া আহিলা বলৰাম?

বলৰাম ঃ আধাঘন্টা মান হৈছে। ল'ৰাজনৰ বেমাৰৰ কথা শুনি তাকেই খবৰ লবলৈ আহিলো। পিছে ......... ডাক্তৰক দেখুৱালানে?

নৱনীতা ঃ সুদা হাতখন লৈ ডাক্তৰৰ তালৈ যাওঁ কেনেকৈ? নন্দৰ ওচৰলৈ গৈছিলো, দুশ টকা আনিবলৈ। কিন্তু তেওঁ মোক ......... বিশ্বাস নকৰিলে।

নৱনীতা ঃ তোমালোক বহা ৰাজীৱ। মই বিছনাখন পাৰি দিওঁ।

(সিঁহতক বহিবলৈ দি বিছনাখন পাৰি দিব)

আহা বোপাই আহা।

ৰাজীৱ ঃ হেৰা বলৰাম। ল'ৰাজনৰ বেমাৰ দিনক দিনে বেয়াৰ ফালেহে গতি কৰিছে। টকাৰ অভাৱত একো কৰিব পৰা নাই। কিবা উপায় আছে যদি দিয়ানা- বলৰাম।

বলৰাম ঃ মই কিনো উপায় দিম ৰাজীৱ। সেই ৰহিম চাচাক কৈছিলা নেকি? তেওঁ এজন ভাল কবিৰাজ। বহুত বেমাৰী ঝাড়ী-ফুকি ভাল কৰিলে নহয়। প্ৰয়োজন হলে ঔষধ পাতিও দিয়ে। কিন্তু তেওঁৰ দাবী অলপ বেছি।

নৱনীতা ঃ দাবী বেছি হলে নো কি কৰিম? দুখীয়াৰ প্ৰতি কাৰো মায়া মমতা নাই নহয়!

ৰাজীৱ ঃ কিবা কৰি হলেও বুদ্ধি এটা কৰিব লাগিব নবৌ।

বলৰাম ঃ বেয়া নাপায় যদি মই এষাৰ কথা কওঁ।

ৰাজীৱ ঃ কোৱা বলৰাম। কোৱা।

বলৰাম ঃ মোৰ গৃহীনিয়ে শতকৰা হিচাবে টকা দিয়ে। মোক আকৌ সুদ খোৱা বুলি নাভাবিবা। সুদখোৱাটো মহাপাপ। ৰাজীৱ তুমি যদি কোৱা তোমাক দিব।

নৱনীতা ঃ মোক অলপ সহায় কৰি দিয়া ৰাজীৱ। (কান্দি থকা যেন লাগিব নৱনীতাক)

ৰাজীৱ ঃ হব। কান্দিব নালাগে। মই যিমান পাৰো চেষ্টা কৰিম। ব'লা বলৰাম। তেনেহ'লে সোনকালে যোৱাটো ভাল।

বলৰাম ঃ তুমি কোনো চিন্তা নকৰিবা বোৱাৰী। আমি তোমাক সহায় কৰি দিম। আমি আহিছো বোৱাৰী। আমি আহিছো।

নৱনীতা ঃ (কান্দি কান্দি কাপোৰৰ আঁচলখন দুই হাতেৰে ধৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিব) হে প্ৰভু। মণিৰামক আৰোগ্য কৰি দিয়া প্ৰভু। তোমাৰ অবিহনে এই জগতত কোনো নাই প্ৰভু। তুমি তাক ভাল কৰি দিয়া।

(মঞ্চত ৰাজীৱ আৰু বলৰামৰ প্ৰৱেশ)

ৰাজীৱ ঃ কান্দিছা কিয় নবৌ। নাকান্দিবা। কেৱল ধৈৰ্য্য ধৰি থাকা। দিনে নিশাই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা। (হাতত ধৰি) বহা নবৌ। এতিয়া চিন্তাৰ কোনো কাৰণ নাই। মই টকা আনিছো।

নৱনীতা ঃ টকা আনিছা? কিমান আনিছা?

ৰাজীৱ ঃ দুশ টকা আনিছো, নবৌ।

বলৰাম ঃ হাতত এতিয়া দুশ টকাই আছিল। সেই খিনিয়ে দি দিলে।

নৱনীতা ঃ মাহেকত কিমান টকা সুদ দিব লাগিব বলৰাম?

বলৰাম ঃ য়ে ........ য়ে সেইখিনি আকৌ কব লাগে নে। মানুহে শতকৰা মাহেকত ২০ টকাকৈ দিয়ে। তুমি বিপদত পৰিছা যেতিয়া শতকৰা ১৫ টকাকৈ দিবা। তোমাক সুদত দিয়া নাই নহয়। নিজৰ বুলি সহায়হে কৰিলোঁ। এষাৰ কথা কওঁ বেয়া পাবা নেকি বোৱাৰী?

নৱনীতা ঃ কিয় বেয়া পাম কোৱা।

বলৰাম ঃ তাৰ মানে, আজি কালি যুগটো বৰ বেয়া। আজি কিবা এটা খাই কালিয়ে না কৰিব। মই ভাবো আমাৰ সম্পৰ্ক যাতে চিৰ দিন ভালে থাকে তাকে কামনা কৰো।

ৰাজীৱ ঃ তুমি আচলতে কি কব খুজিছা? কথাখিনি নোকোৱা কেলেই?

বলৰাম ঃ তাৰ মানে। এই কাগজখিলাত এটা চহী কৰা। তুমি মৰি গলেও যাতে এই কাগজ খিলা প্ৰমাণ হৈ থাকে।

(কাগজ খিলা আগবঢ়াই দিব নৱনীতালৈ)

বলৰাম ঃ চহী নাজানা যদি টিপ এটাকে দিয়া। (নৱনীতাৰ হাতৰ বুঢ়া আঙুলিৰ টিপ চহী লব)। ইয়াতে দিয়া। হব। ধৰা টকাখিনি লোৱা। (পকেটৰ পৰা টকাখিনি উলিয়াই দিব) এই কাগজখিলা মোৰ তাতেই থাকিব। তোমাৰ তাত থলে বেয়া হৈ যাব পাৰে। এতিয়া আমি আহিছো বোৱাৰী। ব'লা ৰাজীৱ।

নৱনীতা ঃ ৰাজীৱ। তুমিও যাবা?

ৰাজীৱ ঃ হয় নবৌ। ঘৰত অলপ কাম আছে।

নৱনীতা ঃ বেয়া নাপাবা। যোৱা। (ৰাজীৱ আৰু বলৰামৰ বাহিৰলৈ প্ৰস্থান) হে ভগৱান (হুমুনিয়াহ কাঢ়ি), ৰাতিও হৈ আহিল। পুৱা যেনে তেনে কবিৰাজৰ তাত যাবই লাগিব। চাকিটো বা ক'ত থলো। (নৱনীতাই চাকি বিচাৰি জ্বলাই দিব) (কিছু সময় নিস্তব্ধ মঞ্চ)

মণিৰাম ঃ (টোপনিৰ পৰা উঠি চকু মোহাৰি) মা.... মা ..... ক'ত আছা তুমি। মা .....

নৱনীতা ঃ মই ইয়াতেই আছো। কি হৈছে কোৱা।

মণিৰাম ঃ মোৰ পিয়াঁহ লাগিছে মা। মোক পানী খাবলৈ দিয়া।

নৱনীতা ঃ ৰ'বা। ঠাণ্ডা পানী খাব নোৱাৰিবা নহয়। জুই জ্বলাবলৈ খৰি এডালো নাই। পানী গৰম কৰো কিহেৰে? ৰ'বা মই ৰমেনহঁতৰ ঘৰৰ পৰা পানী এগিলাচ গৰম কৰি আনি দিওঁ।

(পানী এগিলাচ লৈ বাহিৰলৈ প্ৰস্থান নৱনীতাৰ)

মণিৰাম ঃ (বিছনাত ছটফটাই থাকিব)

(মঞ্চত নৱনীতাৰ প্ৰৱেশ)

নৱনীতা ঃ আনিছো পানী বোপাই। উঠা (মণিৰামৰ মূৰত ধৰি বিছনাৰ পৰা উঠাব) উঠা বোপাই। পানী খোৱা।

মণিৰাম ঃ (পানী খাব) হব। আৰু নাখাওঁ মা। (ভাগৰি ভাগৰি) মা মোৰ বৰকৈ ভোক লাগিছে। মোক কিবা খাবলৈ দিয়ানা।

নৱনীতা ঃ (হুমুনিয়াহ কাঢ়ি) হে ভগৱান। এন্ধাৰ ৰাতি দোকানত যাম কেনেকৈ। তুমি শুই থাকা বোপাই। মই দোকানৰ পৰা আহো। নহ'লে গোটেই ৰাতি ভোকত থাকিবা কেনেকৈ। মই আহিছো বোপাই। (নৱনীতাৰ বাহিৰলৈ প্ৰস্থান)

(নিস্তব্ধ মঞ্চ)

*************

(কিছু সময়ৰ পিছত নৱনীতাৰ মঞ্চত প্ৰৱেশ)

নৱনীতা ঃ উঠা বোপাই। উঠা। তোমাৰ বাবে চোৰা বিস্কুট আনিছো। ধৰা তুমি খোৱা বোপাই। (মণিৰামে খাই থাকিব)

মণিৰাম ঃ পানী দিয়া মা।

নৱনীতা ঃ (হাতেৰে গিলাচ ধৰি পানী খুৱাব) খোৱা বোপাই পানী খোৱা।

মণিৰাম ঃ হৈছে আৰু নাখাওঁ।

নৱনীতা ঃ এতিয়া টোপনি যোৱা বোপাই। (দুয়োজনে চাকি ওচৰতে লৈ বিছনাত বাগৰ দিব)

(নিস্তব্ধ মঞ্চ)

***********

(কিছু সময়ৰ পিছত চৰাই চিৰিকতিৰ মাত। পুৱাৰ সূৰ্য্যৰ ৰশ্মি সিহঁতৰ ওপৰত পৰিব)

নৱনীতা ঃ (চকু মোহাৰি) কৃষ্ণ, কৃষ্ণ। বিছনাতে বেলি ওলাল। সোনকালে কবিৰাজৰ তাত যাব লাগিব। (মণিৰামক জোকাৰি দি মাতিব) মণিৰাম, মণিৰাম। এতিয়াও সাৰ পোৱা নাই। তেওঁ শুই থাকোতে যাতে ঘূৰি আহিব পাৰো। পুৱাই নগ'লে ঘৰত পোৱাটো টান হৈ পৰিব। মই যাওঁ। (নৱনীতাৰ বাহিৰলৈ প্ৰস্থান)

(কিছু সময়ৰ পাছত নৱনীতা কবিৰাজক লৈ মঞ্চত প্ৰৱেশ)

নৱনীতা ঃ এইটোৱে মোৰ ঘৰ। ইয়াতেই বহক কবিৰাজ দেউতা।

কবিৰাজ ঃ বেমাৰীৰ ঘৰত কবিৰাজক কেতিয়াওঁ বহিবলৈ নকব আৰু কোনো বস্তু খাবলৈ নিদিব।

নৱনীতা ঃ মোক ক্ষমা কৰিব কবিৰাজ দেউতা। মই এই বিষয়ে একো নাজানো নহয়।

কবিৰাজ ঃ (বহি) পিছে কি হৈছে কোৱাছোন?

নৱনীতা ঃ আজি ১৫/২০ দিন ধৰি ল'ৰাজনৰ খুব জ্বৰ। বহুত চিকিৎসা পাতি কৰালো। কিন্তু কোনো আৰাম নহ'ল। হাত ভৰি বোৰ লাহে লাহে চেঁচা হৈ পৰিল। শৰীৰৰ বৰণ লাহে লাহে ক'লা হ'ল।

কবিৰাজ ঃ এটা বাটিত পানী আৰু ভাল কেইডালমান ধূপ লগতে ১১ টকা আগলি কলপাতত আগবঢ়াই দিবা।

(নৱনীতাই ধূপ কিনিবলৈ বাহিৰলৈ প্ৰস্থান)

কবিৰাজ ঃ (পকেটৰ পৰা বিড়ি এটা উলিয়াই খাব) হে খোদা, তোমাৰেই খেলা, তুমি বাদশ্বাহক ফকিৰ বনাব পাৰা, ফকিৰক বাদশ্বাহ বনাব পাৰা। যি জন মানুহে দিনে দুবাৰকৈ কাপোৰ সলাই পিন্ধিছিল, আজি তাৰ ঘৰৰ এই



অৱস্থা!

(মঞ্চত নৱনীতাৰ প্ৰৱেশ)

নৱনীতা ঃ আনিছো কবিৰাজ দেউতা। (ধূপ কেইডাল আগবঢ়াই দিব।)

কবিৰাজ ঃ থোৱা। ইয়াতে থোৱা। এবাটি পানী আনাগৈ। (ঘৰৰ পৰা পানী এবাটি আনি দিব) সন্মুখতে বহা। (কবিৰাজে বেগৰ পৰা দিয়াশলাই উলিয়াই ধূপখিনি জ্বলাব)

(কবিৰাজে পানীখিনি ঝাৰি-ফুকি পৰীক্ষা কৰিব)

হে খোদা তুমিহে ৰক্ষা কৰ্ত্তা। তোমাৰ ওপৰতে গোটেই ভৰষা। তুমিহে যি কৰা।

নৱনীতা ঃ কি হৈছে কবিৰাজ দেউতা।

কবিৰাজ ঃ কেইদিনমান আগতেই কবিৰাজক ধৰিব লাগিছিল। কিন্তু তেওঁৰ ওপৰত কালিয়ে দৃষ্টি নিক্ষেপ কৰিছে। কালিৰ মূৰ্ত্তি নেদেখাকৈ তেওঁ পেচাব কৰিছিল। তেতিয়াৰ পৰাই তেওঁৰ এই অৱস্থা।

নৱনীতা ঃ এতিয়া কি কৰা যাব কবিৰাজ দেউতা?

কবিৰাজ ঃ চিন্তাৰ কোনো কাৰণ নাই। খৰচৰ পৰিমান অলপ বেছি হব পাৰে। বেমাৰ অৱশ্যে ভাল হ'ব।

নৱনীতা ঃ কিমান পৰিব কবিৰাজ দেউতা?

কবিৰাজ ঃ আঠ/ নশ মান পৰিব।

নৱনীতা ঃ আপুনি টকাৰ কোনো চিন্তা নকৰিব। আপুনি ঔষধ দি যাওঁক। মই লাহে লাহে টকা দিম। আজি দুশ মান টকা লৈ যাওঁক। বাকী টকাখিনি মই লাহে লাহে দি যাম।

কবিৰাজ ঃ মই ঔষধ বনাবলৈ লাগতিয়াল বস্তুখিনি কিনিব লাগিব। টকা নহলে মই ঔষধ দিব নোৱাৰিম। (বেগৰ পৰা ঔষধ উলিয়াই)। ধৰা। এইখিনি ঔষধ লোৱা। বাকীখিনি পিছত দি যাম। এইখিনি পুৱা আৰু এইখিনি গধূলি ভাত খোৱাৰ পিছত খুৱাবা। (মণিৰামক লৈ (কবিৰাজে ঝৰা-ফুকা কৰি দিব) ঔষধ আনা)........ (কবিৰাজে আনিবলৈ মোৰ তাত যাব নালাগে। এসপ্তাহৰ পিছত ময়ে আহি দি যাম। মই আহিলো।

নৱনীতা ঃ (হাতেৰে তুলি ঔষধ খিনি খুৱাব) মণিৰাম। বোপাই ঔষধ খিনি খোৱা।

মণিৰাম ঃ পানী দিয়া মা।

নৱনীতা ঃ (গিলাচেৰে পানী তুলি খুৱাব) ধৰা, পানী খোৱা। মণিৰাম তুমি বাহিৰলৈ নাযাবা। মই ৰমেনহঁতৰ ঘৰৰ পৰা আহি আছো। নহ'লে তুমি কি খাবা। (আচলেৰে মুখখন মচি দিব) থাকা বোপাই। তুমি থাকা। মই সোনকালেই আহিম। (নৱনীতাৰ বাহিৰলৈ প্ৰস্থান)

মণিৰাম ঃ (হুমুনিয়াহ কঢ়ি বিছনাত বাগৰ দিব) হে ৰাম। বৰ ভোক লাগিছে। মা নো কেতিয়া আহিব। (বিছনাৰ পৰা উঠি এখোজ আগুৱাই মাক অহালৈ বাট চাই থাকিব)

(কিছু সময়ৰ পিছত নৱনীতাৰ প্ৰৱেশ)

নৱনীত ঃ বোপাই ৰ'দত কি কৰি আছা? উঠা। (হাতেৰে ধৰি উঠাব) হে ভগৱান বেমাৰ দেখোন অলপো কমা নাই। দিনে দিনে তজবজীয়া ল'ৰাজন দেখোন ক্ষীন হৈ গৈছে। হে ৰাম! মই কি কৰো!

মণিৰাম ঃ মা। মই কেতিয়া ভাল হ'ম মা? তুমিও মোৰ বাবে বহুত কষ্ট কৰি আছা। নাজানো ভগৱানে মোক কেতিয়া ভাল কৰিব।

নৱনীতা ঃ ভগৱানে তোমাক সোনকালেই ভাল কৰিব বোপাই। তোমাৰ গাটো কঁপিছে। তুমি বিছনাত শুই থাকা। (হাতত ধৰি বিছনাত শুৱাই দিব) অভাৱ দেখিলে সকলো আপোনেই পৰ হৈ যায়। কবিৰাজে দিয়া ঔষধ খিনিও শেষ হ'ল। পিছত আহিম বুলি কৈ গুছি গ'ল আৰু কোনো খবৰেই নাই।

(হাতত ত্ৰিশূল এডাল লৈ নদীত স্নান কৰি ঋষিৰ প্ৰৱেশ)

ঋষি ঃ জয় বাবা ভোলানাথ। জয় জয় মহাদেৱ।

নৱনীতা ঃ (মুখত হাঁহিৰে) হে ভগৱান। তুমি যি কৰা মঙ্গলৰ বাবেই কৰা। আজি ভাগ্য বৰ ভাল। বেমাৰ হোৱাৰে পৰা প্ৰভুক দেখা নাই। ঘৰত কলচল একোৱেই নাই, কিহেৰে প্ৰভুক পূজা দিম। আজি খালি হাতেৰেই হব। (দৌৰি ঋষিৰ ভৰিত ধৰিব) মোক ক্ষমা কৰক প্ৰভু। মোক ক্ষমা কৰক।

ঋষি ঃ জয়, জয় ভোলানাথ (ঋষিয়ে নৱনীতাক এৰি যাবলৈ চেষ্টা কৰিব)

নৱনীতা ঃ (কান্দি কান্দি) মোক আশীৰ্বাদ কৰা প্ৰভু। মোক আশীৰ্বাদ কৰা।

ঋষি ঃ (পিছফালে ঘূৰি) কি হৈছে তোমাৰ? কান্দিছা কিয়??

নৱনীতা ঃ মোৰ একমাত্ৰ সন্তান মণিৰামৰ বহুত দিন ধৰি বেমাৰ। ডাক্তৰ কবিৰাজক বহুত টকা দিলো। কিন্তু, কিন্তু অলপো আৰাম নহ'ল।

ঋষি ঃ কন্দাৰ কোনো কাৰণ নাই। বিধিৰ বিধান কোনেওঁ খণ্ডাব নোৱাৰে। কপালত লিখা থাকিলে ভোগ কৰিবই লাগিব। ফল-মূল লৈ মন্দিৰত পূজা দিয়া। ভগৱানক প্ৰাৰ্থনা কৰা। তেতিয়া মণিৰামৰ মঙ্গল হ'ব। জয় জয় ভোলানাথ (ঋষিৰ বাহিৰলৈ প্ৰস্থান)

নৱনীতা ঃ (দুই হাত তুলি ভগৱানৰ ওচৰত কান্দি কান্দি মণিৰামৰ আৰোগ্য কামনা কৰিব) হে প্ৰভু। তুমি মণিৰামক ভাল কৰি দিয়া প্ৰভু। তুমি তাক সুস্থ কৰি দিয়া। বাবা মণিৰাম তুমি উঠা বোপাই। তুমি উঠা।

(মঞ্চত ৰাজীৱ আৰু বলৰামৰ প্ৰৱেশ)

ৰাজীৱ ঃ নবৌ। মণিৰামৰ বেমাৰ ভাল হৈছে নে নাই?

নৱনীতা ঃ নাই, ভাল হোৱা নাই। কবিৰাজেও বহুতো ঔষধ পাতি দিলে। জৰা-ফুকা কৰিলে কিন্তু আৰাম নহ'ল।

বলৰাম ঃ বোৱাৰী টকা লোৱা ৬ মাহ হ'লেই। সুতে মূলে বহুত টকা হৈছে। মোৰ বিশেষ এটা দৰকাৰ আছে। টকাখিনি আজি দিয়া।

নৱনীতা ঃ কোনো খবৰ বাতৰি নিদিয়াকৈ আহিলা। তৎক্ষণাত টকা ক'ৰ পৰা দিম?

ৰাজীৱ ঃ পোৱা বস্তু লবলৈ আহোতে খবৰ দিব লাগে নে? তুমি লৈছা যেতিয়া দিয়াৰ চিন্তাও তুমি কৰিব লাগিব। টকা দিব নোৱাৰা যদি কিবা এটা কৰা।

নৱনীতা ঃ কিবা কৰা মানে?

বলৰাম ঃ তুমিয়ে দেখোন কৈছিলা মাটি বিক্ৰি কৰি হ'লেও তোমাৰ ঋণ পৰিশোধ কৰিবা। গতিকে তুমি কোৱা মতেই তোমাৰ মাটিৰ মূল্য হৈ গৈছে। তুমি টিপ দিয়া কাগজ খিলাত মহৰীৰ পৰা লিখাই লৈছো। তুমি এতিয়া মাটিখিনি খালি কৰি দিয়া।

নৱনীতা ঃ মহৰীৰ পৰা লিখাই লৈছা? এতিয়া এই বেমাৰী ল'ৰাজনক লৈ ক'ত থাকিম?

বলৰাম ঃ ক'ত থাকিবা মানে? তোমাৰ চিন্তা তুমিয়ে কৰা।

নৱনীতা ঃ (কান্দি কান্দি) এই ল'ৰাজনৰ মুখৰ ফালে চাই কেইমাহ মান সময় দিয়া বলৰাম।

বলৰাম ঃ টকা দি মাটি লৈ বহি থাকিলে মোৰ একো লাভ নহয়। গতিকে, দুই এদিনৰ ভিতৰত মোক মাটিখিনি খালি কৰি দিয়া। মই আহিছো। ব'লা ৰাজীৱ।

(বলৰাম আৰু ৰাজীৱৰ বাহিৰলৈ প্ৰস্থান)

নৱনীতা ঃ (সিহঁতৰ ফালে আগবাঢ়ি) ৰাজীৱ, বলৰাম। তোমালোকৰ মায়া-মমতা নাইনে? বিপদৰ সুযোগ লৈ, ছলনা কৰি মোৰ পৰা মাটি খিনি লিখি ল'লা। তোমালোকক ভগৱানে ক্ষমা নকৰে। হে প্ৰভু মোক উপায় দিয়া প্ৰভু। মোক উপায় দিয়া।

(নৱনীতাই হুকহুকাই কান্দি থাকিব; মঞ্চত কৰুণ দৃশ্য)

০ সমাপ্ত ০


* যি হোৱাত আমাৰ সামৰ্থ্য আছে সেইটো হোৱাটোৱেই হ'ল জীৱনৰ একমাত্ৰ লক্ষ্য।

- স্পিন'ঝা



# কবিতাৰ শিতান

কবিতাৰ শিতান



# প্ৰতীক্ষা

ৰিংকুমনি ডেকা
স্নাতক প্ৰথম বাৰ্ষিক

সন্ধানৰ অপেক্ষাত মই,
আৰু মোৰ চাৰিবেৰ।
গোপনতাৰ আন্ধাৰ ফালি
ওলাই অহা ছবিবোৰে
আমনি কৰিছে নিশাৰ আন্ধাৰত।।

সাৰ পাই গ'ল অতীতৰ নিৰৱতা
বৰ্ত্তমান মোৰ সপোন।
ভৱিষ্যত মোৰ আশা।
এজাক কলংকিত ধুমুহাই
থান বান কৰি পেলালে মোৰ স্বপ্নৰ দাপোন।
কাৰোবাৰ সংকীৰ্ণ স্বাৰ্থলোভী নিৰ্লজ্জ মনোবৃত্তিৰে
ক্ষত বিক্ষত মোৰ দেহ মন।
এতিয়া মই মুক্ত প্ৰতীক্ষাৰত।
মোৰ হৃদয় দুৱাৰ খুলিছে
মুক্তিৰ অন্তত এতিয়া মই
অপেক্ষাত আছোহি ৰৈ
হে নবাগতা তোমাৰ বাবে
হিয়াৰ আকুল আহ্বানক
তুমি জানো নজনাবা সঁহাৰি।
এতিয়াই সময় আহা নবাগতা
হাতে হাত মিলাই যাঁও আগুৱাই।

য'ত আছে মাথো সৰলতা
নাই কোনো বাহ্যিক কৃত্ৰিমতা
নাই কোনো হিংসা বিদ্বেষ।
য'ত পাম কিছু সঁচা অনুভূতি।।

***




# তুমি

মিচ্ চানুৱাৰা বেগম
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

সৌ সিদিনা তুমি
আহিছিলা লৰি
চিৰন্তন ৰূপ ধৰি
আছিলা তুমি আত্মবিশ্বাসী
আঁতৰাইছিলা তুমি কু-সংস্কৃতি
ক'তো নাছিল স্বাৰ্থৰ স্মৃতি
জ্ঞান ভাণ্ডাৰ খুলি তুমি
মোক শুনাইছিলা
তোমাৰ মুখৰ বাণী
সৃষ্টি কৰিব খুজিছিলা তুমি
প্ৰেমৰ গভীৰতা বেৰি
নাছিল অইন কোনো অভিপ্ৰায়
আন্ধাৰ নেওচি তুমি
নিছিলা জয় কৰি
তোমাৰ প্ৰেমৰ শিখাৰ জ্যোতি
দিছিলা তুমি মোক
মধুৰ সুখ-সমৃদ্ধি
নিষ্ঠাৰে জীৱন গঢ়ি।

***





# দূৰ স্বৰ্গত

জিয়াউৰ ৰহমান
উঃ মাঃ প্ৰথম বাৰ্ষিক

জন্মিছো যেতিয়া, আমি মৰিম এদিন
পাহৰি যাম আমি পৃথিৱীখন সিদিনা।
অকলে থাকিমগৈ আমি ক'ৰবাত পৰি
আমাক নিদিয়ে কোনেও তাত অকণো সঁহাৰি।
কোনো আপোন আমাৰ নাথাকে কাষত,
কোনো বন্ধু নাথাকে তাত আমাৰ লগত।
তাতগৈ হৈ যাব সকলো একাকাৰ
নেচায় কোনেও কাকো
দেহা থাকিব আমাৰ মাটিত পৰি,
আত্মা থাকিব আমাৰ ওপৰত ঘুৰি-ফুৰি।
সেই জগতখন যে কিমান আঁচৰিত।
আগবাঢ়ি নাহিব কোনো তাত তোমাৰ সঁহাৰিত।
সঁহাৰি দিব তোমাক মাত্ৰ এজন অজানে,
এদিন সৃষ্টি কৰিছিল তোমাক যিজনে।
যদি বিচৰা তুমি সেই নিৰাকাৰৰ সঁহাৰি,
কৰিবা সৎ কাম তেওঁৰ নিৰ্দেশ অনুসৰি।
যি ভাল জানা তুমি আনক শিকাবা,
তেতিয়াহে মালিকৰ সঁহাৰি পাবা,
যদি কৰা ভাল কাম এই জগতত
ঠাই পাবা তুমি নিশ্চয় সেই দূৰ স্বৰ্গত।।

***

# ওলট-পালট

## (ব্যঙ্গ কবিতা)

মঃ ফজলুল কৰিম
স্নাতক দ্বিতীয় বাৰ্ষিক

ভাত, মাছ, মাংস খালে
দুৰ্বল হৈ যায়,
তিৰঙ্গা, শিখৰ খালে
দুগুণ শক্তি পায়।
জ্ঞান-বিজ্ঞানৰ কিতাপ পঢ়ি
লাভ একো নাই,
ৰঙীন ছবি টিভিত চালে
জ্ঞান বাঢ়ি যায়।
শিক্ষকৰ নীতি শিক্ষাত
উজুটিহে খায়,
দুষ্ট বন্ধুৰ দুষ্ট বুদ্ধিয়ে
জীৱন উজলায়।
এইবোৰ দেখি শুনি
এনে লাগি যায়,
হৰিণাই চেলেকে বাঘৰ গাল
আজিহে জানিলো ভাই!

***

# প্ৰেমৰ চোলা

মঃ নুৰ হুছেইন
স্নাতক প্ৰথম বৰ্ষ

ফাগুনকে সুধিবা
সৰাপাতৰ মৰ্ম কথা
তুমিয়ে আছিলা মাথো
মোৰ অতিকে আপোন বোলা
কিয় জানো গুচি গলা
মোৰ এই ভঙা হৃদয়ৰ পৰা
এতিয়া মাথো চোৱা
কাৰ হৃদয়ৰ জোখত
চিলাই ৰাখিছো
মোৰ প্ৰেমৰ চোলা


***

## হৃদয়ৰ শব্দ

মঃ মতিউৰ ৰহমান
স্নাতক প্ৰথম বাৰ্ষিক

কালি ৰাতি মকৰা জালখন মুখত লাগোতেই
কথাষাৰ মনত পৰিল, ঠিক প্ৰেমৰ দৰেই ই
যেনেকৈ বান্ধোন চিঙি আঁতৰি যোৱাৰ পাছতো
বুকুত লিপিট খাই লাগি থাকে
আপোনজনৰ প্ৰেম!
তুমি আহিবা বুলি ওৰেটো আঁউসীৰ নিশা
উজাগৰে কটালো, এতিয়া প্ৰতিটো প্ৰভাতত
প্ৰতিটো নিশাই কাঢ়ি নিছে একোটা সেউজীয়া সপোন
একোটা তগমগীয়া যৌৱন, সৌৱা চোৱা তোমালোকৰ
দুয়োকাষে থকা প্ৰেমৰ নদীবোৰৰ তেজাল ঢৌ!
মাত্ৰ কেইটামান দিনতে মই
বহুত কিবা কিবি হেৰুৱাইছো
সেই সকলোবোৰেই হয়তো
মোৰ নিজৰ নাছিল!
জুই, তই আৰু কিমান দহিবি
এদিন নিশ্চয় আত্ম সমৰ্পন কৰিবি
তই তোৰ মৃত্যুৰ ওচৰত যিদিনা মই
দহি দহি এঙাৰ হৈ যাম!
আঃ কেনেকৈ যে বিহ ঢালিলা সেইখন চামুচেৰে
যিখন চামুচেৰে তুমি অমৃত ঢালিছিলা
মোৰ প্ৰেমৰ পিয়লাত!
এটি মিঠা চুমাৰ দৰেই ফুলি থাকে
গোলাপৰ ফুলবোৰ,
পাহিবোৰত গাভৰু গালৰ আবেদন
পাতবোৰে ঢাকি ৰাখে গছজোপাৰ কাঁইটবোৰ!
তোৰ তপত চকুলোৰে কেৱল
তোৰ হৃদয় হে গলাব পাৰে
সেই শিলবোৰ নহয়!

***



## শোকৰ ছাঁ

মঃ জাহিদুল ইছলাম
স্নাতক প্ৰথম বাৰ্ষিক

মোৰ জীৱনৰ আদিৰে পৰা
শোকৰ ছাঁৰ তলত বাস।
ৰাতিৰ পিছত দিনৰ আগমন
দুখৰ পিছত নাহে সুখৰ খবৰ।
দিনে নিশাই মোৰ চকুৰে বৈ যায়
টোপালে টোপালে লুইতৰ মনি।
মোৰ জীৱনৰ আদিৰে পৰা
শোকৰ ছাঁৰ তলত বাস।
মোৰ চকুৰ সন্মুখেদি বৈ যায় সুখৰ সাগৰ
মাথো মই শুনো নিষ্ঠুৰ দুখৰ খবৰ।
উজাগৰী এই অন্ধকাৰাচ্ছন্ন ৰাতি
মাথো মই বিচাৰো তোমাৰ পোহৰৰ বাতি।
মোৰ জীৱনৰ আদিৰে পৰা
শোকৰ ছাঁৰ তলত বাস।
মোৰ জীৱনৰ সোণালী সপোন
ভাঙি গ'ল মোৰ হৃদয়ৰ দাপোন।
মোৰ নয়ন ভৰি
দুখ আহে নিগৰি।
মোৰ জীৱনৰ আদিৰে পৰা
শোকৰ ছাঁৰ তলত বাস।
মূৰত মোৰ জুইৰ চৰু
সদায়ে ভাবো মই মৰো।
হে প্ৰভু! বিচাৰো মই অনন্ত সুখ
নিবিচাৰো মই অসহনীয় দুখ।

***



## এমুঠি কবিতা

মিচ আচমিনাৰা বেগম
স্নাতক প্ৰথম বাৰ্ষিক

উকা সপোনক ৰঙীন কৰিবলৈ মন
ৰামধেনুৰ ৰঙেৰে নে ফুলৰ ৰঙেৰে?
সপোন বোলাও কিহৰ ৰঙেৰে?
ৰঙৰ সন্ধানত বিচৰণ কৰিছো
আশাৰ কাৰেঙত; অনুভূতিৰ পদুলিত
আৰু বিচাৰিছো জোনাকৰ কোলাত।

মন আছে এখন মৰমৰ ঘৰ সাজিবলৈ
থাকিব য'ত মৰম আৰু মৰম
দূৰ সেউজ শান্ত পাহাৰৰ সুঁতিত
কুলু-কুলু কৈ বৈ অহা নৈৰ পাৰত
চোতালত থাকিব চেনেহৰ ফুলজোপা
বৈ আহিব সুবাস প্ৰেমৰ মলয়া।

কিমান যে আশা কিমান যে সপোন
কেতিয়াবা ৰঙীন পখিলা,
আৰু কেতিয়াবা নীলিম সাগৰ।
এজাক অকৃত্ৰিম মায়াবী জোনাকে
ৰাতিৰ এন্ধাৰ জীপাল কৰি তোলে।
ৰঙীন পখিলাৰ পাখী, নীলিম সাগৰৰ পানী
সকলোবোৰ যেন হিয়াৰ মনি।

***



## হেৰাই যাম

আব্দুল মোন্নাফ
স্নাতক দ্বিতীয় বাৰ্ষিক

হেৰাই যাম
এটা বাঁহীৰ মাজত
বৈ বৈ বাজি আছে দুৰণিত যি।
হেৰাই যাম
মৃত্যুৰ আৰ্তনাদত
লাহে লাহে বিলীন হৈ
গৈছে যি বতাহত।
হেৰাই যাম
খেতিয়কৰ চকু পানীত
খৰাং বতৰ, বানপানীয়ে
কৰি আছে জুৰুলা
হেৰাই যাম
ঘৰৰ পৰা ওলাই যোৱা
সন্তান সকলৰ মৃত্যুত
যাৰ আছিল ৰঙীন ভৱিষ্যত।
হেৰাই যাম
দুখীয়াৰ দুখ দেখি
ধনীৰ সুখত নহয়।

***

## আশা

মঃ মইনুল হক
স্নাতক প্ৰথম বাৰ্ষিক

মনৰ মাজত বহুতো আশা
ৰাখিছো গোপনে
কেনেকৈ পূৰ্ণ হব
ভাবো মনে মনে।
কেতিয়াবা ভাবো লেখক হম
কেতিয়াবা ভাবো কবি,
কেতিয়াবা ভাবো পৃথিৱী জুৰি
থাকিব মোৰ ছবি।
ইচ্ছা আছে মনত মোৰ
কৰিম শিক্ষকতা
কৰিম দূৰ
দেশৰ নিৰক্ষতা।
বহুত ৰঙীণ আশা লৈ
জীয়াই আছো মই
কোনটো যে পূৰ্ণ হব
কওঁ কেনেকৈ?


***

# দুৰ্ভগীয়া যাত্ৰী

ছৈয়দ আলী আহমেদ
স্নাতক দ্বিতীয় বাৰ্ষিক

নাওখন মেলি দিলো
যাওঁ বুলি ভাটি দিশলৈ
মোৰ জীৱনৰ গভীৰ সাগৰত
এটি মাত্ৰ সুঁতি
মই এজন দুৰ্ভগীয়া যাত্ৰী।
হে বিশ্বজননী, তুমি নিৰবধি
পাৰ কৰা মোক
কৰিছো মিনতি।
তুমিয়েই জগত জননী।
আশাৰ নৈবোৰ নিৰাশাত
শুকাই গ'ল
জীৱনৰ বাট মোৰ
মৰীচিকা হৈ ৰ'ল
খোজে প্ৰতি খাইছো উজুটি
মই এজন দুৰ্ভগীয়া যাত্ৰী।

***



# প্ৰাচীৰ

মিছ মেৰিনা খাতুন
স্নাতক প্ৰথম বাৰ্ষিক

মোৰ নিচেই কাষত তুমি
কিন্তু তথাপিও বহুত দূৰৈত।
মাজত এখন বিশাল প্ৰাচীৰ
সীমা ৰেখা টানি।
তোমাৰ চকুত সীমাহিন বেদনাৰ উল্কা
হৃদয়ত আগ্নেয়গিৰীৰ বিস্ফোৰণ
প্ৰতিটো নিশাহত তোমাৰ
বিচ্ছেদ্দৰ দাৰুণ হাহাকাৰ
মই যে নিৰুপায়।
মোৰ বিবেকৰ আঘাতত
মই নিজেই আজি সোমাই পৰিছো
অতল গহ্বৰত।
মোৰ কান্দিবৰ মন যায়
তথাপিও যে নোৱাৰো কান্দিবলৈ
চকু পানীবোৰ গোট মাৰি
শিল হৈ গৈছে কাহানিবাই।

০০০

# মোৰ অনুভূতিত প্ৰেম

ৰিপন সাহা
স্নাতক দ্বিতীয় বাৰ্ষিক

মোৰ অনুভূতিত
প্ৰেম এজোপা গছ
ই ভাল পোৱাৰ মাটিত,
হেঁপাহেৰে শিপাই গৈ থাকে
গভীৰৰ পৰা গভীৰতৰলৈ।
প্ৰেম এখনি নৈ
ই ভালপোৱাৰ সাগৰত,
বেগেৰে থাকে বৈ
বাৰিষাৰ কোবাল বানৰ নিচিনাকৈ
প্ৰেম এপাহি ফুল
ই ভাল পোৱাৰ গছত,
আমন জিমনকৈ ফুলে
জীৱনৰ শৰৎ আনিবলৈ।
প্ৰেম হ'ল চন্দ্ৰ, সূৰ্য
ই সমগ্ৰ প্ৰকৃতিৰ কোলাত,
অমৰ আৰু শক্তিমান।।

***



# প্ৰাণৰ প্ৰেয়সীলৈ

মিছ মমতাজ বেগম
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

নিজান বনৰ বীৰংগনা মইনা চৰাই
অকলেই উৰিব বিচৰানে পাখি মেলাই।।
পাখী বিহীন সৃষ্টি মই ঘুৰো অনাই-বনাই
লবানে লগতে মোক তোমাৰ কাষলৈ উৰাই।।
দিবানে আশ্ৰয় মোক অৰস্থালৈ চাই
বনৰ বিহগী মইয়ো হ'ব যে বিচাৰো সদায়।।
হাজাৰ ফুলৰ মাজত তুমি থাকা উজলি
উলিয়াব পাৰো মই যদিও থাকা মিহলি।।
তোমাৰ মৌ বিচাৰে ভোমোৰাই নিতৌ বিয়লি।।
তথাপিতো তোমাৰ কাইটে বাধা দিয়ে গধুলি
তোমালৈ কটুদৃষ্টিৰে চাই সকলো শেৰালি।।
অজলা মইনা মোৰ মনিমুগ্ধ প্ৰাণ
তোমাৰ অবিহনে এইখন সংসাৰ মোৰ থান-বান।।
হৃদয়ত শিহঁৰণ উঠে আহে প্ৰবল বান
মহাকাশৰ বুকুত উৰি-উৰি গোৱা মধুৰ গান।।
তোমাৰ লগত উৰিবলৈ চেষ্টা কৰো আপ্ৰাণ
তথাপিতো নাপাওঁ কোনো সমাধান।
জৰাজীৰ্ণ এই অন্তৰত জাগে তোমাৰেই ছবি
চকু মেলি দেখো সদায় এটাই অনন্ত ৰবি।।
মসৃণ সোঁতেৰে বৈ আছে ধৈৰ্যশীল জাহ্নৱী
কুলু-কুলু প্ৰতিধ্বনিয়েই যেন শেষ আজনবী।।
কালৰ বুকুত জাহ যাব সেই অধাৰ জাহ্নৱী
কাব্যিক ৰূপ দিবলৈ অপাৰগ, মই পাগল কবি।।
প্ৰেৰণাৰ উৎস তুমি প্ৰাণ যে মোৰ
সদায় ৰাখিবা মনত সময় বৰ নিষ্ঠুৰ।।
এইখন সংসাৰত আমিয়েই এযোৰ
বান্ধিছো শিকলি কঠিন লোৰ।।

***



# প্ৰিয়জনলৈ নতুন বছৰৰ উপহাৰ


মঃ নজৰুল হক
উঃ মাঃ ১ম বাৰ্ষিক (কলা)

আজি কালি ফুল ভালপোৱা মানুহ কমিছে
মই তোমাক দিলে এপাহ সেউজীয়া ফুল
তুমি বুকুত গুজি ল'বা
সময়ৰ ন-উন্মাদনাত তুমি বাউলী নহবা
বালিলৈ গৈ তুমি কি পাবা
ছন্দ হেৰোৱা জীৱনৰ সুৰ
নৈয়ে বাট বিচৰা দিনৰ যন্ত্ৰনা
এতিয়া শীৰ্ণ নদীৰ বুকুত
ৰং চঙীয়া বটৰ মেলা
হাতত বাইন'কুলাৰ লৈ
ধুলিৰে ধূসৰ হোৱা জীৱনবোৰ
মন দাপোনত জানো লিপিবদ্ধ কৰিব পাৰিবা
নতুন বছৰত তোমালৈ মোৰ এটাই অনুৰোধ
নতুন অনুভৱেৰে কঁপাই তোলা
মানুহৰ পৃথিৱী, মানুহৰ চুবুৰী
প্ৰয়োজন সাপেক্ষে মোৰ হৃদয়খন উইল কৰি
দিম তোমাৰ নামত।

***

# যি চিঠি আজিও লিখা নহ'ল

আৰজেন আলী মজুমদাৰ
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)




বহুদিন হ'ল নদীৰ বুকুত
ফুলা নাই প্ৰিয়ফুল
অহা নাই প্ৰিয়জনৰ চিঠি
কবিতা অথবা ভালপোৱা শব্দৰ জলতৰংগ
কি উপমাৰে তোমালৈ চিঠি লিখিম
কোৱা অনুসূয়া
কেৱল হৃদয়ৰ তেজেৰে লিখিব পাৰি
জীৱনক ভালপোৱা ঠিকনা হেৰোৱা
প্ৰিয়জনৰ ঠিকনা।
মনত আছেনে তাহানিৰ
শিমলুফুলীয়া আবেলি পৰত
অচিনাকি হৈ চিনাকি হোৱা
সেউজীয়া সম্পৰ্ক
ৰঙা নীলা সেউজীয়া এই আকাশ
শব্দ সিঁচি দিছিলা মোৰ বুকুত
জোনাক হৈ তৰা হৈ ফুলিছিল
বিশ্বাসৰ বাগিছাত তোমাৰে মোৰে
একেটি হৃদয়ৰ দুটি হাত
সুখ দুখৰ একেটি ফাল;
তোমালৈ মনত পৰিলেই এখন দলং
সাজিব পাৰো হাড়ৰ টুকুৰাৰে
ইপাৰ-সিপাৰ জীৱনৰ দুয়ো পাৰে।
ভালপোৱা সহজ সংজ্ঞা
চকুৰে চোৱা আৰু প্ৰেমৰ চাৱনি হেনো সুকীয়া
ভালপোৱাৰ চকুযুৰি হেনো
হৃদয়ৰ এফাল।
***

# মনৰ শান্তি

মঃ ছাহজাহান আলী
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

তাহানিত বন্ধু এজনে কৈছিল
দুখীয়াৰ হেনো প্ৰেম নাই
উচপ খাই উঠিছিলো
কাৰণ ময়ো ধনীৰ শাৰীত পৰা নাই।
দুখীয়াক দুৱাৰত দেখিলে
প্ৰেম হেনো খিড়িকীৰে পলায়।
কাৰণ প্ৰেমৰ প্ৰতিদান দিবলৈ দুখীয়াৰ সামৰ্থ যে নাই.....
দুখীয়াক বেদনা দি প্ৰেমে ভাল পায়
কাৰণ দুখীয়াৰ হেনো হৃদয় নাই
ঠেুনুকা হৃদয়ত বেদনা বঢ়ায়
দুখীয়াৰ জানো মানৱতা নাই?
এতিয়া পিছে কি কৰোঁ
জীয়াই থাকো কি দৰে?
বুকুত আশালৈ ভৱিষ্যতলৈ বাট চাওঁ
তাতে যদি আচল প্ৰেমৰ সন্ধান পাওঁ
জানোছা পোৱা যায় এধানি শান্তি!!
***





# জীৱনৰ বাটত

মিছ খাদিজা ইয়াছমিন
স্নাতক তৃতীয় বাৰ্ষিক

আগবাঢ়ি যোৱা আজি
জীৱনৰ বাটত
ভোগ-বাসনাৰ নহয় জীৱন
জীৱন যুঁজৰ ঠাই
বীৰৰ নিচিনা যুঁজিব লাগিব
সাহসেৰে যোৱা আগুৱাই।
পিছলৈ নাচাবা থমকি নৰ'বা
মাথো আগবাঢ়ি যোৱা
যদিহে বিজয় লভিব খুজিছা
তেন্তে যুঁজত নামা।
দুখ বিপদত নহবা অধীৰ
নহবা সুখৰ দাস
কল্পনাৰ আশাই যে জীৱনৰ সাৰ
এই আশাৰ সৈতে এদিন যাম মাৰ।
***

# মানুহে মানুহৰ বাবে

মঃ ৰুহুল আমিন
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

আজি কেউপিনে বিয়পিছে মাথোন
মানুহ পোৰাৰ গোন্ধ।
কেউপিনে প্ৰতিধ্বনিত,
মানুহৰ হিয়াভগা কান্দোন।
চৌদিশে দেখিছো তেজৰ ডোঙা,
মানুহৰ মাংস মানুহে বোটলা
আজি কেউপিনে নিমাও মাও
মানুহৰ মন কলুষিত।
হেৰাই গৈছে গুণ, মানৱৰ মানৱতা,
হৃদয়ৰ পবিত্ৰতা।
মানৱ আজি শত্ৰু মানৱৰ,
নাই আজি নৃত্য দানৱৰ।
মানৱেই নাচিছে আজি তাণ্ডৱ নৃত্য
মানৱৰ মূৰৰ ওপৰত।
চৌদিশে বিয়পিছে
হত্যা, লুণ্ঠন, ধৰ্ষন।
মানৱ আজি হ'ল দানৱ
হৃদয়ত ঠাই পালে একোটা দস্যুৱে
মানৱক হত্যা কৰে,
নিৰ্বিঘ্ন চিত্তেৰে।
মানুহৰ লক্ষ্য মাথো অৰ্থ সংগ্ৰহৰ
নাই লক্ষ্য জ্ঞান অন্বেষণৰ।
হায়! কেউপিনে কল্লোল শুনো
অশ্লীল শব্দৰ।
নিশাৰ আন্ধাৰ নাশি, পোহৰ বিলোৱা
সুৰুযলৈ বেছিপৰ বাট চাব নালাগে,
হিংসাৰ পথেৰে শান্তি নাহে,
সেয়েহে মনত ৰাখিব লাগে মানুহে মানুহৰ বাবে।
***

# তোমাৰ নাম 'বাপুজী'

সোচনামণিআৰা আহমেদ
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

কি যে মহান তুমি মহাত্মা গান্ধী,
তোমাক কৰিছো শত প্ৰণাম।
"জীৱন্ত কবিতা তুমি মহাত্মা!
তুমি এৰি যোৱা স্বাধীনতা সংগ্ৰামী পথেৰে
আমি আহিছো ওলাই
আকৌ আহা তুমি আমাৰ মাজলৈ
এটি ৰঙা সুৰুয হৈ।
আমি আহিছো ওলাই
দুৰ্নীতি, শোষণৰ দানৱ বধিবলৈ।
ভাৰত আকাশৰ তুমি ভোটা তৰা
ভাৰতবাসীৰ আশাৰ প্ৰদীপ, হিয়াৰ আঁমঠু
জগাই তুলিলা তুমি জনগণক।।
কি যে মহান তুমি
গুণৰ বলতে ভাৰতীয় জাতিয়ে দিলে
নাম তোমাৰ 'বাপুজী'
সত্য, অহিংসা, স্বাধীনতা আৰু মানৱ প্ৰেমৰ
প্ৰতিমুৰ্ত্তি তুমিয়েই মহাত্মা।
দেশৰ হকে প্ৰাণ আহুতি দি গ'লা
তুমি মৰিও অমৰ মহাত্মা।
সু-উচ্চ হিমালয়ৰ দৰে স্থিত প্ৰজ্ঞা তুমি
মহাবাহু ব্ৰহ্মপুত্ৰৰ দৰে বিশাল তুমি।।
"তুমি আজি ভাৰতৰ মৰ্ম্মবাণী শত
শতাব্দীৰ ......................।।"
তোমাক কৰিছো শত প্ৰণাম।
স্মৰণীয় হৈ ৰ'লা, বৰেণ্য হৈ ৰ'লা
কি যে মহান তুমি মহাত্মা!!

***



# অনুভৱ

মফিদুল ইছলাম
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

জীৱনৰ কাইটীয়া বাটত আগুৱাই যাবলৈ
পাইছো মাথো তোমাৰেই সহযোগ।
তোমাক কাষত পাই পাইছো মই
জীৱনত সুখৰ ওপৰি সুখ।।
জীৱনৰ ওখোৰা মোখোৰা বাটত খোজদি
আগবাঢ়িছো মই বাগৰি বাগৰি।
তুমি যাবা আঁতৰি বুলি ভাবিলেই
দুগালেৰে প্ৰেমাশ্ৰু আহে নিগৰি।।
ভাৱনাত জীৱনটো যেন নিদ্ৰাহীন স্বপ্ন
তুমিয়েই তাত থাকা উমলি।
জীৱনৰ শেষ নিশ্বাসত পামনে তোমাক
তাকে ভাবি লাগে খেলিমেলি।।
তোমাৰ অনুভূতিয়ে ৰচিছে মোৰ মনত
কিমান যে আশাৰ সপোন।
যুগে যুগে থাকা যেন তুমি
হে মোৰ বুকুৰ আপোন।।

***





# অতীতৰ অসম

দীপশিখা কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

অতীততে পঢ়িছিলো ইতিহাসৰ অতীত পাতত
সুখ-শান্তি বিৰাজ কৰিছিল এই অসমত
মৰম-চেনেহ, প্ৰেম-প্ৰীতি আদিৰে ভৰা
মানুহৰ সম্বন্ধও এৰাব নোৱাৰা
অতীতৰ অসমীয়াই চিঞৰি কয়,
প্ৰাণ বলি দিও আনিম অসমৰ জয়
'৪২ৰ আন্দোলনত কনকলতাই
দেশৰ স্বাধীনতা উদ্ধাৰি আনিবলৈ
বুকুত সাহস বান্ধি গ'ল আগুৱাই
প্ৰাণ বলি দিলে তাই।
নাই আজি অসমত অতীতৰ শান্তি বিৰাজমান
হিংসা-বিদ্বেষ কপট ভাব জগাই তুলিছে
মাথো চলিছে দুৰ্নীতি, শোষণ, নিষ্পেষণ
তেন্তে,
আহা সবে মিলি যাওঁ আগুৱাই
দুৰ্নীতিমুক্ত অসমক আনো উদ্ধাৰি
জননী জন্মভূমি অসমী আই
আশীষ
দিয়া আমাক যাওঁ আগুৱাই।

***

# তুমি আছা বাবেইতো

মঃ ৰফিকুল ইছলাম
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

তুমি আছা
সেয়ে ময়ো আছো;
মোৰ হৃদয়ৰ কোনোবা কোনত;
তোমাক বহুত আলফুলে সাঁচি থৈছো
সেয়েহে মই জীয়াই আছো।
তুমি মোক কোৱা প্ৰতিটো শব্দ
মোৰ দেহত ৰক্ত কণিকা হৈ ধাৱমান
সেয়ে মই সাৰে আছো।
তোমাৰ ওঠৰ প্ৰতিটো হাঁহি...
মোৰ বাবে প্ৰেৰণা;
সেয়ে মই জীৱন যুদ্ধত আগবাঢ়িছো
তোমাৰ প্ৰতিটো দুখ-কষ্ট
গুছি আহক মোৰ কাষলৈ
অমৃতবোৰ তুমি লোৱা আৰু
বিষাদবোৰ মোক দিয়া...!
কাৰণ তুমি যিমান দিন
হৃদয়ত আছা মোৰ
সিমান দিন মই জীয়াই আছো।
যিদিনা তুমি মোৰ হৃদয়ৰ পৰা
বিদ্ৰূপ হাঁহিৰে গুচি যাবা...
সেই দিনাই হয়তো মইয়ো
হেৰাই যাম এই পৃথিৱীত...।
কাৰণ জানাইতো
তুমি আছা বাবেই মই জীয়াই আছো।

***

# I MISS YOU

**Md. Abul Kasem**
**B.A. 1st year**

When I sleep alone
In my little bed,
When I travel alone
In my little car
I miss you dear, I miss you …

When I am alone in darkness,
When I am alone in moonlight
When I see alone glittering stars,
From my little chair,
I miss you dear, I miss you …

When sunlight fades away,
And the sky becomes a barren surface,
When the animals start to rest,
And the birds approach their nest,
I miss you dear, I miss you …

When the wind blows calmly
And the flowers seem to grow slowly,
When I am in pain
And no one stays by me,
I miss you dear, I miss you …

When my challenges are strong,
And heart goes wrong,
When I feel lonely in life,
And no one comes to give me strength,
I miss you dear, I miss you …

Someday I may not remain here,
But the love I have preserved for you,
Will always remain in my heart,
Come to me dear; come hold me,
I miss you dear, I miss you …

***



# DEINA

## (Based on a dream)

**Mutasim Billah Mahabub**
**B.A. 3rd year**

On the Eve of Id-Mubarak
In my dream I got you
The more I think
The more I love you
What you are is God's gift to me
What you became is your gift to God!
O' my father!
I don't know this feeling
Is it an illusion, a dream?
But, when you come, the Sun will shine
Everywhere there will be great fun.
Oh, my darling daddy!
Come to me
Don't dash my dream to the ground
I spread my dreams at your feet
I don't know where you are.
Bless me from there
Let my dream come true.

***





# ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ বাৰ্ষিক প্ৰতিবেদন

জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্ত্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যি সকল মহান ব্যক্তিয়ে নিজৰ জীৱন আহুতি দি আমাৰ দেশ মাতৃক পৰাধীনতাৰ কবলৰ পৰা মুক্ত কৰি স্বাধীন কৰিলে সেই সকল ছহিদ ব্যক্তিলৈ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। যি সকল মহান ব্যক্তিয়ে নিজৰ স্বাৰ্থক পৰিহাৰ কৰি অশেষ ত্যাগেৰে এই পিছপৰা অঞ্চলৰ ল'ৰা-ছোৱালীৰ সুপ্ত জ্ঞান বিকাশ কৰাৰ বাবে এনে এখন শিক্ষানুষ্ঠান "খাৰুপেটীয়া মহাবিদ্যালয়" প্ৰতিষ্ঠা কৰিলে তেখেত সকললৈ গভীৰ শ্ৰদ্ধা নিবেদিছোঁ। খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বি.এম. হামিদুৰ ৰহমান চাহাবৰ লগতে বৰ্ত্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নুৰুল ইছলাম চাহাৱ দেৱক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ সমূহ শিক্ষক তথা কৰ্মচাৰী বৃন্দলৈ শ্ৰদ্ধা অৰ্পণ কৰিলো। যি সকলে ২০০৭-০৮ শিক্ষাবৰ্ষৰ বাবে সাধাৰণ নিৰ্বাচনৰ দ্বাৰা উপ-সভাপতিৰ এক গুৰু দায়িত্বত নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ঐতিহ্যমণ্ডিত খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতিৰ এক গুৰুত্বপূৰ্ণ পদবীৰ অধিকাৰী হৈ মহাবিদ্যালয়ৰ সেৱা কৰাত কিমানখিনি সফল হলো, সেয়া বিচাৰ্যৰ বিষয় হৈ পৰিব মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ যোগেদি। যদি আমি বিগত বছৰটোৰ কাম-কাজৰ খতিয়ান লওঁ তেন্তে নিশ্চয় এইখিনিতে উল্লেখ কৰিব লাগিব আমাৰ এবছৰীয়া কাৰ্যবিৱৰণী। যোৱা ইং ২৭-১২-০৭ তাৰিখে সাধাৰণ নিৰ্বাচনৰ দ্বাৰা উপ-সভাপতি হিচাবে নিৰ্বাচিত হওঁ, নৱ-নিৰ্বাচিত সমিতিয়ে ৩০-১২-০৭ তাৰিখে শপত গ্ৰহণ কৰি আনুষ্ঠানিক ভাৱে কাৰ্যভাৰৰ দায়িত্ব লওঁ।

১। মহাবিদ্যালয়ৰ পৰম্পৰা হিচাবে চলি অহা আন বেলিৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ সপ্তাহ ছয়-দিনীয়া কাৰ্যসূচীৰে উলহ-মালহেৰে পালন কৰা হয়। বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতিয়ে খেলুৱৈ সকলক উৎসাহ-উদ্দীপনা যোগায়। শ্ৰেষ্ঠতা অৰ্জন কৰা খেলুৱৈ সকলক বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত বঁটা ও প্ৰমান পত্ৰ প্ৰদান কৰা হয়। বঁটা বিতৰণী সভাত উপস্থিত থাকে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধক্ষ্য ড০ হৰিশ চন্দ্ৰ ডেকা ছাৰ, লগতে গণ্য-মান্য ব্যক্তি সকল। সাংস্কৃতিক কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি মৰা হয়।

২। অইন বছৰত পালন কৰি অহাৰ দৰে মোৰ কাৰ্যকালতো সৰস্বতী পূজা উদ্যাপন কৰা হয়। ইয়াৰ উপৰিও ফাতেহা-ই-দোৱাজ দাহম উৎসৱটি উদ্যাপন কৰা হয়। উক্ত উৎসৱটিত কেৰাত , গজল, জিকিৰ, ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰতিযোগী সকলক উৎসাহ-উদ্দীপনা যোগোৱাৰ লগতে পুৰস্কৃত কৰা হয়।

৩। আন কেইটি বছৰত পালন কৰি অহাৰ দৰে এই বছৰো নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আদৰণি জনোৱাৰ উদ্দেশ্যে ২৬/০৮/০৮ তাৰিখে ন-পুৰণি সতীৰ্থ সন্মিলন অনুষ্ঠিত কৰা হয়। উক্ত সন্মিলনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ৰাজ্যসভাৰ সাংসদ, প্ৰাক্তন মুখ্যমন্ত্ৰী, খাৰুপেটীয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী মাননীয় ছৈয়দা আনোৱাৰ টাইমূৰ চাহেবা, দলগাওঁ বিধান সভা সমষ্টিৰ বিধায়ক মাননীয় ইলিয়াছ আলী চাহাব আৰু মুখ্য অতিথি হিচাপে উপস্থিত থাকে কলাইগাওঁ বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক মাননীয় ড০ নগেন শৰ্মা দেৱ। উক্ত সন্মিলনত উপস্থিত থাকি ছৈয়দা আনোৱাৰা টাইমূৰ চাহেবাই মহাবিদ্যালয়ত বিজ্ঞান বিভাগ খুলি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

৪। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সন্মুখত এখন স্থায়ী বাছ আস্থানৰ কাম সম্পূৰ্ণৰূপে শেষ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ বহু পুৰণি অভাৱ এটা নিৰ্মূল কৰা হয়।

৫। মোৰ কাৰ্যকালত ছাত্ৰ-ছাত্ৰী সকলৰ চাইকেল ৰখাৰ সুবিধাৰ্থে এখন চাইকেল ষ্টেণ্ড মহাবিদ্যালয়ৰ সন্মুখত নিৰ্মাণ কৰা হয়।

৬। মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সক্ৰিয় প্ৰচেষ্টাত চতুৰ্থ সংখ্যাৰ আলোচনীখন প্ৰকাশ কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ও শিক্ষক কৰ্মচাৰীৰ মনোবাঞ্চা পূৰ্ণ কৰা হয়।

৭। আন বছৰৰ দৰে মোৰ কাৰ্যকালতো সংখ্যালঘু এলেকাধীন খাৰুপেটীয়া মহাবিদ্যালয়ৰ অৰ্থনৈতিক দিশত পিছপৰা ছাত্ৰ-ছাত্ৰীৰ দুখীয়া পুঁজিৰ পৰা আৰ্থিক সহায় আগবঢ়োৱা হয়।

৮। মোৰ কাৰ্যকালত স্নাতক মহলাৰ ছাত্ৰ ছাত্ৰী বেছি হোৱা বাবে পাঠ গ্ৰহণ কাৰ্যত সুবিধা হোৱাকৈ শ্ৰেণী কোঠাত Microphone আৰু Sound Box ৰ ব্যৱস্থা কৰা হয়।

<u>মহাবিদ্যালয়ত কৰিব লগীয়াখনিঃ</u>

১। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ সময় হৈছে, সেয়ে ৰূপালী জয়ন্তী পালনৰ কাৰ্যসূচী হাতত লব লাগিব।

২। মহাবিদ্যালয়ত শৰীৰ চৰ্চাৰ কোনো সুবিধা নাই, ইয়াৰ ব্যৱস্থা কৰিব লাগিব।

৩। মহাবিদ্যালয়ত পানী যোগানৰ কোনো ব্যৱস্থা নাই, সেয়ে পানী যোগানৰ ব্যৱস্থা কৰা অতি দৰকাৰ।

৪। মহাবিদ্যালয়ত কম্পিউটাৰ শিক্ষাৰ কোনো সুবিধা নাই, সেয়েহে কম্পিউটাৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

৫। মহাবিদ্যালয়ত স্কাউট-গাইডৰ ব্যৱস্থা সক্ৰিয় কৰিব লাগিব।

৬। বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ত শ্ৰেণীকোঠা অতি সোনকালে নিৰ্মাণ কৰিব লাগিব। উপৰোক্ত অভাৱ সমূহ পূৰণ কৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক আৰু ছাত্ৰ একতা সভাক অনুৰোধ জনালোঁ।

যোৱা ২০০৮ চনৰ দৰং-ওদালগুৰি গোষ্ঠী সংঘৰ্ষত ক্ষতিগ্ৰস্ত লোক সকল খাৰুপেটীয়া মহাবিদ্যালয়ত আশ্ৰয় লৈ থকা শিবিৰবাসী ৰাইজক শিক্ষক কৰ্মচাৰী সকলৰ লগতে ছাত্ৰ একতা সভাই পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াইছো। মোৰ এবছৰীয়া কাৰ্যকালত নানা দিশত পৰামৰ্শ ও সহায় কৰা সকলৰ ভিতৰত প্ৰথমে নাম লব লাগিব ভাৰপ্ৰাপ্ত অধ্যক্ষ নুৰুল ইছলাম চাহাবৰ লগতে কাৰ্যকৰি সভাপতি আঃ ৰহিম ছাৰৰ। বন্ধু বান্ধৱী সকলৰ ভিতৰত মঃ জুলফিক্কৰ আলী, খিজিৰ হায়াত, আব্দুল হামিদ চৌধুৰী (মদন), আঃ ওহাব আল আমিন ইছলাম, নছিউৰ ৰহমান, আছমত আলী, এবাদুল্লা হক, ছফিকুল ইছলাম (প্ৰাঃ সাঃ সম্পাদক) ৰ।

সদৌ শেষত মোৰ বাৰ্ষিক প্ৰতিবেদনৰ বিদায় মুহূৰ্তত খাৰুপেটীয়া মহাবিদ্যালয়ৰ চতুৰ্থ সংখ্যাৰ আলোচনী সম্পাদনা সমিতিক ধন্যবাদ জনাইছো। মোক পৰামৰ্শ দিয়া ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে সমূহ ছাত্ৰ ছাত্ৰী সকলক ধন্যবাদ জনাই, বিগত বছৰটোত হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ অন্ত পেলালোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়, জয় আই অসম।

মঃ দিলোৱাৰ হুছেইন
উপ সভাপতি
ছাত্ৰ একতা সভা
খাৰুপেটীয়া মহাবিদ্যালয়।

***



## খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন (২০০৭-২০০৮)



জয়জয়তে পৰম কৰুণাময় ঈশ্বৰৰ নাম স্মৰণ কৰি মই মোৰ বছৰেকীয়া সাধাৰণ সম্পাদকৰ প্ৰতিবেদন লিখনিৰ পাতনি মেলিলোঁ।

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল জাতীয় বীৰে দেশৰ স্বাৰ্থৰ বাবে নিজৰ প্ৰাণ আহুতি দিলে, সেই সকল দেশ প্ৰেমিকৰ লগতে যি সকল প্ৰয়াত আৰু জীৱিত ব্যক্তিয়ে এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন গঢ় দিলে সেই সকল মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাঁচিলো।

সম্পাদকীয় প্ৰতিবেদনৰ জৰিয়তে আহ্বান জনাওঁ - জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোৱে ভেদ ভাৱ পৰিহাৰ কৰি সমাজৰ এজন সক্ৰিয় ব্যক্তি বা সদস্য হৈ সুস্থ ও শান্তিশীল সমাজ এখন গঢ়াৰ লগতে নিজৰ জীৱনৰ সৰ্বাঙ্গীন উন্নতি সাধন কৰিবলৈ আমি সকলোৱেই বদ্ধ পৰিকৰ হওঁহক।

<u>মোৰ এবছৰীয়া কাৰ্য বিৱৰণী ঃ</u>

১। মই সাধাৰণ সম্পাদক হিচাপে ৩০-১২-২০০৭ তাৰিখে শপত গ্ৰহণ কৰো আৰু সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ৫ (পাঁচ) দিনীয়া কাৰ্যসূচীৰে ০৭-০১-২০০৮ তাৰিখৰ পৰা ১১-০১-২০০৮ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো। মহাবিদ্যালয় সপ্তাহত নানা প্ৰতিযোগিতাত সমূহ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা দেখুৱায়। প্ৰতিযোগিতাত স্থান পোৱা ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত অতিথি সকলৰ দ্বাৰা পুৰস্কৃত কৰা হয়।

২। মোৰ কাৰ্যকালত দ্বিতীয় পদক্ষেপ আহে সৰস্বতী পূজা। শ্ৰীশ্ৰী সৰস্বতী পূজা উদ্‌যাপনৰ বাবে এখনি সাধাৰণ সভা অনুষ্ঠিত কৰি সৰস্বতী পূজা উদ্‌যাপন সমিতি গঠন কৰা হয় আৰু সৰস্বতী পূজা সমূহ প্ৰবক্তা, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত সুকলমে পালন কৰা হয়। উক্ত পূজাত নানা ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল আৰু প্ৰীতি ভোজনেৰে সমাপ্ত কৰা হয়।

৩। ইং ২৬-০৮-০৮ তাৰিখে এই বৰ্ষৰ নবাগত আদৰণী সভাখন অনুষ্ঠিত কৰা হয় ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৰোহেৰে এক বৰ্ণাঢ্য পৰিবেশত এই সভাখনি আনন্দমুখৰ হৈ পৰিছিল। মুকলি সভাত মুখ্য অতিথিৰ আসন শুৱনি কৰে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্যসভাৰ সদস্যা মাননীয়া ছৈয়দা আনোৱাৰা টাইমুৰ বাইদেৱে। দলগাওঁ বিধান সভা সমষ্টিৰ বিধায়ক মাননীয় মঃ ইলিয়াছ আলী দেৱ আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ডঃ হৰিশ চন্দ্ৰ ডেকা দেৱে বিশিষ্ট অতিথিৰ আসন শুৱনি কৰে। উক্ত সভাত মাননীয়া ছৈয়দা আনোৱাৰা টাইমুৰ বাইদেউ *দেৱে* বিজ্ঞান শাখা খোলাৰ বাবে মত পোষণ কৰে।

৪। অন্যান্য বছৰৰ দৰে মোৰ কাৰ্যকালৰ সময়ছোৱাত ফাতেহা-ই-দোৱাজ দাহম উৎসৱটি পালন কৰাৰ কাৰণে এখনি সাধাৰণ সভা অনুষ্ঠিত কৰি ফাতেহা-ই-দোৱাজ দাহম পৰিচালনা সমিতি গঠন কৰি উৎসৱটি পালন কৰা হয়। উক্ত উৎসৱটি কেৰাত, গজল, জিকিৰ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰতিযোগিতাত জয়ী হোৱা প্ৰতিযোগী সকলক আমন্ত্ৰিত অতিথি সকলৰ দ্বাৰা পুৰস্কৃত কৰা হয় আৰু ফাতেহা-ই-দোৱাজ দাহম উৎসৱটি প্ৰীতি ভোজনেৰে সামৰণি মৰা হয়।

৫। মোৰ কাৰ্যকালত মঙ্গলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত ছহিদ সোঁৱৰণী "সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা"ত অংশ গ্ৰহণ কৰা হয় আৰু খাৰুপেটীয়া মহাবিদ্যালয়ৰ হৈ মিছ খাদিজা ইয়াছমিন আৰু মঃ ইমামুল হকে উদ্‌গনি বঁটা লাভ কৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰে।

৬। মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সক্ৰিয় প্ৰচেষ্টাত ৪ ৰ্থ সংখ্যাৰ আলোচনীখন প্ৰকাশ কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ও কৰ্মচাৰীৰ মনোবাঞ্চা পূৰ্ণ কৰা হয়।

৭। মোৰ কাৰ্যকালত প্ৰৱেশিকা আৰু উচ্চতৰ মাধ্যমিক ২য় বৰ্ষত প্ৰথম স্থানত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক খাৰুপেটীয়া মহাবিদ্যালয়ত বিনামূলীয়াকৈ নামভৰ্ত্তি কৰা হয়।

৮। মোৰ কাৰ্যকালত স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰী বেছি হোৱা বাবে পাঠ গ্ৰহণ কাৰ্যত সুবিধা হোৱাকৈ শ্ৰেণী কোঠাত Microphone আৰু Sound Boxৰ ব্যৱস্থা কৰা হয়।

৯। মোৰ কাৰ্যকালতে অন্যান্য বছৰৰ দৰে এই বাৰো সংখ্যালঘু এলেকাধীন খাৰুপেটীয়া মহাবিদ্যালয়ৰ অৰ্থনৈতিক দিশত পিছপৰা ছাত্ৰ-ছাত্ৰীক "ছাত্ৰ-ছাত্ৰীৰ সাহাৰ্য পুঁজি"ৰ পৰা আৰ্থিক সহায় আগবঢ়োৱা হয়।

১০। খাৰুপেটীয়া মহাবিদ্যালয়ত প্ৰতিমাহে ছাত্ৰ-ছাত্ৰীক সুলভ মুল্যত কেৰাচিন তেলৰ যোগান ধৰা হয়। ছাত্ৰ-ছাত্ৰী অনুপাতে কেৰাচিন তেল কম হোৱা বাবে তেলৰ পৰিমান বৃদ্ধি কৰিবৰ বাবে মঙ্গলদৈ অসামৰিক যোগান বিষয়াৰ ওচৰত এখনি আবেদন কৰা হৈছিল। ২০০৯-২০১০ বৰ্ষৰ হবলগীয়া ছাত্ৰ একতা সভাই উক্ত কামফেৰাক যেন পূৰ্ণ ৰূপ দিয়ে।

১১। মোৰ কাৰ্যকালত দলগাওঁ বিধান সভা সমষ্টিৰ বিধায়ক মাননীয় মঃ ইলিয়াছ আলী চাহাবৰ জৰিয়তে মহাবিদ্যালয়ৰ (Turning) ত নিজাববীয়াকৈ এটি বাছ আস্থানৰ ব্যৱস্থা কৰা হয়। দৰং জিলাৰ উপায়ুক্তৰ DAN.6/2008/133 dt. Mangaldai the 6th December/2008 চিঠি মৰ্মে উল্লেখ থাকে যে অতি সোনকালেই উক্ত বাছ আস্থানত বাছ ৰখোৱাৰ ব্যৱস্থা কৰা হ'ব।

১২। মোৰ কাৰ্যকালত ছাত্ৰ-ছত্ৰী সকলৰ সুবিধাৰ্থে এখন চাইকেল ষ্টেণ্ড মহাবিদ্যালয় সন্মুখত নিৰ্মাণ কৰা হয়।

১৩। যোৱা ইং ২৩-০১-২০০৯ তাৰিখে সদৌ অসম মহাবিদ্যালয় ছাত্ৰ একতা সভা তথা এন.এছ. ইউ.আই-ৰ সভাপতি সকলৰ মিলন পৰ্ব অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই যোগদান কৰে। উক্ত অনুষ্ঠানতেই অসমৰ মাননীয় মুখ্যমন্ত্ৰী দেৱে প্ৰতিখন চৰকাৰী মহাবিদ্যালয়লৈ ২৫,০০০.০০ (পঁচিশ হাজাৰ) টকা আৰু এটিকৈ কম্পিউটাৰ দিয়াৰ কথা ঘোষণা কৰে। সেয়ে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ও উক্ত অনুদান পাব বুলি আশা কৰা যায়।

<u>মহাবিদ্যালয়ৰ অভাৱ অভিযোগ সমূহ</u> ঃ আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ কেইবাটাও অভাৱ-অভিযোগৰ বিষয়ে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দেৱক জ্ঞাত কৰা হয়।

১। মহাবিদ্যালয়ত ব্যায়ামাগাৰৰ অভাৱ। উক্ত ব্যায়ামাগাৰ নথকাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে মাণ্ডলিক তথা বাহ্যিক স্তৰৰ কোনো প্ৰতিযোগিতাত অংশ গ্ৰহন কৰিব পৰা নাই।

২। মহাবিদ্যালয়ৰ "স্কাউট আৰু গাইড"ৰ কাৰণে প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰী সকলে মাচুল আদায় দিয়ে কিন্তু পৰিতাপৰ বিষয় এয়ে যে আজিলৈ "স্কাউট আৰু গাইড"ৰ কোনো ধৰণৰ সা-সুবিধা ছাত্ৰ-ছাত্ৰী সকলে পোৱা নাই। "স্কাউট আৰু গাইড" আৰু এন.চি.চি-ৰ সা-সুবিধা নথকা বাবে মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰী বহুতো সা-সুবিধাৰ পৰা বঞ্চিত হয়। মই মহাবিদ্যালয়ৰ কতৃপক্ষক অনুৰোধ জনাওঁ যে উক্ত বিষয় দুটাৰ ওপৰত যেন গুৰুত্ব দিয়ে।

৩। মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সংলগ্ন শৌচাগাৰ আৰু প্ৰস্ৰাৱগাৰ নাই, ইয়াৰ ব্যৱস্থা কৰি দিয়ে *যেন*।

৪। মহাবিদ্যালয়ত এটি Auditorium হলৰ অতি প্ৰয়োজন, গতিকে ইয়াৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীৰ ও অন্যান্য সভা সমিতি কৰাৰ সুবিধা কৰে যেন।

৫। মহাবিদ্যালয়ত এটি "সাহিত্য চ'ৰা"ৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে। উক্ত সাহিত্য চ'ৰা নথকাৰ বাবে ছাত্ৰ-ছাত্ৰী সকল সাহিত্যৰ জ্ঞান লাভ কৰাৰ পৰা বঞ্চিত হৈ আছে।

যোৱা অক্টোবৰ মাহৰ পৰা দৰং আৰু ওদালগুৰি জিলাৰ গোষ্ঠীগত সংঘৰ্ষৰ বাবে আমাৰ ছাত্ৰ একতা সভাই বহুতো উন্নয়নমূলক কাম কৰিব পৰা নাই। পৰৱৰ্তী বৰ্ষৰ ছাত্ৰ একতা সভাই বলিষ্ঠ পদক্ষেপ লৈ মহাবিদ্যালয়ৰ অভাৱ অভিযোগ পূৰণ কৰে যেন।

<u>কৃতজ্ঞতা স্বীকাৰ</u> ঃ যোৱা ইং ২৭-১২-২০০৭ তাৰিখৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ জৰিয়তে



এই অভাজনৰ হাতত গুৰু দায়িত্ব অৰ্পণ কৰিছিল। সেই ছাত্ৰ ছাত্ৰী, বন্ধু বান্ধৱী সকললৈ জ্ঞাপন কৰিলো অশেষ ধন্যবাদ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ মঃ আনোৱাৰ হুছেইন, মঃ ছফিকুৰ ৰহমান, মঃ গুলজাৰ হুছেইন (প্ৰাঃ সম্পাদক,সমাজ সেৱা বিভাগ), মঃ আবু ছাহেদ, মঃ ওৱাহিদুৰ ৰহমান, মঃ ইফটি খাইৰুল ইছলাম, মিছ ছুৰিয়া চুলতানা, মিছ লুটফুন নেছা, মিছ ছাবিনা ইয়াছমিন, জন্টি সাহা, বাপ্পা সাহা, সঞ্জয়, মঃ কামাল পাচা, মঃ আঃ ছাত্তাৰ, মঃ ৰফিকুল ইছলাম, মঃ খন্দকাৰ চুলতান হুছেইন, হাবেল, কাবেল, মঃ হাফিজুৰ ৰহমান, পাৰভেজ মঃ ছাফি, মঃ হজৰত আলী, মঃ মইনুল হক, মঃ শ্বাজাহান আলী আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যলৈ জ্ঞাপন কৰিলো অশেষ ধন্যবাদ।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এবছৰীয়া কাৰ্যকালত মোক বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ নুৰুল ইছলাম দেৱ আৰু প্ৰৱক্তা সকলৰ তৰফৰ পৰা মাননীয় আঃ ৰহিম চাহাব (ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি), মঃ হবিবুৰ ৰহমান, মঃ আঃ কৰিম, আব্দুৰ ৰহমান দেৱ, আব্দুল আউৱাল (আলোচনী তত্তাবধায়ক ), সমূহ কৰ্মচাৰী, মুখ্য সহায়ক, মঃ দিলোৱাৰ হুছেইন *আদি সকলোলৈ* যাঁচিলো হিয়াভৰা অভিনন্দন।

অৰাজনৈতিক ছাত্ৰ সংগঠন সমূহে মোক নানা বিষয়ে পৰামৰ্শ দিয়াৰ বাবে তেখেত সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো।

*To err is human* কথাষাৰক কোনেও নুই কৰিব নোৱাৰে। সেয়েহে অজানিতে ৰৈ যোৱা ভুল ক্ৰুটিৰ বাবে ক্ষমা মাগি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ ইতি ৰেখা অংকন কৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।

মঃ হাকিম আলী
সাধাৰণ সম্পাদক
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে পৰম কৰুণাময় আল্লাহ তালাৰ নাম লৈ মোৰ বছেৰেকীয়া প্ৰতিবেদন আৰম্ভ কৰিলোঁ। মোৰ এই প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে যি সকলে মোক সহঃ সাধাৰণ সম্পাদক হিচাবে ছাত্ৰ-ছাত্ৰী সকলক সেৱা কৰিবলৈ সুবিধা দিলে সেই সকললৈ মোৰ ধন্যবদৈ জ্ঞাপন কৰিলো আৰু যি সকল মহান ব্যক্তিৰ মহৎ চিন্তাৰ ফলত এই মহাবিদ্যালয় গঢ়ি উঠিছিল তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো লগতে জাতিৰ নামত প্ৰাণ উচৰ্গা কৰি শ্বহীদ হোৱা মহান ব্যক্তি সকলৈও শ্ৰদ্ধাঞ্জলি নিবেদিছো।

বিগত বৰ্ষত (২০০৭-২০০৮ ত) অনুষ্ঠিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক যি সকল ছাত্ৰ ছাত্ৰীয়ে বিপুল ভোটত জয়ী কৰালে সেই সকল ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতাৰ লগতে ধন্যবাদ যাঁচিলো। এই সমস্যা বহুল অস্থিৰ সময়ত দেশমাতৃৰ এগৰাকী সেৱক হিচাবে যি কণ সেৱা কৰাৰ সুযোগ পাইছো সেয়া হয়তো মনৰ ভাষাৰে বুজাব নোৱাৰো। কি কৰিব পাৰিছো নোৱাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। যোৱা ইংৰাজী ৭ তাৰিখৰ পৰা ১২ তাৰিখলৈ আমি ছাত্ৰ একতা সভাই পাঁচ দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ইয়াত অংশ গ্ৰহন কৰে আৰু লগতে বিভিন্ন খেল-ধেমালি, গীত-মাত, কবিতা আবৃত্তি, কুইজ আদিত অংশ গ্ৰহন কৰে। মহাবিদ্যালয় সপ্তাহৰ অন্তত মুকলি সভা অনুষ্ঠিত হয় আৰু বিজয়ী ছাত্ৰ-ছাত্ৰী সকলক নানা পুৰস্কাৰেৰে পুৰস্কৃত কৰা হয়। সহঃ সাধাৰণ সম্পাদক পদত মোক নিৰ্বাচিত কৰা হৈছিল আৰু ৩০ তাৰিখে শপত বাক্য পাঠ কৰায় মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় নৰুল ইছলাম ছাৰে। মোৰ হাতত অৰ্পন কৰা হৈছিল এক গুৰু দায়িত্ব। এই ক্ষেত্ৰত মোৰ শ্ৰদ্ধাৰ ছাৰ মাননীয় অধ্যাপক আব্দুৰ ৰহিম (কাৰ্যকৰী সভাপতি) দেৱৰ পৰা বহু ধৰণৰ সু-

পৰামৰ্শ পাইছো। অন্যান্য বছৰৰ দৰে এই বছৰতো শ্ৰীশ্ৰীসৰস্বতী পূজা উদ্‌যাপন কৰা হয়, তাৰ উপৰি ফাতেহা-ই-দোৱাজ দহম উদ্‌যাপন কৰা হয়। ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত নবাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। নবাগত আদৰণি সভাত উপস্থিত থাকে মঙ্গলদৈ মহাবিদ্যালয়ৰ *প্ৰাক্তন উপাধ্যক্ষ ড০ হৰিশ চন্দ্ৰ ডেকা ছাৰ*, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্য সভাৰ সদস্যা মাননীয়া ছৈয়দা আনোৱাৰ টাইমুৰ বাইদেউ আৰু ৬৮ নং দলগাঁও বিধান সভা সমষ্টিৰ বিধায়ক মাননীয় মঃ ইলিয়াছ আলী দেৱ। মোৰ কাৰ্যকালত সততে দিহা পৰামৰ্শ দি কাৰ্য পৰিচালনাত সহায় কৰা মহবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় নুৰুল ইছলাম ছাৰ তথা ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মাননীয় আঃ ৰহিম ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু তথা কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক পদত নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ সহস্ৰ ধন্যবাদ যাঁচিলো। বিগত নিৰ্বাচনত মোৰ সোঁ-হাত স্বৰূপে সহায় আগবঢ়োৱা মঃ ৰুহুল আমিন, জাকিৰ হুছেইন, ৰাজু, ৰুবুল, ৰাণা, ফাৰুক, মেহেন্দি, মোত্তাছিন, ছফিকুল, আবু ছাহেদ (প্ৰাঃ বহিঃ খেল বিভাগৰ সম্পাদক, ছাত্ৰ একতা সভা), গুলজাৰ (প্ৰাঃ সমাজ সেৱাৰ সম্পাদক, ছাত্ৰ একতা সভা), হামেদ ভাই, জেহেৰুল, আনোৱাৰ, মোজাম্মেল (প্ৰাঃ সহঃ সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা) আৰু ৰুপেশ দাদালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তি সকল, সমূহ প্ৰবক্তা বৃন্দ, ছাত্ৰ-ছাত্ৰী তথা দাদা বাইদেউ, বন্ধু বান্ধৱী বৰ্গলৈ শ্ৰদ্ধা ও অভিনন্দন যাঁছিলো। লগতে ২০০৯ নৱবৰ্ষৰ ওলগ জনাই মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ ক্ষমা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

চিৰচেনেহী মোৰ এই খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতিৰ আশাৰে......

মঃ জেহেৰুল ইছলাম

সহঃ সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে খাৰুপেটীয়া মহাদ্যািলয় দীৰ্ঘায়ু কামনা কৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ পাতনি মাৰিলোঁ। দেশ মাতৃৰ হকে যি সকল নিস্বাৰ্থ ব্যক্তিয়ে প্ৰাণ আহুতি দিলে সেই সকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সুৱৰিছোঁ। লগতে খাৰুপেটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ পিছৰ পৰাই বৰ্ত্তমানলৈ যি সকল ব্যক্তিয়ে অশেষ দুঃখ কষ্টৰ মাজেদি মহাবিদ্যালয়খনৰ পূৰ্ণাঙ্গ ৰূপ দিলে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

প্ৰত্যেক ব্যক্তিৰ হৃদয়ৰ সৌন্দৰ্যময় দিশটোৱে হৈছে সংস্কৃতি। সংস্কৃতি হৈছে মানৱ জীৱনৰ এটি দাপোন স্বৰূপ।

যোৱা ইং ৩০ ডিচেম্বৰ, ২০০৭ তাৰিখে অন্যান্য বিষয়ববীয়া সকলৰ লগত ময়ো সাংস্কৃতিক সম্পাদক হিচাবে শপত গ্ৰহণ কৰোঁ।

সাংস্কৃতিক সম্পাদক মনোনীত হোৱাৰ পিছৰ পৰাই অসুবিধাৰ সন্মুখীন হওঁ এখনি পূৰ্ণাঙ্গ "অডিটৰিয়াম"ৰ। অতি পৰিতাপৰ বিষয় যে আমাৰ মহাবিদ্যালয়খন ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰাৰ পিছতো মহাবিদ্যালয়খনত এটি পূৰ্ণাংগ অডিটৰিয়াম নথকাটোৱে বৰ দুখৰ কথা।

মই সাংস্কৃতিক সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহন কৰাৰ পিছত সন্মুখীন হওঁ মহাবিদ্যালয়ৰ সপ্তাহৰ। মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে পৰিচালনা কৰাৰ পিছত আমি অনুষ্ঠিত কৰো "সৰস্বতী পূজা" নবাগত আদৰণি সভা, ফাতেহা-ই-দোৱাজ দাহম।

২০০৭-০৮ শিক্ষাবৰ্ষৰ মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ দ্বাৰা পৰিচালিত বিভিন্ন নৃত্য-গীত, নাট-প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰো। প্ৰতিটো প্ৰতিযোগিতাত যি সকল ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহন কৰি সাফল্য মণ্ডিত কৰিলে, সেই ছাত্ৰ-ছাত্ৰী সকললৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ মহাবিদ্যালয়খন আৰ্থিক দিশত স্বচ্ছল নহয়। সেয়ে সাংস্কৃতিক দিশৰ প্ৰয়োজনীয় ন্যূনতম সামগ্ৰীখিনিৰো অভাৱ। মঞ্চ, সাজ সজ্জা, এযোৰ তবলা, হাৰমনিয়াম, গীটাৰ, ঢুলকীৰ বাহিৰে অন্য সামগ্ৰী নাছিল যদিও বাঁহী চাৰিটা, খুঞ্জুৰী এটা, মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধক্ষ্য মহোদয়ে ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ পৰা কিছু টকা মোকলাই দিয়ে আৰু সেই পুঁজিৰে ন্যূনতম সামগ্ৰী কিনি অনা হয়।

মহাবিদ্যালয় সপ্তাহ, সাংস্কৃতিক কাৰ্যসূচী পৰিচালনা আদি লৈ মোৰ কাৰ্য কালত সকলো দিশৰ পৰামৰ্শ দি বিভাগীয় কাৰ্য সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত সহায় কৰা সাংস্কৃতিক বিভাগৰ তত্বাবধায়িক মাননীয়া ড০ আচমান আৰা বেগম, মাননীয় শ্ৰীজীবেন্দ্ৰ মোহন দেৱ শৰ্মা, উচ্চ বৰ্গৰ সহায়ক মাননীয় মঃ খন্দাকাৰ দিলোৱাৰ হুছেইন, ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয় ববীয়া সকল, সাধাৰণ ছাত্ৰৰ পৰা মঃ নছিউৰ ৰহমান, স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী মিচ্ মফিদা বেগম, মিচ্ আঞ্জোমান আৰা বেগম, স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী মিচ হাবিবা খানম, স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী মঞ্জুশ্ৰী ডেকা, খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাংস্কৃতিক সম্পাদক, মঃ মনছুৰুল ইছলাম লগতে সতীৰ্থ প্ৰিয় বন্ধু বান্ধৱ সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত মোৰ সাংস্কৃতিক বিভাগৰ কাৰ্যভাৰ চলাওঁতে হৈ যোৱা জ্ঞাত অজ্ঞাত সকলো ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয় আই অসম

মঃ আতাউৰ ৰহমান

সম্পাদক, সাংস্কৃতিক বিভাগ

খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে সৰ্বশক্তিমান পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওপৰত ভৰসা ৰাখি সমাজ সেৱা সম্পাদক হিচাবে মোৰ বাৰ্ষিক সম্পাদকীয় ক্ষুদ্ৰ প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

আমি সকলোৱে এখন সমাজত বাস কৰো। সমাজ সেৱা হৈছে দেশ এখনৰ উন্নতিৰ মেৰুদণ্ড স্বৰূপ। বৰ্ত্তমানৰ ছাত্ৰ ভৱিষ্যত দেশৰ নাগৰিক। এজন সু-নাগৰিক হিচাপে দেশখনক উন্নতিৰ দিশত আগুৱাই নিবলৈ আমি ছাত্ৰ অৱস্থাৰ পৰাই দৃঢ় মনোভাৱ গঢ়ি তুলিব লাগিব।

যোৱা ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই দুজন প্ৰতিদ্বন্দী মাজৰ পৰা নিৰ্বাচিত হৈ মই খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমাজ সেৱা সম্পাদকৰ পদত নিযুক্ত হওঁ। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি অতি কম সময়ৰ ভিতৰত মহাবিদ্যালয়ত মহাবিদ্যালয় সপ্তাহ, ফাতেহা-ই-দোৱাজ দাহম, সৰস্বতী পূজা, গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস ২০০৭-০৮ বৰ্ষৰ নবাগত আদৰণী সভা আদি উৎসৱ নিয়াৰিকৈ পালন কৰো।

এখন মহাবিদ্যালয়ৰ সমাজ সেৱা সম্পাদকৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। মই কাৰ্যভাৰ গ্ৰহণ কৰি এই মহাবিদ্যালয়ৰ মানদণ্ড কিমানদূৰ ৰক্ষা কৰিব পাৰিছো সেয়া আপোনালোকৰ অনুমেয়। মোৰ কাৰ্যকালত সময় সাপেক্ষে খেল-পথাৰ চাফা কৰা, ফুলনিৰ মেৰামতি কৰা, বৃক্ষৰোপন কৰা, মহাবিদ্যালয়ৰ চৌহদ সদায় পৰিষ্কাৰ কৰি ৰখা, ছহিদ বেদী মেৰমতি কৰা আদি কাম মোৰ কাৰ্যকালত নিয়াৰিকৈ হোৱাৰ লগতে আগৰে পৰা বিতৰণ কৰি অহা কেৰাচিন মোৰ দিনত সঠিকভাৱে বিতৰণ কৰা হৈছিল।

যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয় খনৰ উন্নয়নমূলক কাম কৰিবলৈ সুযোগ দিয়ে তেওঁলোকক আন্তৰিক মৰম ও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোক সকলো দিশতে সহায় আৰু পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে বন্ধু বা সহপাঠী জাহানুদ্দিন আহমেদ, আব্দুৰ ৰহমান, চুলেমান আলী, ফজলুল কৰিম, মুন্না ঠাকুৰ, মানছুৰা মুৰ্ছিদ, মমতাজ বেগম, আশ্বাদুল্লা ফাৰুকীক মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোক সকলো দিশৰ পৰা পৰামৰ্শ দি সুকলমে পৰিচালনা কৰাত মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ নুৰুল ইছলাম ছাৰ, সমাজসেৱা সম্পদকৰ তত্তাবধায়ক মাননীয় আব্দুৰ ৰহমান মহোদয়ৰ লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয় ববীয়া সকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ বাৰ্ষিক প্ৰতিবেদনৰ অন্তিম ৰেখা টানিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

মঃ মুৰতাজা আহমেদ
সম্পাদক, সমাজসেৱা বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ সেৱা আৰু ত্যাগৰ আত্মাই নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি দেশ মাতৃৰ বাবে হেলাৰঙে মৃত্যুক সাৱটিছিল সেই সকল পূণ্যাত্মালৈ সশ্ৰদ্ধ প্ৰণাম। লগতে ঐতিহ্যমণ্ডিত এই বিদ্যামন্দিৰৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ দায়িত্ব অৰ্পণৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সেৱাৰে সুযোগ দিয়াৰ বাবে আটাইলৈ যাচিছো আন্তৰিক কৃতজ্ঞতা।

'তৰ্ক আৰু বক্তৃতা' এই গুৰুত্বপূৰ্ণ বিভাগটো ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক কচৰতৰ আখৰা থলীৰূপে গণ্য কৰা হয়। 'সঠিক চিন্তা আৰু শুদ্ধ ভাষা অবিহনে জ্ঞানৰ সত্যতা প্ৰতিপন্ন কৰিব নোৱাৰি, সিদ্ধান্তৰ বৈধতা আৰু যুক্তিযুক্ততা নিৰ্ণয় কৰাই হৈছে তৰ্কৰ কাৰ্য্য।' কোনো এক বচনৰ সত্যতা নিৰ্ণয় কৰিবলৈ আমি সেই বচনটোৰ যুক্তিসহকাৰে আলোচনা কৰিহে আমি বচনটোৰ সত্যতা প্ৰতীয়মান কৰিব লাগে।

আজিৰ অসমৰ সংকটময় পৰিৱেশ, পৰিস্থিতিত শিক্ষাৰ এক সুস্থ বাতাবৰণৰ অভাৱ আমি সকলোৱে অনুভৱ কৰিছো। আজি সকলোৱে সমস্বৰে চিঞৰো 'আমাক শান্তি লাগে' কিন্তু আজি শান্তি মাথো আভিধানিক শব্দত পৰিণত হৈছেগৈ। তথাপিও আমি সুস্থিৰ সমাজ এখনৰ বাবে নিজকে শিক্ষিত কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰো। ভৱিষ্যতৰ অনিশ্চয়তাৰ মাজতো আমি ছাত্ৰ সমাজে অধ্যয়নত ব্ৰতী হৈছো; লগতে সমাজৰ প্ৰতি আমাৰ নৈতিক দায়িত্ব পালন কৰিছো। শিক্ষাৰ বাবে প্ৰয়োজন হয় শিক্ষণৰ এক সুস্থ পৰিৱেশৰ আৰু এই শৈক্ষিক পৰিৱেশ আমি ছাত্ৰ সমাজে গঢ় দিব লাগিব। আমি সচেতন হ'ব লাগিব নিজৰ অধিকাৰৰ বাবে দায়িত্বৰ



প্ৰতি আৰু লক্ষ্যৰ প্ৰতি। আমাৰ লক্ষ্য হ'ব লাগে- "অধ্যয়নৰ মাজেৰে সংগ্ৰাম"।

সমাজৰ প্ৰতিটো দিশতে সুস্থিৰ ও সবল মনেৰে আগুৱাই যাবলৈ আমাক প্ৰয়োজন একমাত্ৰ যুক্তিপূৰ্ণ মনোবল আৰু সাফল্যময় আলোচনা। এইবোৰৰ অদম্য প্ৰতিফলনৰ বাবে যৎকিঞ্চিত বৰঙণিৰ উদ্দেশ্য আগত ৰাখি ২০০৭-০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত হও আৰু দায়িত্বভাৰ গ্ৰহণ কৰো। নাজানো কিমানদূৰ ফলৱতী হবলৈ সক্ষম হৈছো।

কাৰ্য্যভাৰ গ্ৰহণৰ পিছতে মহাবিদ্যালয়ৰ সপ্তাহৰ ১০ জানুৱাৰী ২০০৮ তাৰিখে অনুষ্ঠিত হোৱা তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত তৰ্ক, আকস্মিক বক্তৃতা, কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰিলো।

প্ৰতিযোগিতাৰ অন্তত তৰ্ক, আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতাৰ ফলাফল সমূহ এনেধৰণৰ ঃ

<u>তৰ্ক প্ৰতিযোগিতা</u> ঃ

| | | |
|---|---|---|
| প্ৰথম স্থান (স্নাতক দ্বিতীয় বৰ্ষ) | ঃ | আব্দুল ওৱাহাব |
| দ্বিতীয় স্থান (স্নাতক দ্বিতীয় বৰ্ষ) | ঃ | খাদিজা ইয়াছমিন |
| তৃতীয় স্থান (স্নাতক দ্বিতীয় বৰ্ষ) | ঃ | আবু ছায়েদ |

<u>আকস্মিক বক্তৃতা</u> ঃ

| | | |
|---|---|---|
| প্ৰথম স্থান (স্নাতক দ্বিতীয় বৰ্ষ) | ঃ | আব্দুল ওৱাহাব |
| দ্বিতীয় স্থান | ঃ | উম্মে হামিমা ইয়াছমিন (স্নাতক দ্বিতীয় বৰ্ষ) |
| তৃতীয় স্থান (স্নাতক দ্বিতীয় বৰ্ষ) | ঃ | মনিজা খাতুন |

<u>কুইজ প্ৰতিযোগিতা</u> ঃ (শ্ৰেষ্ঠ দল দুটা)

ক) আব্দুল ওৱাহাব (স্নাতক দ্বিতীয় বৰ্ষ)
মনিজা খাতুন (স্নাতক দ্বিতীয় বৰ্ষ)
চন্দ্ৰ ভূষণ সিং (স্নাতক তৃতীয় বৰ্ষ)
খ) ছাবিনা ইয়াছমিন (স্নাতক প্ৰথম বৰ্ষ)
আব্দুল মুন্নাফ (স্নাতক প্ৰথম বৰ্ষ)
কেফায়েতুল্লাহ (স্নাতক প্ৰথম বৰ্ষ)

এই বৰ্ষৰ শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে আব্দুল ওৱাহাৱে। মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত ছহিদ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত খাৰুপেটীয়া মহাবিদ্যালয়ৰ হৈ খাদিজা ইয়াছমিন আৰু ইমামুল হকে উদগনী বঁটা লাভ কৰিবলৈ সক্ষম হয়।

মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ ও অকুণ্ঠ চিন্তে সহায়ৰ হাত আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যক্ষ নুৰুল ইছলাম ছাৰ বিভাগীয় তত্বাৱধায়ক জালালউদ্দিন আহমেদ ছাৰ, প্ৰৱক্তা ৰূপজ্যোতি প্ৰসাদ দত্ত ছাৰ, প্ৰৱক্তা আবুল বাশ্বাৰ আহমেদ চাৰ, প্ৰৱক্তা জ্যোতিষ চহৰীয়া ছাৰলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্ৰতিটো ক্ষেত্ৰতে সহায় সহযোগ আগবঢ়োৱা এই বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক আব্দুল ওৱাহাব লৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

লগতে আন্তৰিক ধন্যবাদ যাচিছো বন্ধুবৰ মুহতাছিম, জৰ্জিনা, আছমা, মনিজা, মইনা, ৰেহেনা, ছালমা, ৰাশ্বিদা, হাছনা, মাহমুদুল, জুলফিক্কাৰ, খলিল, নছিউৰ, আৰ্জেন, হাছেন, নাজিম, কদম, নবী, পদ্মশ্ৰী বড়ো, বিতুপন, অজয়, খিজিৰ, মদন, বিটু, মণ্টু, আনোৱাৰ লগতে ছাত্ৰ একতা সবাৰ সমূহ বিষয়ববীয়া সকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তা সকললৈ মোৰ শ-শ ধন্যবাদ।

সদৌ শেষত মোৰ কাৰ্য্যকালত হৈ যোৱা জ্ঞাত-অজ্ঞাত ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনা কৰি ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।

শ্ৰদ্ধা আৰু সেৱাৰে-
মঃ দিলোৱাৰ হুছেইন
সম্পাদক
তৰ্ক ও বক্তৃতা বিভাগ

# খেল (বহিঃ বিভাগ)

## সম্পাদকৰ প্ৰতিবেদন



খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ খেল (বহিঃ) বিভাগৰ সম্পাদক হিচাবে মই মোৰ প্ৰতিবেদন লিখাৰ পাতনিতে বিভিন্ন জনগোষ্ঠীৰে গঠিত অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ বীৰঙ্গনা সকলৰ প্ৰতি মোৰ শ্ৰদ্ধাৰ অঞ্জলি আগবঢ়াইছো। লগতে অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো সেই সকল ছাত্ৰ-ছাত্ৰীক যি সকলে খাৰুপেটীয়া মহাবিদ্যালয়ৰ সন্মানীয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বহিঃ খেল সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰিছিল।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতেই "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। মহাবিদ্যালয়ৰ প্ৰতিটো খেলতেই বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহন ও প্ৰতিদ্বন্দিতা কৰে। তাৰ বাবে মই সমূহ প্ৰতিযোগীলৈ মোৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিলোঁ। সপ্তাহ জোৰা ৰং ৰইচ তথা আনন্দৰ মাজেৰে খেল সমূহ শান্তিপূৰ্ণ ভাৱে সম্পূৰ্ণ হয়। যাৰ বাবে মই নথৈ আনন্দিত। বহিঃ বিভাগৰ ক্ৰীড়াৰ ল'ৰাৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে স্নাতক দ্বিতীয় বৰ্ষৰ (কলা) মঃ আৰ্জেন আলী মজুমদাৰে গৌৰৱ অৰ্জন কৰে।

বহিঃ ক্ৰীড়া বিভাগৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰ খনৰ অৱস্থা পুতৌজনক হোৱাৰ কাৰণে বৰষুণৰ পানীৰে পৰিপূৰ্ণ হৈ যায়, যাৰফলত খেল পথাৰখনত বোকা হয়। পৰৱৰ্ত্তী দিন সমূহত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰী সকলে ভোগ কৰি অহা বিভিন্ন সমস্যাৰ সমাধান কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিব বুলি আশা কৰিলোঁ।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্যকালত অজানিত ভুলৰ বাবে সমূহ অধ্যাপক, অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিছাৰিছোঁ, লগতে মোৰ বিভিন্ন কামত সৎ পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰ কৃতজ্ঞ। খেল বিভাগৰ তত্বাবধায়ক শ্ৰদ্ধাৰ শিক্ষাগুৰু মঃ ইমৰাণ আলী ছাৰলৈ মোৰ কৃতজ্ঞতাৰ শৰাই নিবেদিছোঁ। ছাত্ৰ একতা সভাৰ সমূহ সদস্য ক্ৰিকেট প্ৰতিযোগিতাত সহায় আগবঢ়োৱা প্ৰাক্তন ছাত্ৰ মঃ মফিদুল ইছলাম দালৈ মোৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত বঁটা বিতৰণী সভাত মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ নুৰুল ইছলাম দেৱে বঁটাৰ লগতে প্ৰমান পত্ৰ বিতৰণ কৰি দিয়াৰ বাবে তেখেতলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। খাৰুপেটীয়া মহাবিদ্যালয় তথা খেল বিভাগৰ ভৱিষ্যত উজ্জ্বল কামনা কৰিলোঁ। ধন্যবাদ।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

"জয় আই অসম"

মঃ মতিউৰ ৰহমান
সম্পাদক, খেল (বহিঃ) বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# খেল (অন্তঃ বিভাগ)

## সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে সৰ্ব শক্তিমান পৰম কৰুণাময় সৃষ্টিকৰ্তা আৰু জাতীয় স্বকীয়তা ৰক্ষাৰ হেতুকে দেশ মাতৃৰ হকে নিস্বাৰ্থভাৱে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও মোৰ প্ৰিয় দাদা বাইদেউ সকল তথা মোৰ প্ৰিয় বন্ধু বান্ধৱী সকলৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। খেল অন্তঃ বিভাগৰ সম্পাদকীয় প্ৰতিবেদনত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা মাগি প্ৰতিবেদনৰ পাতনি মেলিছো।

খেল শিক্ষাৰ এটা অবিচ্ছেদ্য অংগ। বল এটা যিদৰে সম্পূৰ্ণ গোলাকাৰ হব লাগে, সেইদৰে পূৰ্ণ শিক্ষা হ'বলৈ খেলা-ধূলাৰো প্ৰয়োজন। ইয়াৰ উপৰিও খেলা-ধূলা কৰিলে আমাৰ শৰীৰৰ উৎকৰ্ষ সাধন হয়। আজিৰ যুগত কেৱল আমি পুথিগত শিক্ষাতে আগবাঢ়ি গলে নহব। খেলা-ধূলাকো আগুৱাই লৈ যাব লাগিব। কেৱল কবি, সাহিত্যিক, বৈজ্ঞানিক আদিয়েই যে সমাজত সন্মানীয় তেনে নহয়, খেলুৱৈ সকলো তেওঁলোকৰ তুলনাত কম নহয়। খেলা-ধূলাৰ দ্বাৰা আমি অৰ্থনৈতিক দিশতো উন্নতি কৰিব পাৰো। সেয়ে আমি খেলা-ধূলা কৰিব লাগে।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৭-০৮ বৰ্ষৰ মই এজন বাচনি প্ৰাপ্ত সম্পাদক। ফলত বিনা প্ৰতিদ্বন্দীতাৰে মই খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভ্য হৈ পৰো। নিৰ্বাচন হোৱাৰ কিছুদিনৰ পিছতে মহাবিদ্যালয়ৰ আকৰ্ষণীয় মহাবিদ্যালয় সপ্তাহ ০৭/০১/০৮ তাৰিখৰ পৰা ১১/০১/০৮ তাৰিখলৈ পৰিচালিত কৰো। এই মহাবিদ্যালয় সপ্তাহত খেল অন্তঃবিভাগৰ তত্বাবধায়ক জ্যোতিষ চহৰীয়া চাৰে মোক বিশেষ ভাবে সহায় সহযোগিতা আগবঢ়ায়। ইয়াৰ উপৰিও হামিদুৰ ৰহমান, ইমৰান আলি, জাকিৰ হুছেইন, আব্দুল ওৱাহিদ আদি ছাৰেও মহাবিদ্যালয় সপ্তাহত মোক সহায় কৰে। মোৰ বন্ধুবৰ্গৰ ভিতৰত মেহদী আলম ছিদ্দিকী, ৰুহুল আমিন, ফাৰুক আব্দুল্লাহ, জাকিৰ হুছেইন, আবুবক্কৰ ছিদ্দিক, আদিয়েও মহাবিদ্যালয় সপ্তাহত মোক বিশেষ ভাবে সহায় সহযোগিতা আগবঢ়ায় আৰু মোৰ একেলগে থকা খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়া সকলেও মোলৈ সহায় সহযোগিতা আগবঢ়ায়। গতিকে যি সকলে মোক সহায় সহযোগিতা আগবঢ়াইছে তেওঁলোকলৈও মোৰ হিয়াভৰা আন্তৰিক শুভেচ্ছা ও ধন্যবাদ জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়খন পিছপৰা ঠাইত অৱস্থিত। গতিকে ইয়াৰ অভাৱ থকাটো স্বাভাবিক। তাৰ ভিতৰত বিশেষ অভাৱবোৰ হ'ল উন্নতমানৰ খেল পথাৰৰ অভাৱ, উপযুক্ত প্ৰশিক্ষণৰ অভাৱ, উপযুক্ত প্ৰশিক্ষকৰ অভাৱ ইত্যাদি। তথাপি কিন্তু নিম্নমানৰ খেল সামগ্ৰীৰে বিনা প্ৰশিক্ষণেৰে আনৰ তুলনাত ভাল খেল প্ৰদৰ্শন কৰিলে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে। গতিকে এয়ে কব খোজো যে এনে পৰিস্থিতিৰ মাজতো আমি ভাল খেলুৱৈ হ'ব পাৰো যদি আমাৰ মনত খেলৰ প্ৰতি আগ্ৰহ, উদ্যম, একাগ্ৰতা থাকে। মহাবিদ্যালয় কৰ্তৃপক্ষই যাতে মহাবিদ্যালয়ৰ ক্ৰীড়া সম্পৰ্কীয় অভাৱ বোৰ সোনকালে দূৰ কৰে তাৰে কামনা কৰিলোঁ।

সামৰণিত পুনৰ মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগি মহাবিদ্যালয়ৰ খেল অন্তঃ বিভাগৰ তথা মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ এই চুটি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

আলম শ্বাহ আহমেদ
সম্পাদক, খেল (অন্তঃ) বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# ছাত্ৰী জিৰণি কোঠাৰ

## সম্পাদিকাৰ প্ৰতিবেদন



জয়জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিলো। যি সকল মহান ব্যক্তিয়ে নিজৰ স্বাৰ্থক জলাঞ্জলি দি অশেষ ত্যাগেৰে খাৰুপেটীয়াৰ দৰে এখন অৰ্থনৈতিক আৰু শৈক্ষিক দিশত পিছপৰা অঞ্চলত আন্ধাৰ আঁতৰাই ধৰা পৃষ্ঠক আলোকিত কৰা এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি কম সময়ৰ ভিতৰত উজ্জ্বল মহাবিদ্যালয় হিচাবে গঢ় দিলে তেখেত সকললৈ গভীৰ শ্ৰদ্ধা নিবেদিছো। খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় শ্ৰদ্ধাৰ ছাৰ বি.এম. হামিদুৰ ৰহমান চাহাব লগতে বৰ্ত্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰদ্ধাৰ মঃ নুৰুল ইছলাম মহোদয়, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীক স্মৰণ কৰি মই মোৰ এবছৰীয়া ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদনৰ পাতনি মেলিলো, ভুল হ'লে ক্ষমা কৰিব।

যিসকল ছাত্ৰ-ছাত্ৰী আৰু দাদা-বাইদেউৰ সমৰ্থনত মোক ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচনত নিৰ্বাচিত কৰিছিল সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা

ও ধন্যবাদ জ্ঞাপন কৰিলোঁ। বাৰ্ষিক প্ৰতিবেদনৰ পাতনিত যি সকল মহান ব্যক্তিয়ে নিজৰ স্বাৰ্থ নেওচি মহাবিদ্যালয়ৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিলে সেই বীৰ শ্বহীদ সকললৈ মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন হয় ২৭/১২/০৭ তাৰিখে আৰু আমি শপত গ্ৰহণ কৰো ৩০/১২/০৭ তাৰিখে। শপত গ্ৰহণ কৰাৰ পিছৰ পৰা মোৰ ওপৰত এক গুৰু দায়িত্ব আহি পৰে। ছাত্ৰী জিৰণি কোঠাৰ তত্বাৱধায়িকা অধ্যাপিকা মাননীয়া শ্ৰীমতী কনকলতা শইকীয়া বাইদেউৰ পৰা সু-পৰামৰ্শ লৈ সকলো কামত আগবাঢ়ো। শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ পৰা বহুতো সু-পৰামৰ্শ পাইছো আৰু আমাৰ ছাত্ৰ একতা সভাৰ উপ সভাপতি, সাধাৰণ সম্পাদকৰ পৰা তথা সকলো বিষয়ববীয়া সকলৰ পৰা মই সু-পৰামৰ্শ গ্ৰহণ কৰি মোৰ কাৰ্যবোৰ কৰিছোঁ। মোৰ লগৰ বান্ধৱী সকলেও মোক যথেষ্ট সহায় কৰিছে। নিৰ্বাচনৰ সময়ত মোক সোঁহাত স্বৰূপে সহায় কৰা ব্যক্তিসকল, মঞ্জু (সমৰ্থক), মিছ শ্বাহনাজ চুলতানা, হাচিনা আখতাৰা, জেছমিন চুলতানা, ৰেশ্মা বেগম, জেচমিন বাইটি, বুলবুল হাচান, আব্দুল আৱাল, আবু ছাত্তাৰ, মইনুল (মামা) ফজলুৰ, ফিৰোজ ছাহ আলম, নিলিমা বেগম, ৰহিমা বেগম, ফিৰোজ দা- এই সকল বন্ধু-বান্ধৱী তথা দাদা-বাইদেউলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ এবছৰীয়া কাৰ্য বিৱৰণী ঃ মই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই সাতদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহত নানা প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশ কৰে। প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত ব্যক্তি সকলৰ দ্বাৰা পুৰস্কৃত কৰা হয়।

শ্ৰীশ্ৰী সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। তাৰ উপৰি হজৰত মহম্মদৰ জন্ম-মৃত্যু দিন ফাতেহা-ই-দোৱাজ দাহাম উদ্‌যাপন কৰা হয়।

২৬/০৮/০৮ তাৰিখে নবাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ নবাগত ছাত্ৰ-ছাত্ৰী সকলক সাদৰেৰে সম্ভাষণ জনোৱা হয়। উক্ত সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰ্থাৎ বৰ্ত্তমান ৰাজ্যসভাৰ সাংসদ মাননীয়া ছৈয়দা আনোৱাৰা টাইমুৰ মহোদয়া; মাননীয় ইলিয়াছ আলী, বিধায়ক দলগাওঁ বিধান সভা সমষ্টি আৰু অন্যান্য গণ্য মান্য ব্যক্তি সকল। অন্যান্য বিষয়ববীয়া সকলৰ লগতে ময়ো সহযোগিতা কৰি সুকলমে অতিথি সকলক সমাদৰ কৰাৰ সুবিধা পাওঁ।

মোৰ কাৰ্যকালত বাকী থকা কামবোৰ সম্পূৰ্ণৰূপে কৰিব নোৱাৰিলো। যোৱা ইং ০২/১০/০৮ তাৰিখৰ পৰা *দৰং, ওদালগুৰি জিলাত* গোষ্ঠীগত সংঘৰ্ষ হোৱাৰ ফলত ক্ষতিগ্ৰস্ত মানুহ সকলৰ বাবে আশ্ৰয় শিবিৰ খুলি মহাবিদ্যালয়ত মানুহ সকলক আশ্ৰয় দিব লগা হয়। ফলত মহাবিদ্যালয়ৰ অন্যান্য কামৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগা হয় আৰু ময়ো মোৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পূৰ্ণ কাম নিয়াৰিকৈ কৰিবলৈ ব্যৰ্থ হওঁ। তাৰ বাবে মই নিজেও অতিকৈ দুখিত।

তথাপিও মই মোৰ কাৰ্যকালত ছাত্ৰী জিৰণি কোঠাত বহুতো বস্তুৰ অভাৱ আছিল যদিও সেইবোৰ বিভাগীয় তত্বাৱধায়িকাৰ সহযোগত পূৰণ কৰিবলৈ সক্ষম হৈছো। মোৰ কাৰ্যকালত- কেৰম, ডবা, গিলাছ, জগ, লুডু আৰু অন্যান্য বহুতো সৰু সুৰা অভাৱ পূৰণ কৰিছো। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ পুঁজি টনকিয়াল নোহোৱাৰ বাবে বহুতো প্ৰয়োজনীয় আঁচনি কাৰ্যত পৰিণত কৰিব পৰা নগ'ল। হয়তো পৰৱৰ্তী কাৰ্যকালত সফল হব পৰা যাব বুলি আশা কৰিলো।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তি সকল, সমূহ প্ৰবক্তাবৃন্দ, ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ, বন্ধু-বান্ধৱী বৰ্গ, সমূহ কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা ও অভিনন্দন যাঁচিলো। লগতে মোৰ কাৰ্য কালৰ মাজত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন শুভ কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু খাৰুপেটীয়া মহাবিদ্যালয়'

'জয়তু ছাত্ৰ একতা সভা'

ছাবিনা ইয়াছমিন

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

খাৰুপেটীয়া মহাবিদ্যালয়



# ছাত্ৰ জিৰণি কোঠাৰ
## সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ পূজনীয় শিক্ষাগুৰু সকল তথা মোৰ প্ৰিয় বন্ধু-বান্ধৱী সকলৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰাৰ উপৰিও যি সকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে মনোনীত হৈ মহাবিদ্যালয়খনক সেৱা আগবঢ়াবলৈ যি মহান সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও অশেষ মৰম যাঁচি মই মোৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিছো।

মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত সন্মুখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ। মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে পৰিচালনা কৰাৰ পিছতে আমি অনুষ্ঠিত কৰো সৰস্বতী পূজা, নৱাগত আদৰণি সভা, ফাতেহা-ই-দোৱাজ দহম আদি অনুষ্ঠানত মই পূৰ্ণ সহযোগিতা আগবঢ়াওঁ। মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে মনোনীত হোৱাৰ পিছতে সন্মুখীন হওঁ পূৰ্ণাঙ্গ ছাত্ৰ জিৰণি কোঠাৰ সমস্যাৰ। আমাৰ মহাবিদ্যালয়খনত যি এটা ছাত্ৰ জিৰণি কোঠা আছে সেইটোও ছাত্ৰ অনুপাতে যথেষ্ট নহয়। মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত ছাত্ৰ জিৰণি কোঠাটো আমি পাওঁ যদিও তাতো সা-সঁজুলি পৰ্য্যাপ্ত নহয়। সেইখিনি মই পৰ্যায়ক্ৰমে সমাধান কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালতে এখন টেবুল, এখন বেঞ্চ, এটা ফিল্টাৰ লগতে জগ্, গিলাচৰ যোগান ধৰো। আমাৰ ছাত্ৰ জিৰণি কোঠাত এতিয়াও কিছুমান সামগ্ৰীৰ অভাৱ আছে। তাৰ ভিতৰত এটা শৌচাগাৰ আৰু এটা দমকলৰ অতি প্ৰয়োজন।

প্ৰতিবেদনৰ সামৰণিত মোৰ বিভাগৰ কাৰ্যকালৰ সময়ছোৱাত সহায়-সহযোগ তথা দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ নুৰুল ইছলাম ছাৰৰ লগতে ছাত্ৰ জিৰণি কোঠা বিভাগৰ তত্বাবধায়ক তথা ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা মাননীয় মঃ হবিবুৰ ৰহমান ছাৰক মোৰ শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে মোৰ বন্ধুবৰ্গ মঃ ফকৰ উদ্দিন আহমেদ, আব্দুল মান্নান, নাছমিন চুলতানা, ছালমা, মেৰিণা বেগম, ৰাবিয়া খাতুন, আলমিনা খাতুন, ইছলাম উদ্দিন আহমেদ, ছাদেক আলি, হাইদৰ আলি, মস্তাফা আলি, দেলুৱাৰ হুছেইন আদি সকলোৰে মোৰ কাৰ্যকালত বিশেষভাৱে সহায় সহযোগ আগবঢ়োৱাৰ বাবে সকলোকে এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে মোৰ প্ৰতিটো কামতে সহায় সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয়ৰ বৌদ্ধিক, সাংস্কৃতিক শৈক্ষিক সকলো দিশতে উন্নতি কামনা কৰি প্ৰতিবেদনৰ পৰিসমাপ্তি ঘটালোঁ। জয়তু খাৰুপেটীয়া মহাবিদ্যালয়, জয়তু ছাত্ৰ একতা সভা, জয় আই অসম।

মঃ জয়নাল আবদিন

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

খাৰুপেটীয়া মহাবিদ্যালয়

***

# মহাবিদ্যালয় সপ্তাহ (২০০৭-০৮) ৰ ফলাফল

১। ১০০ মিটাৰ দৌৰ (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ আৰ্জেন আলি মজুমদাৰ
দ্বিতীয় পুৰস্কাৰ ঃ মুতাছিম বিল্লাহ
তৃতীয় পুৰস্কাৰ ঃ মঃ আব্দুল ওৱাহাব

২। ১০০ মিটাৰ দৌৰ (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ মিছিৰন নেছা
দ্বিতীয় পুৰস্কাৰ ঃ মিছ সবলা ডেকা
দ্বিতীয় পুৰস্কাৰ ঃ মিছ ৰবিকুন নেছা
তৃতীয় পুৰস্কাৰ ঃ মিছ ছালমা বেগম

৩। ৪০০ মিটাৰ দৌৰ (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ আৰ্জেন আলি মজুমদাৰ
দ্বিতীয় পুৰস্কাৰ ঃ মঃ আব্দুল ওৱাহাব
তৃতীয় পুৰস্কাৰ ঃ মঃ গফ্‌ফাৰ আলি

৪। ৪০০ মিটাৰ দৌৰ (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ মিছিৰন নেছা
দ্বিতীয় পুৰস্কাৰ ঃ মিছ ৰবিকুন নেছা
তৃতীয় পুৰস্কাৰ ঃ পদ্মেশ্বৰী বড়ো

৫। ৮০০ মিটাৰ দৌৰ (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ আব্দুল ওৱাহাব
দ্বিতীয় পুৰস্কাৰ ঃ মঃ আৰ্জেন আলি মজুমদাৰ
তৃতীয় পুৰস্কাৰ ঃ মঃ আলিমুদ্দিন

৬। ৪০০ মিটাৰ সংযোগী দৌৰ (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ আব্দুল ওৱাহাব, মঃ মুতাছিম বিল্লাহ, মঃ আৰ্জেন আলি মজুমদাৰ, মঃ গফ্‌ফাৰ আলি।
দ্বিতীয় পুৰস্কাৰ ঃ মঃ খলিলুৰ ৰহমান, মঃ হাছান আলি, মঃ দিলোৱাৰ হুছেইন, মঃ মেহদি আলম চিদ্দিক।

৭। ৪০০ মিটাৰ সংযোগী দৌৰ (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ সবলা ডেকা, মিছ ছালমা খাতুন, মিছ ৰবিকুন নেছা, মিছ মিছিৰন নেছা।

৮। যাঠি দলিওৱা (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ খিজিৰ হায়েত
দ্বিতীয় পুৰস্কাৰঃ মঃ বাহাৰুল ইছলাম
তৃতীয় পুৰস্কাৰ ঃ মঃ জাকিৰ হুছেইন

৯। যাঠি দলিওৱা (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ মিছিৰন নেছা
দ্বিতীয় পুৰস্কাৰ ঃ মিছ সবলা ডেকা
তৃতীয় পুৰস্কাৰ ঃ মিছ ছেমিনা বেগম

১০। গধুৰ বস্তু দলিওৱা (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ মিছিৰন নেছা
দ্বিতীয় পুৰস্কাৰ ঃ মিছ ছেমিনা বেগম
তৃতীয় পুৰস্কাৰ ঃ হাফিজা খাতুন

১১। গধুৰ বস্তু দলিওৱা (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ গোলাম ৰাব্বানি
দ্বিতীয় পুৰস্কাৰ ঃ মঃ গফ্‌ফাৰ আলি
তৃতীয় পুৰস্কাৰ ঃ মঃ ছবিকুল ইছলাম

১২। কাঁহী দলিওৱা (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ ৰফিকুল ইছলাম
দ্বিতীয় পুৰস্কাৰ ঃ মঃ ৰফিকুল ইছলাম
তৃতীয় পুৰস্কাৰ ঃ মঃ আমিনুল হক

১৩। কাঁহী দলিওৱা (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ মিছিৰণ নেছা
দ্বিতীয় পুৰস্কাৰ ঃ মিছ ছেমিনা বেগম
তৃতীয় পুৰস্কাৰ ঃ মিছ সবলা ডেকা

১৪। ৰছী টনা (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ গফ্‌ফাৰ আলি, মঃ আহছানুল ইছলাম, মঃ আমিনুল, মঃ নবিৰ হুছেইন, মঃ জানিফ আলি, মঃ নৌছাদ আলি
দ্বিতীয় পুৰস্কাৰ ঃ মঃ আব্দুল মান্নাফ, মঃ আমজাদুল ইছলাম, জন্টি চন্দ্ৰ চৌধুৰী, ইক্ৰামুল হক, হবিবুল হক, মকিবুল ইছলাম।

১৫। ৰছী টনা (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ মনিজা খাতুন, মিছ সবলা ডেকা, মিছ আছমা খাতুন, মিছ মছিৰা খাতুন, মিছ উম্মা ৰাবিয়া ইয়াছমিন, মিছ হাফিজা খাতুন।
দ্বিতীয় পুৰস্কাৰ ঃ মিছ ৰেহনা বেগম, মিছ ছালমা বেগম, মিছ ছালমা বেগম, মিছ ছমিনা বেগম, মিছ পদ্মেশ্বৰী বড়ো, মিছ মেৰিনা বেগম।

১৬। দীঘল জাপ (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ আৰ্জেন আলি মজুমদাৰ
দ্বিতীয় পুৰস্কাৰ ঃ মঃ আব্দুল ওৱাহাব
তৃতীয় পুৰস্কাৰ ঃ মঃ আনোৱাৰ হুছেইন

১৭। দীঘল জাপ (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ ৰবিকুন নেহাৰ
দ্বিতীয় পুৰস্কাৰ ঃ মিছ মিছিৰণ নেছা
তৃতীয় পুৰস্কাৰ ঃ মিছ পদ্মেশ্বৰী বড়ো



১৮। ওখ জাপ (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ আব্দুল ওৱাহাব
দ্বিতীয় পুৰস্কাৰ ঃ মঃ আমজাদুল ইছলাম
তৃতীয় পুৰস্কাৰ ঃ মঃ আৰ্জেন আলি মজুমদাৰ

১৯। সাতোৰ
প্ৰথম পুৰস্কাৰ ঃ মঃ আমিনুল
দ্বিতীয় পুৰস্কাৰ ঃ মঃ জানিফ আলি
তৃতীয় পুৰস্কাৰ ঃ মঃ চুলতান মেহমুদ
তৃতীয় পুৰস্কাৰ ঃ শ্ৰীঅঞ্জন বড়ো

২০। ভলী বল
প্ৰথম পুৰস্কাৰ ঃ মঃ আব্দুল ওৱাহাব (কেপ্টেইন), ফজৰ আলি মণ্ডল, ইক্ৰামুল হুছেইন, দিলোৱাৰ হুছেইন, আৰ্জেন আলি মজুমদাৰ, আবু ছায়েদ।
দ্বিতীয় পুৰস্কাৰ ঃ মঃ গোলাম ৰাব্বানি, মঃ আব্দুৰ ৰেজ্জেক, মঃ জিয়াউৰ ৰহমান, মঃ বাহাৰুল ইছলাম, মঃ আব্দুল মমিন, মঃ ৰফিকুল ইছলাম।

২১। কলহ ভঙা (ল'ৰা)
প্ৰথম পুৰস্কাৰ ঃ মঃ ওছমান গনি
দ্বিতীয় পুৰস্কাৰ ঃ মঃ আটাউৰ ৰহমান
তৃতীয় পুৰস্কাৰ ঃ জয়নাল আবদিন

২২। কলহ ভঙা (ছোৱালী)
প্ৰথম পুৰস্কাৰ ঃ মিছ হাফিজা খাতুন
দ্বিতীয় পুৰস্কাৰ ঃ মিছ জৰজিনা বেগম

২৩। বাধা-বিঘিনি দৌৰ
প্ৰথম পুৰস্কাৰ ঃ মঃ আৰ্জেন আলি মজুমদাৰ
দ্বিতীয় পুৰস্কাৰ ঃ মঃ নৌচাদ আলি
তৃতীয় পুৰস্কাৰ ঃ মঃ আব্দুল ওৱাহাব

২৪। ক্ৰিকেট চেম্পিয়ন (স্নাতক প্ৰথম বাৰ্ষিক)
মঃ গোলাম ৰাব্বানি (কেপ্টেইন) মঃ মতিউৰ ৰহমান (ভাইচ-কেপ্টেইন), মঃ ইক্ৰামুল হুছেইন, মঃ গোলাম নবি আজাদ, মঃ ফজলুল হক, মঃ কাফেয়াতুল্লাহ, মঃ হাফিজুৰ ৰহমান, মঃ ফিৰোজ ছাহালম, মঃ আব্দুৰ ৰৌফ, মঃ আৰ্জেন আলি মজুমদাৰ, মঃ জাবেদ আলি, মঃ ওবাইদুল্লাহ।

ৰানাৰ্চ আপ (স্নাতক দ্বিতীয় বাৰ্ষিক)
মঃ আব্দুল ওৱাহাব (কেপ্টেইন), মঃ মুটাছিম বিল্লাহ, মঃ নাজিমুদ্দিন গাজি, মঃ আবুল বাসাৰ, মঃ খলিলুৰ ৰহমান, মঃ হাছেন আলি, মঃ দিলোৱাৰ হুছেইন, মঃ আব্দুল মান্নান, মঃ ৰফিকুল ইছলাম, মঃ খিজিৰ হায়াত, মঃ ফজৰ আলি মণ্ডল, মঃ আবু ছায়েদ।

২৫। ফুটবল চেম্পিয়ন (স্নাতক প্ৰথম বাৰ্ষিক)
মঃ গোলাম ৰাব্বানি (কেপ্টেইন), মঃ আব্দুৰ ৰেজ্জাক, মঃ জয়নাল আবদিন, মঃ আব্দুল মান্নান, মঃ জাবেদ আলি, মঃ জিয়াউৰ ৰহমান, মঃ বাহাৰুল আমিন, মঃ আব্দুল জুব্বাৰ, মঃ চৈয়দুৰ ৰহমান, মঃ ৰফিকুল ইছলাম, মঃ ওছমান গনি, মঃ আনোৱাৰ হুছেইন।

ৰানাৰ্চ আপ (স্নাতক দ্বিতীয় বাৰ্ষিক)
মঃ আব্দুল ওৱাহাব (কেপ্টেইন), মঃ খলিলুৰ ৰহমান, মঃ মফিদুল ইছলাম, মঃ ফিৰোজ আহমেদ, মঃ আমিনুল, মঃ জানিক আলম, মঃ দিলোৱাৰ হুছেইন, মঃ গফ্‌ফাৰ আলি, মঃ খিজিৰ হায়াত, শ্ৰীঅঞ্জন বড়ো, মঃ মুতাছিম বিল্লাহ, মঃ আৰ্জেন আলি মজুমদাৰ।

(খেল অন্ত বিভাগ)

পাঞ্জা প্ৰতিযোগিতা (ল'ৰা)
প্ৰথম স্থান ঃ মঃ বাহাৰুল আমিন
দ্বিতীয় স্থান ঃ মঃ ফাৰুক আব্দুল্লাহ
তৃতীয় স্থান ঃ মঃ আমিনুল হক

পাঞ্জা প্ৰতিযোগিতা (ছোৱালী)
প্ৰথম স্থান ঃ মিছ হাফিজা খাতুন
দ্বিতীয় স্থান ঃ মিছ ছামিনা বেগম
তৃতীয় স্থান ঃ মিছ মনিজা খাতুন

সঙ্গীত চকী
প্ৰথম স্থান ঃ খাদিজা ইয়াছমিন
দ্বিতীয় স্থান ঃ মনিজা খাতুন
তৃতীয় স্থান ঃ মফিদা খাতুন

কেৰম প্ৰতিযোগিতা (ল'ৰা)
প্ৰথম স্থান ঃ ফাৰুক আব্দুল্লাহ
দ্বিতীয় স্থান ঃ জাবেদ আলি

কেৰম প্ৰতিযোগিতা (ছোৱালী)
প্ৰথম স্থান ঃ খাদিজা ইয়াছমিন
দ্বিতীয় স্থান ঃ উম্মে হানিমা ইয়াছমিন

ডবা প্ৰতিযোগিতা (ল'ৰা)
প্ৰথম স্থান ঃ ৰাহুল হুছেইন
দ্বিতীয় স্থান ঃ চন্দ্ৰ ভূষণ সিং
তৃতীয় স্থান ঃ হাকিম আলি

ডবা প্ৰতিযোগিতা (ছোৱালী)
প্ৰথম স্থান ঃ খাদিজা ইয়াছমিন
দ্বিতীয় স্থান ঃ মনুৱাৰা ইছলাম
তৃতীয় স্থান ঃ জাগেশ্বৰী ডেকা

বেডমিণ্টন প্ৰতিযোগিতা (ল'ৰা)
প্ৰথম স্থান ঃ লক্ষ্মণ নাগৰি

দ্বিতীয় স্থান ঃ উমৰ ফাৰুক
তৃতীয় স্থান ঃ আলম শ্বাহ আহমেদ

**বেডমিন্টন প্রতিযোগিতা (ছোৱালী)**
প্রথম স্থান ঃ খাদিজা ইয়াছমিন
দ্বিতীয় স্থান ঃ মনিজা খাতুন
তৃতীয় স্থান ঃ উম্মে হানিফা ইয়াছমিন

**ৰিং দলিওৱা**
প্রথম স্থান ঃ সৰলা ডেকা
দ্বিতীয় স্থান ঃ আছমা বেগম
তৃতীয় স্থান ঃ হাফিজা খাতুন

**নাটক**
প্রথম স্থান ঃ সপোনৰ কাৰেং চাপৰি
অভিনয়ত ঃ নছিওৰ ৰহমান (কৃষ্ণ), সৰলা ডেকা (বিদ্যা),আতাউৰ ৰহমান (ৰাণা), আল আমিন (মটকা), ফজলুল হক (ভুজিয়া), ছফিকুল ইছলাম (হাসমত), হাবিল উদ্দিন (ৰতিকান্ত)।
দ্বিতীয় স্থান ঃ যৌতুকৰ দাবী
অভিনয়ত ঃ আল আমিন (ৰতন), ছফিয়া ইছলাম (জোনালী), মনোৱাৰা (পাৰ্বতী), আবুল হাছেম (ৰাকেশ), বুলবুল (ৰাতুল)।

**আধুনিক গীত**
প্রথম স্থান ঃ মফিজা বেগম
দ্বিতীয় স্থান ঃ অঞ্জুমা আৰা বেগম
তৃতীয় স্থান ঃ হাবিবা খানম

**গজল প্রতিযোগিতা**
প্রথম স্থান ঃ আবদুৰ ছাত্তাৰ
দ্বিতীয় স্থান ঃ হাচিনা আকতাৰ
তৃতীয় স্থান ঃ মফিদা বেগম

**কবিতা আবৃত্তি**
প্রথম স্থান ঃ নছিব আলি
দ্বিতীয় স্থান ঃ আব্দুল আৱাল
তৃতীয় স্থান ঃ ছাবিনা ইয়াছমিন

**লোকগীত প্রতিযোগিতা**
প্রথম স্থান ঃ মফিদা বেগম
দ্বিতীয় স্থান ঃ আঞ্জুমা আৰা বেগম
দ্বিতীয় স্থান ঃ ৰফিকুল ইছলাম
তৃতীয় স্থান ঃ নুৰ নেহাৰ

**জিকিৰ প্রতিযোগিতা**
প্রথম স্থান ঃ ছাবিনা ইয়াছমিন
দ্বিতীয় স্থান ঃ আঞ্জুমা আৰা বেগম
তৃতীয় স্থান ঃ বাৰ্কিবিল্লা

**বিহু গীত**
প্রথম স্থান ঃ মফিদা বেগম
দ্বিতীয় স্থান ঃ ৰফিকুল ইছলাম
তৃতীয় স্থান ঃ আঞ্জুমাআৰা বেগম

**বিয়া নাম**
প্রথম স্থান ঃ আঞ্জুমা আৰা বেগম

**ভূপেন্দ্র সংগীত**
প্রথম স্থান ঃ নছিব আলি

**কেৰৎ প্রতিযোগিতা**
প্রথম স্থান ঃ হাবিবা খানম
দ্বিতীয় স্থান ঃ হাচিনা আখতাৰা

**বিষ্ণুৰাভা সংগীত**
প্রথম স্থান ঃ আঞ্জুমা আৰা বেগম
দ্বিতীয় স্থান ঃ মফিদা বেগম

**জ্যোতি সংগীত**
প্রথম স্থান ঃ মফিদা খাতুন
দ্বিতীয় স্থান ঃ আঞ্জুমা আৰা বেগম
তৃতীয় স্থান ঃ নছিব আলি

**কইনা প্রতিযোগিতা**
প্রথম স্থান ঃ মঞ্জুশ্রী ডেকা
দ্বিতীয় স্থান ঃ শ্বাহনাজ চুলতানা
তৃতীয় স্থান ঃ ছাবিনা ইয়াছমিন

**তৰ্ক প্রতিযোগিতা**
প্রথম স্থান ঃ আবুল ওৱাহাব
দ্বিতীয় স্থান ঃ খাদিজা ইয়াছমিন
তৃতীয় স্থান ঃ আবু ছায়েদ

**আকস্মিক বক্তৃতা**
প্রথম স্থান ঃ আবুল ওৱাহাব
দ্বিতীয় স্থান ঃ উম্মে হানিমা ইয়াছমিন
তৃতীয় স্থান ঃ মনিজা খাতুন

**কুইজ প্রতিযোগিতা (ক)**
প্রথম স্থান ঃ আবুল ওৱাহাব
দ্বিতীয় স্থান ঃ মনিজা খাতুন
তৃতীয় স্থান ঃ চন্দ্র ভূষণ সিং

**কুইজ প্রতিযোগিতা (খ)**
প্রথম স্থান ঃ ছাবিনা ইয়াছমিন
দ্বিতীয় স্থান ঃ আব্দুল মুন্নাফ
তৃতীয় স্থান ঃ কেফাইয়তউল্লাহ



# মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীসকলৰ তালিকা

**অধ্যক্ষ (ভাৰপ্ৰাপ্ত) ঃ**
মঃ নুৰুল ইছলাম, এম.এ., বি.এড., এম.ফিল.

**ইংৰাজী বিভাগ ঃ**
মঃ আব্দুৰ ৰহিম, এম. এ., বি. এড. (প্ৰবক্তা)
মঃ আব্দুল আওৱাল, এম.এ., বি.এড., এল এল.বি. (প্ৰবক্তা)
মিছেচ মালা চক্ৰৱৰ্তী, এম.এ., বি.এড. (প্ৰবক্তা)
মঃ ৰুকনউদ্দিন আহমেদ, এম.এ., এল এল. বি., এম. ফিল. (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**অসমীয়া বিভাগ ঃ**
ড০ আছমান আৰা বেগম, এম. এ. পি.এইচ.ডি. (প্ৰবক্তা)
মিছেচ কনকলতা শইকীয়া, এম. এ., এম. ফিল. (প্ৰবক্তা)
মঃ নাজিৰ হুছেইন সৰকাৰ, এম.এ. (প্ৰবক্তা)
মিছেচ মিচিৰা পাৰবিন, এম. এ. (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**ৰাজনীতি বিজ্ঞান বিভাগ ঃ**
মঃ নুৰুল ইছলাম, এম.এ., বি.এড., এম.ফিল. (মুৰব্বী প্ৰবক্তা)
শ্ৰীৰূপজ্যোতি প্ৰসাদ দত্ত, এম.এ. এল এল. বি., (প্ৰবক্তা)
মঃ হবিবুৰ ৰহমান, এম.এ. (প্ৰবক্তা)
মঃ আব্দুল ৰাহিদ, এম.এ., এম.এম. (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**অৰ্থনীতি বিভাগ ঃ**
শ্ৰীদীপক কলিতা, এম.এ. (মুৰব্বী প্ৰবক্তা)
শ্ৰীমৌচুমী সাহা কলিতা, এম.এ. এল এল. বি. (প্ৰবক্তা)
মঃ মিজানুৰ ৰহমান, এম.এ. (প্ৰবক্তা)

**বুৰঞ্জী বিভাগ ঃ**
মঃ আব্দুল কৰিম, এম.এ., বি. এড., এম. ফিল (মুৰব্বী প্ৰবক্তা)
মঃ জালালউদ্দিন আহমেদ, এম.এ. (প্ৰবক্তা)
মঃ আব্দুল হান্নান,এম.এ. (প্ৰবক্তা)

**শিক্ষা বিভাগ ঃ**
মঃ আবুল বাসাৰ আহমেদ, এম.এ. (প্ৰবক্তা)
মিছেচ জাহিদা চুলতানা, এম. এ., বি.এড. (প্ৰবক্তা)
মঃ আমজাদ হুছেইন মজুমদাৰ, এম.এ., বি.এড., এম. ফিল. (প্ৰবক্তা)
মঃ লুতফুৰ ৰহমান, এম. এ., বি.এড., এম. ফিল. (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**আৰবী বিভাগ ঃ**
মঃ নুৰ জামান, এম. এ., বি.এড., (মুৰব্বী প্ৰবক্তা)
মঃ জাকিৰ হুছেইন আহমেদ, এম.এ. (প্ৰবক্তা)
মঃ ইমৰান আলী, এম.এ. (প্ৰবক্তা)
মঃ জাবেৰ আহমেদ, এম.এ., এম.এম. (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**গণিত বিভাগ ঃ**
মঃ আব্দুৰ ৰহমান, এম.এচ.চি. (প্ৰবক্তা)
মঃ আফজল হুচেইন, এম.এচ.চি (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**সংস্কৃত বিভাগ ঃ**
ড০ পৰিমল কুমাৰ দত্ত, এম.এ. (ডাবল), এম.এড., পি.এইচ.ডি. (মুৰব্বী প্ৰবক্তা)
মিছেচ অপৰাজিতা দেৱী, এম.এ., বি.এড. (প্ৰবক্তা)

**দৰ্শন বিভাগ ঃ**
শ্ৰীজ্যোতিষ চহৰীয়া, এম.এ. (মুৰব্বী প্ৰবক্তা)
মিছেচ প্ৰণতী দত্ত, এম.এ. (প্ৰবক্তা)
মঃ জাকিৰ হুছেইন চৌধুৰী, এম.এ বি.এড. (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**হিন্দী বিভাগ ঃ**
মঃ শিকদাৰ আনোৱাৰুল ইছলাম, এম.এ. (মুৰব্বী প্ৰবক্তা)
মঃ আবদুল মতিন, এম.এ. (প্ৰবক্তা)
মোস্তাফা নুৰুজ জামান, এম.এ., প্ৰবীণ (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**ভূগোল বিভাগ ঃ**
শ্ৰীভূপেন্দ্ৰ নাথ বৰা, এম.এ. (প্ৰবক্তা)
ড০ কালি দাস শৰ্মা, এম. এ., পি.এইচ. ডি. (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**বাণিজ্য বিভাগ ঃ**
মঃ আব্দুল আজিজ, এম. কম. (বেংকিং) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)
মঃ মোছতাফা কামাল, এম. কম. (মেনেজমেণ্ট) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)
মঃ ফৰিদ মাছুদ আহমেদ, এম.কম. (একাউণ্টেনচি)

(অমঞ্জুৰিকৃত) (প্ৰবক্তা)

চহিদুল ইছলাম তালুকদাৰ, এম. কম. (বেংকিং) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

গ্ৰন্থাগাৰ ঃ

শ্ৰীজীৰেন্দ্ৰ মোহন দেৱ শৰ্মা, এম. এ., বি. লিব. (গ্ৰন্থগাৰিক)

মঃ শ্বাহ আলম (গ্ৰন্থাগাৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ আবু তালেব (গ্ৰন্থাগাৰ বাহক)

অধ্যক্ষৰ কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল ঃ

খন্দকাৰ দেলোৱাৰ হুছেইন, বি.এ. (উচ্চ বৰ্গৰ সহায়ক)

মঃ আবু বক্কৰ ছিদ্দিক, বি.এ. (উচ্চ বৰ্গৰ সহায়ক)

মঃ ইছলামুদ্দিন আহমেদ, বি.এ. (নিম্ন বৰ্গৰ সহায়ক)

মঃ শ্বহিদ আলি,বি.এ. (নিম্ন বৰ্গৰ সহায়ক)

মঃ ৰাহেদুদ জামান, বি.এ. (নিম্ন বৰ্গৰ সহায়ক)

মঃ ছোৰহাব আলি (নিম্ন বৰ্গৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ ছফিকুল ইছলাম, বি.এ. (নিম্ন বৰ্গৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ মিজানুৰ ৰহমান (নিম্ন বৰ্গৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ ছহিদুল্লাহ, বি.এ. (নিম্ন বৰ্গৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ ছামিজুৰ ৰহমান (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী)

মঃ লাল মিএগ (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী)

আব্দুচ ছামাদ খন্দকাৰ (গৱেষণাগাৰ বাহক)

মঃ কিনাল আলি (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী)

মঃ অবিৰ আলি (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী) (অমঞ্জুৰিকৃত)

মঃ নুৰ মহম্মদ (নৈশ চকিদাৰ) (অমঞ্জুৰিকৃত)

০০০০

## ছাত্ৰ একতা সভা ২০০৭-০৮
### (বৰ্দ্ধিত কাৰ্যকাল ঃ ৩১-০৮-২০০৯ লৈকে)

| | | |
|---|---|---|
| উপ-সভাপতি | ঃ | মহঃ দিলোৱাৰ হুছেইন |
| সাধাৰণ সম্পাদক | ঃ | মহঃ হাকিম আলি |
| সহঃসাধাৰণ সম্পাদক | ঃ | মহঃ জেহেৰুল ইছলাম |
| খেল সম্পাদক (বহিঃ বিভাগ) | ঃ | মহঃ মতিউৰ ৰহমান |
| খেল সম্পাদক (অন্তঃ বিভাগ) | ঃ | মহঃ আলম শ্বাহ আহমেদ |
| আলোচনী সম্পাদক | ঃ | মহঃ মফিদুল ইছলাম |
| সমাজ সেৱা সম্পাদক | ঃ | মহঃ মুৰতাজা আহমেদ |
| সাংস্কৃতিক সম্পাদক | ঃ | মহঃ আতাউৰ ৰহমান |
| তৰ্ক আৰু বক্তৃতা সম্পাদক | ঃ | মহঃ দিলোৱাৰ হুছেইন |
| ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক | ঃ | মহঃ জয়নাল আবদিন |
| ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা | ঃ | মিছ্ ছাবিনা ইয়াছমিন |





Printed at Paramount Computer Centre : Bordoulguri : Darrang (98540-46383, 98549-72225)